৪৭ সংখ্যক

# জ্যোতিষ্মান

## গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

২০১৮-১৯ বৰ্ষ



সম্পাদক

**জাফ্ৰিনা আহমেদ**

# গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ
# সমবেত সংগীত

ৰচনা ঃ পুনাৰাম নেওগ, প্ৰতিষ্ঠাপক অধ্যক্ষ
সুৰকাৰ ঃ শ্ৰী বুবুল দত্ত

জেউতি চৰাই যাওঁ
জেউতি চৰাই যাওঁ
দুবৰি বনৰ পাতৰ আঁৰত
কিজানি মুকুতা পাওঁ।
জেউতি চৰাই যাওঁ।।

ভৱ সাগৰৰ বুকুত আমি
পাল তৰি ল'লো নাও
পাল ফাটি গ'লে
বঠা বাই বাই
সিপাৰে কি আছে চাওঁ।
জেউতি চৰাই যাওঁ।।

মুক্ত আকাশত হংসৰ জাক
অসীম তৃষ্ণাত উৰে
আমাৰ চকুতো অসীম দৃষ্টি
লক্ষ্য বহু দূৰে
যাওঁ আগুৱাই যাওঁ।
জেউতি চৰাই যাওঁ।।

নৱ জেউতিৰ পৰশত সৌৱা
মৰহা কঙ্কালে জীৱন পালে
বন্ধ আত্মা জিকাৰি উঠিল
মুকুতিৰ মহা সংগীত গালে
শ্মশানত আমি গোলাপী সৌৰভ
বিলাই বিলাই যাওঁ।
জেউতি চৰাই যাওঁ।।

জয়ধ্বনি কৰা সৱে
জয় মানৱৰ জয়
জয়ধ্বনি কৰা সৱে
প্ৰতিষ্ঠাতাৰ জয়।

এই মন্দিৰত সোমাই আহা
জ্ঞান পূজাৰীৰ দল, পণ কৰা হে দীন-দুখীয়াক
বিলাম নতুন বল
সেৱাৰ মহিমা গাওঁ।
জেউতি চৰাই যাওঁ।।



# জ্যোতিষ্মান

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

বৰ্ষ ঃ ২০১৮-১৯

# JYOTISHMAN

The Annual Souvenir of Golaghat Commerce College

Session : 2018-19



**শ্ৰদ্ধা, প্ৰীতি আৰু শুভেচ্ছাৰে—**

~~শ্ৰী~~/শ্ৰীমতী ....Mr. Bimal ch. Pathak....ৰ হাতত

'জ্যোতিষ্মান'ৰ এই সংখ্যাটি অৰ্পণ কৰিলোঁ।

সম্পাদক

জাফ্ৰিনা আহমেদ

**JYOTISHMAN**

- The Annual Magazine of Golaghat Commerce College, Golaghat for the session 2018-19, Edited by Zafrina Ahmed and Printed at Probhati Printers, Golaghat | 47th Issue.

# সম্পাদনা সমিতি

**সভাপতি**

অনুপ কুমাৰ দাস

**উপদেষ্টা**

ড° নৰমী গগৈ

জোনটি দুৱৰা

হিমাদ্ৰী গগৈ

- **সম্পাদক ঃ জাফ্ৰিনা আহমেদ**
- বেটুপাতৰ শিল্পী ঃ ভৈৰৱ গগৈ

- **প্ৰকাশক ঃ ছাত্ৰ একতা সভা ২০১৮-১৯ বৰ্ষ**

- মুদ্ৰণ ঃ প্ৰভাতী প্ৰিণ্টাৰ্ছ, গোলাঘাট

**'জ্যোতিষ্মান'**ত প্ৰকাশিত লেখাসমূহ স্ব-ৰচিত তথা মৌলিক বুলি নিৰ্বাচন কৰা হৈছে। তদুপৰি লেখাসমূহৰ দৃষ্টিকোণো লেখকৰ নিজা। এই ক্ষেত্ৰত ভুল তথা স্ব-ৰচিত নহয় বুলি প্ৰমাণিত হ'লে, তাৰ বাবে সম্পাদনা সমিতি দায়বদ্ধ নহয়।

— **সম্পাদনা সমিতি**

# উৎসৰ্গা

প্ৰতিষ্ঠা কালৰে পৰা
আমাৰ জ্ঞাতে-অজ্ঞাতে
বহু ব্যক্তি আমাৰ মাজৰ পৰা হেৰাই গ'ল।
সেই সকল ব্যক্তিলৈ আমি
আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

— সম্পাদনা সমিতি

# শ্ৰদ্ধাঞ্জলি



## ◈ প্ৰয়াত অৰ্চণা মহন্ত ◈

অসমী আইৰ বুকুৰ এটি মূল্যবান মাণিক যাৰ
সুৱদি কণ্ঠেৰে আইৰ ভূমি জীপাল কৰিছিল, যাৰ গীতৰ সুবাসত
আজিও মধুৰতাৰ সুৰ বাজে, সেই গৰাকী মহান কণ্ঠশিল্পী
২৭ আগষ্ট, ২০২০ তাৰিখে
সকলোকে কন্দুৱাই পৰলোকলৈ গমন কৰে।
মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা মহান শিল্পীগৰাকীৰ
প্ৰতি শোকাশ্ৰুৰে শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

*Professor Ranjit Tamuli*
**Vice-Chancellor**
**DIBRUGARH UNIVERSITY**
Dibrugarh, PIN 786004, Assam

Phone 0373-2370239 (O), 0373-2328557 (R)
Mobile +91 94350 06038, Fax : 0373 -2370323
E-mail . vc@dibru.ac.in
rtamuli@rediffmail.com

Ref. No. ..............................

Date ..............................

# শুভেচ্ছা বাণী

বিগত ১৯৭২ খ্ৰীষ্টাব্দত গোলাঘাট জিলাৰ এক বৃহৎ অঞ্চলক সামৰি বাণিজ্য শাখাত উচ্চ শিক্ষা প্ৰদানৰ উদ্দেশ্যেৰে প্ৰতিষ্ঠা কৰা হৈছিল গোলাঘাট বাণিজ্য মহাবিদ্যালয়। ইতিপূৰ্বে অঞ্চলটিত কলা আৰু বিজ্ঞান শাখাতহে উচ্চ শিক্ষাৰ ভেটিটো তৈয়াৰ হৈছিল। গতিকে এইক্ষেত্ৰত মহাবিদ্যালয়খনিক সমগ্ৰ জিলাখনৰে বাণিজ্য শাখাত উচ্চ শিক্ষা প্ৰদানকাৰী শিক্ষানুষ্ঠানসমূহৰ অন্যতম গুৰি ধৰোঁতা বুলিব পাৰি। আৰম্ভণিৰে পৰা মহাবিদ্যালয়খনিয়ে মানদণ্ড সম্পন্ন মানৱ সম্পদ তৈয়াৰ কৰাত গুৰুত্ব দি আহিছে আৰু এইক্ষেত্ৰত পাৰ হৈ অহা দিনবোৰত যথেষ্ট সফলতাও লাভ কৰিছে বুলিব পাৰি। অনাগত দিনবোৰতো এই ধাৰা অব্যাহত থাকক তাৰ বাবে আমাৰ সদিচ্ছা আৰু আন্তৰিক শুভ কামনা থাকিল।

মহাবিদ্যালয়খনিয়ে বিগত বৰ্ষৰ দৰে এইবাৰো বাৰ্ষিক মুখপত্ৰ 'জ্যোতিষ্মান'খনি প্ৰকাশ কৰিবলৈ আগবাঢ়িছে বুলি জানি আমি আনন্দিত হৈছো। এনে মুখপত্ৰসমূহেই মহাবিদ্যালয়সমূহৰ দাপোণ স্বৰূপ হোৱাৰ সূত্ৰে শিক্ষাৰ্থীসকলকে প্ৰমুখ্য কৰি সহৃদয় পাঠকৰ সমাজখনেও দাপোণখনিৰ ছপা ৰূপটি পাবৰ বাবে অধীৰ আগ্ৰহেৰে বাট চাই থাকে। আমাৰ আশা এয়ে যে এই বৰ্ষৰ 'জ্যোতিষ্মান'খনি তুলনামূলকভাৱে অধিক মান সম্পন্ন আৰু নিৰ্ভৰযোগ্য তথ্য-লিখনি আদিৰে সৈতে সুন্দৰকৈ ছপা হৈ ওলাব আৰু তদ্ৰূপে মুখপত্ৰখনিয়ে পাঠক সমাজৰ পৰা যথোচিত সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ব।

তাৰ বাবে সম্পাদনা সমিতিকে আদি কৰি প্ৰকাশৰ সৈতে জড়িত সমূহ ব্যক্তি-প্ৰতিষ্ঠানলৈ আমাৰ আগতীয়া অভিনন্দন, নিজ নিজ কলমেৰে আলোচনীখনিক চহকী কৰা লেখক-লেখিকাবৃন্দ, মহাবিদ্যালয়খনিৰ পৰিয়ালটি সমন্বিতে পঢ়ুৱৈৰ বৃহৎ সমাজখনলৈ শুভেচ্ছা থাকিল।

Tamuli 10.02.2024

(ড° ৰঞ্জিত তামুলী)
উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড়

**GAURAV GOGOI**
MEMBER OF PARLIAMENT
(LOK SABHA)
KALIABOR, ASSAM
Member :
· Standing Committee on Finance

सत्यमेव जयते

C-7, MS Flats, BKS Marg,
New Delhi-110 001
Mobile : 0-9013869955, 0-9954355505
Email : office@gauravgogoi.in

## শুভেচ্ছাবাণী

দিনাংকঃ ২০-০১-২০২০

গোলাঘাট বাণিজ্য মহাবিদ্যালয় ছাত্ৰ একতা সভাই মহাবিদ্যালয়খনিৰ বাৰ্যিক মুখপত্ৰ **'জ্যোতিষ্মান'** প্ৰকাশ কৰিবলৈ লোৱা বুলি জানি মই অতি আনন্দিত হৈছো।

প্ৰকাশ কৰিবলৈ লোৱা মুখপত্ৰ খনি তথ্য সমৃদ্ধ, মননশীল হৈ সমাজৰ সকলো স্তৰৰ ব্যক্তিৰ সমাদৰ লাভ কৰিব আৰু অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ঐক্য আৰু ভাতৃত্বৰ এনাজৰীডাল আৰু সুদৃঢ় কৰিব বুলি মোৰ দৃঢ় বিশ্বাস।

মহাবিদ্যালয়খনিৰ সকলো ছাত্ৰ- ছাত্ৰী তথা বিষয়ববীয়ালৈ মোৰ আন্তৰিক শুভকামনা জনোৱাৰ লগতে মুখপত্ৰ খনিৰ সৰ্বাত্মক সফলতা কামনা কৰিলো।

**(গৌৰৱ গগৈ)**
সাংসদ,
কলিয়াবৰ লোকসভা সমষ্টি, অসম

# MESSAGE
## FROM THE PRINCIPAL'S DESK

"Great things are done by a series of small things."

–**Vincent Van Gogh**

My heartiest wishes to the Secretary and Editorial board of our college magazine '**Jyotishman**' on the eve of it's release. I feel proud and delighted to witness the literary culture of Golaghat Commerce College unfold through the publication of the latest issue of the magazine.



I firmly believe that '**Jyotishman**' would cater all the hopes and aspirations of the entire family of Golaghat Commerce College. As has been said by the famous painter Vincent Van Gogh, each and every piece of writings in the magazine will glorify the college and take it towards it's desired academic goal.

With thanks –

**(Anup Kr. Das)**
Principal i.c.



অধ্যক্ষ
শ্ৰীযুত অনুপ কুমাৰ দাস



মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ একাংশ



মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ




গ্ৰন্থাগাৰৰ কৰ্মচাৰীবৃন্দ



সম্পাদনা সমিতি

# অনুক্রমণিকা


- ❑ সম্পাদকীয় 13

- ❑ দৃষ্টিপাত
  - ➢ অসমীয়া সংস্কৃতিৰ সংকট আৰু আমাৰ কৰণীয় ✍ *অংকিতা দত্ত* 16
  - ➢ চিৰ চেনেহী মোৰ ভাষা জননী ✍ *লিমি বৰা* 17
  - ➢ অসমীয়াৰ স্বাভিমানৰ প্ৰতীক গামোচা ✍ *গৰিমা ছেত্ৰী* 18
  - ➢ भक्तिकाल: हिन्दी साहित्य का स्वर्णयुग ✍ राजदीप दत्त 19

- ❑ পৰিৱেশ
  - ➢ প্ৰকৃতিবাদ ✍ *দিব্যজ্যোতি ৰাজখোৱা* 22
  - ➢ Plastic A Good Master And A Bad Servant ✍ *Syed Tomzidur Rahman* 23
  - ➢ Enivironmental Crisis and the new Generation ✍ *Mouna Rani Dey* 24
  - ➢ अमेजनः तब और अब ✍ *प्रियम्बदा चुतीया* 25

- ❑ সমাজ
  - ➢ যুৱ উচ্ছৃংখলতা, উচ্চ শিক্ষা আৰু নৈতিকতা ✍ *অনুপল গোস্বামী* 26
  - ➢ ডাইনী ✍ *মনোজ শইকীয়া* 28
  - ➢ Drug Addiction ✍ *Uttam Hazarika* 29
  - ➢ Raise Voice Against Child labour ✍ *Pritam Mazumdar* 30
  - ➢ যৌতুক প্ৰথা ✍ *গৰিমা ছেত্ৰী* 31

- ❑ চিন্তন
  - ➢ Ecocriticism and Literary Studies : Between Nature and Culture ✍ *Munu Baa* 33

# অনুক্ৰমণিকা


- পৰ্যটন
  - Arunachal Pradesh: The Land of Rising Sun ✍ *Sneha Baksi* 35

- সমালোচনা
  - Review Padman ✍ *Rohit Sahu* 36
  - Review of the film- Village Rockstars ✍ *Nayan Jyoti Tanti* 37

- মহান ব্যক্তিত্ব
  - স্বামী বিবেকানন্দ আৰু তেওঁৰ বক্তব্য ✍ *কাকুমণি কটকী* 38
  - An Appreciation only : Abhijit Banerjee, Esther Duflo, Michael Kremer ✍ *Atul Kumar Das* 40





- জীৱনী
  - মহান সংগীতজ্ঞ পণ্ডিত বিষ্ণু দিগম্বৰ পলুস্কৰ ✍ *অনিৰুদ্ধ বৰা* 44
  - मुक्तिबोध : जीवन परिचय एवं रचना संसार ✍ *रिमकिम पल* 46
  - ज्ञान और एकता के गुरु श्रीमंत शंकरदेव ✍ *निशा शारु* 49

- কথাশিল্প
  - অভিনৰ প্ৰতিবাদ ✍ *অমিয়া বৰা* 51
  - ভগা সপোনৰ উচুপনি ✍ *বন্যা হাজৰিকা* 53
  - হেমধৰ মাষ্টৰৰ ডায়েৰী ✍ *ফণীধৰ শইকীয়া* 56





- কথোপকথন
  - গোলাঘাট কৰ্মাচ কলেজৰ আলোচনী সম্পাদকৰ সৈতে সাহিত্য অকাডেমিৰ শিশু সাহিত্য বঁটা বিজয়ী স্বামিম নাছৰিনৰ সাক্ষাৎকাৰ 59

# অনুক্ৰমণিকা

## ❑ অনুভৱ গদ্য আৰু অন্যান্য


- সাম্প্ৰতিক সময়ত নাৰী স্বাধীনতাৰ প্ৰশ্ন ✍ *মাধুৰ্য্য কলিতা* 64
- Friendship Fun ✍ *Bishal Sarkar* 66
- FINDING HER VOICE : An Acid Attack Victim Fights Back ✍ *Bibek Tanti* 68
- নাগৰিকত্ব সংশোধনী বিধেয়ক-২০১৬ ✍ *ৰাজশ্ৰী শইকীয়া* 70
- Dream : Stepping stone to success ✍ *Priyambada Chutia* 72


## ❑ হাস্যৰস




- Riddles ✍ *Rohit Sahu* 73
- Time to Laugh ✍ *Rohit Sahu* 74
- কৌতুক ✍ *প্ৰণামী কাশ্যপ দাস* 75


## ❑ ছন্দশিল্প




- সংঘাতময় জীৱন ✍ *মনোজ শইকীয়া* 76
- মহাত্মা গান্ধী ✍ *মম্পী বৰা* 77
- শিক্ষাগুৰু আৰু আমাৰ বিদ্যালয় ✍ *ৰিম্পী ৰয়* 78
- আমাৰ সপোন ✍ *পূজা প্ৰধান* 79
- সপোন ✍ *দেৱাশীষ সাহা* 80
- মা ✍ *বিশ্বজিৎ বৰা* 81
- উপলব্ধি ✍ *ৰীমাৰেখা বুঢ়াগোহাঁই* 82
- পাহৰি গ'লো - পাহৰি গ'লো ✍ *ৰাহুল চৌধুৰী* 83
- আমাজনৰ উচুপনি ✍ *প্ৰিয়ংকনা গোস্বামী* 84
- ঐশ্বৰিক ✍ *দিব্যজ্যোতি ৰাজখোৱা* 85
- এক ভ্ৰান্ত ধাৰণা ✍ *অভিজিত শইকীয়া* 86
- তয়ো লাচিত হ' ✍ *বিশ্বজিত বৰা* 87
- জাগা অসমীয়া জাগা ✍ *প্ৰণামী কাশ্যপ দাস* 87
- নিঃশেষ মোৰ সপোন ✍ *অমৰজিৎ কটকী* 88
- কানাইৰ সুৰ ✍ *কাকুমণি কটকী* 89

# অনুক্ৰমণিকা


- আমি অসমীয়া ✍ *শ্বাকীল হাচান* 90
- The Painful voice of a girl ✍ *Susmita Deb* 91
- Moments became memories ✍ *Susmita Deb* 93
- Towards a Green World ✍ *Kaushik Sahu* 95
- Northeast India ✍ *Joseph Dhanuar* 96
- Widow ✍ *Anuswari Maheswari* 97
- Misfortune ✍ *Shakil Hasan* 98
- Dream ✍ *Nandini Gupta* 98
- My Mom ✍ *Silpi Gogoi* 99
- College Life ✍ *Muskan Gupta* 100
- A Valuable Drop ✍ *Diganta B. Kalita* 101
- A Visit to Darjeeling ✍ *Susmita Deb* 102
- दीपक ✍ *विशाखा पावान* 104
- धरती माँ ✍ *अंकिता गुप्ता* 104
- मैं दीपक हूँ ✍ *पंकज प्रजापती* 105
- स्वच्छता का नारा ✍ *प्रिया काश्यप* 106
- सपना ✍ *बर्णाली शाहु* 107



- ❑ প্ৰতিবেদন .................................................. 108
- ❑ স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণীত উত্তীৰ্ণৰ একাংশ .................................................. 121

## ❑ সম্পাদকীয়



# নতুন পোহৰৰ সন্ধানত...



সময়ৰ সোঁতত পৰিবৰ্তনৰ সাজ সকলোৱেই পৰিধান কৰাটো সংসাৰৰ নিয়ম। প্ৰতিটো পৰিবৰ্তনকে ইতিবাচক মনোভাৱেৰে আঁকোৱালি ল'লে কল্যাণ হয়। আমাৰ জীৱনটোত সময়ে সময়ে পৰিবৰ্তনৰ স্ৰোত বয়। শৈশৱৰ পৰা কৈশোৰ, কৈশোৰৰ পৰা যৌৱন, যৌৱনৰ পৰা বৃদ্ধাৱস্থালৈকে কেইবাটাও স্তৰত পৰিবৰ্তন ঘটে। শৈশৱ, কৈশোৰ, যৌৱন এই তিনিটা স্তৰত জীৱনৰ বাস্তৱবোৰ আঁকোৱালি লওঁতে আৰু বুজি পাওঁতে বিভিন্ন জনে ভিন্ন ভিন্ন সমস্যাৰ সন্মুখীন হয়। কিছুমানে সমস্যাবোৰৰ সমাধান বিচাৰিবলৈ সক্ষম হয় আৰু বহুতেই হতাশাৰ চিকাৰ হয়। কেতিয়াবা হতাশাগ্ৰস্ততাই হৈ পৰে জীৱনৰ বিনাশী কাল।

জীৱনটো বহুত ধুনীয়া, কিন্তু অনিশ্চয়তাৰে পৰিপূৰ্ণ। জীৱনৰ সুন্দৰতা উপভোগ কৰিবলৈ প্ৰয়োজন হয় সুস্থ মানসিকতাৰ আৰু এই মানসিকতা গঢ় ল'বলৈ আৱশ্যক হয় এটি ধনাত্মক চিন্তা-ধাৰাৰে গঢ়ি উঠা নিকা পৰিৱেশ। এটি ঘৰ সাঁজিবলৈ যিদৰে প্ৰথমে ভেঁটি গঢ়িব লাগে, ঠিক তেনেদৰে জীৱনটোক সুন্দৰভাৱে গঢ়িবলৈ এটি শিশুৰ সৰুৰে পৰাই ইতিবাচক ধাৰণাৰ মাজেৰে জীৱনৰ দীঘলীয়া বাটটিৰ দিশে আগুৱাই যাবৰ বাবে সাজু কৰি তুলিব লাগে। শিশু কোমল মনটো প্ৰতিটো কথাই ভাঁজ লৈ লয়। সেয়েহে নিজৰ ভৱিষ্যৎ প্ৰজন্মক এটি নিকা আৰু সবল পৰিবেশ প্ৰদান কৰাটো আমাৰ কৰ্তব্য।

নতুন পোহৰৰ সন্ধানত...

সময়ৰ মেৰপাকত আমি ইমানেই যান্ত্রিক হৈ পৰিছোঁ যে নিজৰ স্বকীয় প্রতিভা, সৃজনীশীলতা লাহে লাহে হেৰুৱাবলৈ ধৰিছোঁ। আমি যে জীৱশ্ৰেষ্ঠ মানুহ সেই কথাও পাহৰিব ধৰিছো। প্রযুক্তিৰ সহায়ৰ অবিহনে যে আজি আমি অচল। মোবাইল নহ'লেই নহয়, গেম নেখেলিলে টোপনিয়েই নাহে ইত্যাদি। কথাবোৰ ক'বলৈও আমি লজ্জাবোধ নকৰোঁ। আমি অন্ধকাৰৰ দিশে দ্রুতগতিত আগুৱাই গৈছো অথচ আমি এই বিষয়ে জ্ঞাত। আমি আমাৰ মাজত মানসিক ৰোগে গা কৰি উঠিছে, কাৰণ আমি যান্ত্রিকতাৰ আমেজ লওঁতে লওঁতে পাহৰিয়েই গৈছো প্ৰকৃতিৰ সৌন্দর্য উপভোগ কৰিবলৈ।

**'যুৱ শক্তিয়েই দেশৰ ভৱিষ্যৎ'**—এই কথাযাৰে মনত এতিয়া প্ৰশ্নৰ জোঁৱাৰ তোলে। সমসাময়িক পৰিস্থিতিলৈ যদি চাওঁ আমি সততে যুৱ চামৰ মাজত হতাশা আৰু নিৰাশাৰ প্ৰকোপ দেখিবলৈ পাওঁ। আমাৰ নৱপ্রজন্মৰ মাজত বিশ্বাস আৰু সাহস দুৰ্বল হৈ পৰিছে। ক'ৰণা মহামাৰীৰ বাবে হঠাতে সকলো স্তব্ধ হৈ পৰিল। তলাবন্ধ হৈ যোৱাৰ বাবে দেশৰ আধাতকৈও বেছি লোকৰ জীৱিকাৰ যৱনিকা পৰিল, বহুতো ছাত্র-ছাত্রীৰ জীৱনৰ গুৰুত্বপূৰ্ণ পৰীক্ষাও তলাবন্ধৰ কবলত বাতিল হ'ল, সপোনবোৰ সপোন হৈয়ে ৰ'ল। বহুজনেই হেৰুৱাবলগীয়া গ'ল আত্মীয়জনক। জীৱনটো এনেকুৱাই। কেতিয়া কি ঘটে কোনেও নাজানে। একেবিধ আঞ্জা একেবাহে খালে যিদৰে আমুৱাই ঠিক তেনেদৰে কেৱল সুখেৰে জীৱনৰো কোনো আমেজ নাই। কিন্তু আমাৰ মনবোৰ ইমান দুৰ্বল যে দুখৰ নাম শুনিলেই অজুহাত বিচাৰি হাবাথুৰি খাওঁ।

**'কালৰ বিৰুদ্ধে সংগ্রাম কৰাটোৱেই জীৱন।'**

**—জৱাহৰলাল নেহৰু**

মানুহ সর্বগুণ সম্পন্ন, ভগৱানৰ শ্ৰেষ্ঠ সৃষ্টি। মানুহৰ ভিতৰত অজস্ৰ প্ৰতিভা থাকে। জীৱিকাৰ এটা পথ যদি বন্ধ হয় আন দহটা পথ মুকলি কৰাৰ ক্ষমতা আৰু সামৰ্থ প্ৰত্যেকৰ মাজত থাকে। সপোনবোৰ বাস্তৱায়িত কৰিবলৈ নিৰন্তৰ অহোপুৰুষাৰ্থ কৰি গ'লে কোনো তলাবন্ধই ৰখাব নোৱাৰে। আশা হেৰুৱাব লাগে কাৰণ প্ৰতিটো গভীৰ নিশাৰ অন্ধকাৰ নিঃশেষ কৰিবলৈ প্ৰতিটো প্ৰভাততে সূৰ্যোদয় হয়। আপোনজনক হেৰুৱাৰ বেদনা অবৰ্ণনীয় কিন্তু সেইজনৰ আত্মাৰ সদ্গতিৰ হকে কামনা কৰি আমি আমাৰ জীৱনত তেওঁলোকক চিৰযুগমীয়া কৰি আগুৱাই যোৱাটোহে উচিত। মানসিকভাৱে ভাগি পৰাটো অনুচিত। প্ৰতিটো পৰিৱৰ্তনতে নতুনত্ব থাকে, বিচাৰিব জনাটোহে আচল কথা। জীৱনটো উপভোগ কৰিবলৈ হ'লে আদৰ্শৰ লাইখুটা দৃঢ়ভাৱে

গঢ়িবৈ লাগিব, য'ত বাস্তৱৰ তিক্ততা সহিব পৰা সাহস, শিষ্টাচাৰ, মৌৰস, সত্যবাদিতা, পোহৰ আৰু কৰ্মোদ্যমীতাৰ সুবাস ভৰি থাকে।

আজি আমাৰ দেশৰ বৰ্তমানেই বিপদসংকুল অৱস্থাত, ভৱিষ্যতৰ পৰিকল্পনা কৰাটোও কঠিন হৈ পৰিছে। এক সমীক্ষা মতে ভাৰতবৰ্ষত বিগত তিনি-চাৰিমাহত ৩০০ৰো অধিক লোকে আত্মহত্যা কৰিছে। ইয়াৰে প্ৰায়ভাগেই হতাশাগ্ৰস্ততাৰ চিকাৰ হৈছে আৰু বহুতেই মহামাৰীৰ ৰোষত পৰাৰ ভয়ত, জীৱিকাবিহীন হোৱাৰ বাবে এই পথ বাচি লৈছে। অকলশৰীয়া অনুভৱ কৰি হতাশ হৈ জীৱনৰ যৱনিকা পেলোৱাটো সমাধান হ'বই নোৱাৰে কাৰণ এই পৃথিৱীত আমাক নিজতকৈ বেছি আন কোনোৱে বুজিব নোৱাৰে। আমি পৃথিৱীলৈ আহিছোঁ অকলেই, যাবও লাগিব অকলেই। তেনেহ'লে নিজক নিজেই গুৰুত্বহীন কৰি অকলশৰীয়া অনুভৱ কৰাৰ কোনো প্ৰশ্নই নাহে। আমাৰ কিশোৰ-কিশোৰীসকলৰ মাজত নিজৰ কল্যাণৰ ভাব গঢ়াৰ যি মনোভাৱ সেয়া যথেষ্ট কম পৰিমাণে বিকাশ হৈছে বুলি ক'ব পাৰি। যিহেতু অভিভাৱকে হিতৰ বাবে দিয়া বাধাবোৰক ঋণাত্মকভাৱে লৈ আত্মহননৰ পথো বহুতেই বাচি লোৱাৰ উপক্ৰম ঘটিছে। যদি এটা যন্ত্ৰক, এটা খেলক জীৱনতকৈয়ো মূল্যবান বুলি মান্যতা দিওঁ, আমি যুৱ সমাজে দেশৰ ভৱিষ্যৎ গঢ়িম কিদৰে? জীৱনত বাধাৰ সন্মুখীন হোৱাৰ ভয়ত, অন্ধকাৰৰ মাজেদি পাৰ হোৱাৰ ভয়ত যদি ইমান মূল্যবান সুন্দৰ জীৱনটোকে এলাগি কৰি পেলাওঁ, মানুহ বুলি পৰিচয় দিম কেনেকৈ? এনেবোৰ অন্ধকাৰময় দুৰ্বল মানসিকতাক ইতিবাচক চিন্তাৰ পোহৰেৰে জিলিকাবলৈ শিকিব লাগিব। সুস্থ মানসিকতাৰ অধিকাৰী হোৱাটো আমাৰ গৌৰৱ আৰু এই গৌৰৱৰ অধিকাৰী আমি নিজেহে নিজক কৰিব পাৰোঁ।

আমি জীৱনে দিয়া প্ৰত্যাহ্বানবোৰক অতিক্ৰম কৰিবই লাগিব। **'জীৱনৰ অধীন আমি নহয়, জীৱনহে আমাৰ অধীন'**—এই কথাকে মূলমন্ত্ৰ হিচাপে লৈ আমি যুৱ সমাজে নতুনত্বৰ সন্ধানত জীৱনে আমাৰ বাবে আগবঢ়োৱা প্ৰতিটো ঘাত-প্ৰতিঘাত পাৰ কৰি নতুন ভৱিষ্যৎ সজোৱাৰ সবল ভেঁটি গঢ়িব লাগিব। আশাৰ সঞ্জীৱনী ঢালি প্ৰতিটো নিৰাশাক উজ্জীৱিত কৰি সময়ৰ আহ্বানত আমাৰ মাজলৈ অহা পৰিৱৰ্তনবোৰক সকাৰাত্মক দৃষ্টিভংগীৰে গ্ৰহণ কৰিব লাগিব। জীৱনৰ সৌন্দৰ্য উপভোগ কৰিবলৈ নিজকে সাজু কৰাটোহে মানুহৰ গৌৰৱ।

**'জীৱন মৃত্যুতকৈ শ্ৰেষ্ঠ, ই নিৰাশা নহয় আশা।'**—ভলটেয়াৰ

ধন্যবাদেৰে—

জাফ্ৰিনা আহমেদ
সম্পাদক, 'জ্যোতিষ্মান'

নতুন পোহৰৰ সন্ধানত...

# অসমীয়া সংস্কৃতিৰ সংকট আৰু আমাৰ কৰণীয়

✍ অংকিতা দত্ত

অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ বুকুত প্ৰাচীন কালৰে পৰা বৰ্তমানলৈকে এক নিৰৱচ্ছিন্ন সমন্বয়ৰ সুৰ ধ্বনিত হৈ আহিছে। সময়ে বাগৰ সলাইছে, যুগ হৈছে নতুনৰ। পুৰণিৰ বোকোচাত নতুনৰ ন ৰূপ সাঁজিছে। এই নতুনৰ বৃহৎ সমন্বয়ত সৃষ্টি হৈছে অসমীয়া জাতি, অসমীয়া সংস্কৃতি। নানা জাতি-জনজাতিৰ সমন্বয়ৰ স্থলী অসম যেন এডাল বাৰেৰহণীয়া সূতাৰে গাঁঠি থোৱা বিবিধ ৰঙৰ ফুলৰ মালা। আজিৰ অসমীয়া সংস্কৃতি বহু জাতি-জনগোষ্ঠীৰ সমন্বয়ত সৃষ্টি হোৱা এক বৃহৎ সংস্কৃতি। বহু যুগৰ ক্ৰমবিকাশৰ ফলত আজিৰ এই অসমীয়া সংস্কৃতিৰ সৃষ্টি হৈছে। সেয়েহে অসমীয়া জাতি আৰু সংস্কৃতি হাজাৰ বছৰৰ সাধনাৰ পৰিপুষ্ট সমল বুলি ক'ব পাৰি। এটা জাতি জীয়াই থাকিবলৈ এক নিজৰ ভাষা তথা সেই ভাষাৰ স্বকীয়তা থাকিব লাগিব যিটো অসমীয়া ভাষাৰ ক্ষেত্ৰত দেখা যায়। অসমত অসমীয়া ভাষাৰ আদৰ আছে। অসমৰ ভিন্ন ভিন্ন জনগোষ্ঠী তথা ধৰ্ম নিৰ্বিশেষে সকলোৱে অসমীয়া ভাষাৰ ভাব বিনিময়ৰ মাধ্যম ৰূপে গ্ৰহণ কৰি অহা পৰিলক্ষিত হৈছে।

কিন্তু অতীতৰে পৰা বৈ অহা এই সংস্কৃতিৰ সমন্বয় সম্প্ৰতি খহি পৰা উপক্ৰম হৈছে। অসমৰ ভিন ভিন জনগোষ্ঠীৰ মাজত সাম্প্ৰদায়িকতাৰ ভাব যেন কোনো অশুভ শক্তিয়ে সিঁচি দিছে। যাৰ ফলত জাতিটোৰ মাজত কিছু ভাঙোন অহা দেখা পোৱা গৈছে। সাম্প্ৰতিক অসমৰ ৰাজনৈতিক পৰিস্থিতিয়েও যেন বিভেদকামী শক্তি বিলাকক উদ্‌গনি যোগাইছে। এনে পৰিস্থিতিৰ মাজত অসমীয়া জাতি এক গভীৰ সংকটৰ সন্মুখীন হৈছে। জাতিৰ এই সংকটপূৰ্ণ মুহূৰ্তত আমি সকলোৱে যদি দুষ্কৃতিৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হওঁ তেন্তে নিশ্চয় আমাৰ অসমীয়া সংস্কৃতিৰ নিজস্বতা তথা অসমৰ সুৰদী সুৰীয়া অসমীয়া ভাষাটোক সুৰক্ষিত কৰি ৰাখিব পাৰিম বুলি আমি আশাবাদী।

□□□

# চিৰ চেনেহী মোৰ ভাষা জননী

✍ লিমি বৰা
চতুৰ্থ যান্মাসিক, বাণিজ্য শাখা

অসম কন্যা মই । শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱৰ দেশৰ কন্যা মই। বীৰ লাচিত, চাওলুং চুকাফাৰ দেশৰ কন্যা মই। আই মূলাগাভৰু, কনকলতা শ্বহীদ কুশল কোঁৱৰৰ দেশৰ কন্যা মই। আৰু বহু বীৰ শ্বহীদৰ ত্যাগ আৰু পৰিশ্ৰমেৰে গঢ়ি উঠা ৰূপহী অসমৰ জীয়ৰী মই।

বিদ্ৰোহ দেখা নাছিলো, মাথোঁ পঢ়িছিলো বুৰঞ্জীৰ বিৱৰণীত। সময় সলনি হৈছে। জাতীয় চেতনাবোধ আৰু আৱেগ আজিও একেই। আজিও আই মাতৃৰ সৈতে অন্যায় কৰা সকলৰ বিৰুদ্ধে মাত মাতিবলৈ কুণ্ঠাবোধ নকৰোঁ, আমাৰ অধিকাৰৰ হকে মতাৰ আগতে দুনাই নাভাবো।

এই কাহিনী অকল মোৰেই নহয়, অসমৰ প্ৰত্যেক জন সন্তান, প্ৰত্যেক গৰাকী কন্যাৰ কাহিনী, আমি ঐক্য আৰু এই ঐকতাই আমাৰ শক্তি। আজিৰ এই কলা সময়খিনিত প্ৰত্যেকজন ব্যক্তি যি আগবাঢ়ি আহিছে, আমাৰ হকে মাত মাতিছে, আমাৰ অস্তিত্ব ৰক্ষাৰ বাবে দিনে ৰাতিয়ে যুঁজিছে আৰু যি কেইগৰাকী মহান ব্যক্তি শ্বহীদ হৈছে সেই বীৰ আৰু বীৰাংগনাক মই প্ৰণিপাত জনাইছো।

"জয় আই অসম"

□□□

# অসমীয়াৰ স্বাভিমানৰ প্ৰতীক গামোচা

✍ গৰিমা ছেত্ৰী

জহা চাউল আৰু কোমল চাউলে লাভ কৰিছে ভৌগোলিক পৰিচয়। ই অসমৰ বাবে এটা সুখবৰ। অসমীয়াৰ স্বাভিমানৰ অন্যতম প্ৰতীক গামোচাৰ লগতে সুস্বাদু আহাৰ চকোৱা চাউলে (কোমল চাউল) লাভ কৰিলে ভৌগোলিক পৰিচয়। জিঅ' গ্ৰাফিকেল ইণ্ডিকেশ্যন বা জি আই টেগ হিচাপে সৰ্বজনবিদিত এই পৰিচয়ে একোটা স্থানৰ নিৰ্দিষ্ট সম্পদৰ মূল অধিকাৰৰ লগতে তাৰ গুণগত মান আৰু সু নামক স্বীকৃতি প্ৰদান কৰে। ইনটেলেক্‌চ্যুৱেল প্ৰ'পাৰ্টি ইণ্ডিয়াই (আই পি আই) প্ৰদান কৰে এই স্বীকৃতি।

শেহতীয়াকৈ প্ৰকাশ পোৱা ১২৪ সংখ্যক জিঅ'গ্ৰাফিকেল ইণ্ডিকেশ্যন জাৰ্নেলত অসমৰ এই দুবিধ সম্পদক ভৌগোলিক পৰিচয়ৰ স্বীকৃতি দিয়া বুলি প্ৰকাশ পাইছে। আই পি আয়ে গামোচাৰ জি আই স্বীকৃতি প্ৰদান কৰি গামোচাক অসমৰ সংস্কৃতিৰ প্ৰতীক আখ্যা দিয়ে। লগতে এই সম্পদে অসমৰ কৃষি, প্ৰকৃতি আৰু উৎপাদিত সামগ্ৰীৰ ক্ষেত্ৰতো পৰিচয় বহন কৰে বুলি উল্লেখ কৰি জাৰ্নেলখনত গামোচাখন অসমীয়া সমাজত ভালপোৱা, শ্ৰদ্ধা-সন্মান আৰু আন্তৰিকতাৰ প্ৰতীক বুলি প্ৰকাশ কৰে।

লক্ষ্যণীয় যে গামোচাৰ জি আই স্বীকৃতি বিচাৰি আবেদন কৰিছিল গোলাঘাটৰ হস্তশিল্প উন্নয়ন প্ৰতিষ্ঠানে। আনহাতে, অসমত কোমল চাউল নামেৰে জনপ্ৰিয় চকোৱা চাউলেও জি আই স্বীকৃতি লাভ কৰিছে। শিৱসাগৰ জিলাৰ সেউজ সতীৰ্থ নামৰ এটা সংস্থাই জলপান হিচাপে ব্যৱহাৰ কৰা এই বিধ চাউলৰ ভৌগোলিক অধিকাৰ বিচাৰি আবেদন কৰিছিল। তিনিচুকীয়া, ধেমাজি, লখিমপুৰ, শিৱসাগৰ,যোৰহাট, গোলাঘাটৰ আদি উজনি অসমৰ কেইখনমান নিৰ্দিষ্ট জিলাতহে উৎপাদন হোৱা এই চাউল কৃষকৰ বাবে পাহৰিব নোৱাৰা এটা ঘৰুৱা প্ৰয়োজন আখ্যা দিছে জি আই জাৰ্নেলত।

এই চাউল সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানসমূহত ব্যৱহাৰ কৰাৰ উপৰি অসমৰ গ্ৰামাঞ্চলৰ জনসাধাৰণৰ দৈনন্দিন ব্যৱহাৰ্য পুৱাৰ জলপান বুলিও জাৰ্নেলখনত প্ৰকাশ কৰা হৈছে। উল্লেখযোগ্য যে অসমৰ বোকা চাউল, মুগা, জহা চাউল আৰু তেজপুৰৰ লিচু আদি কেইবিধমান নিৰ্দিষ্ট সম্পদহে ভৌগোলিক অধিকাৰ বা জি আই স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল।

□□□

# भक्तिकाल: हिन्दी साहित्य का स्वर्णयुग

✍ राजदीप दत्त
बी. ए. चतुर्थ षान्मासिक

हिन्दी साहित्य में भक्तिकाल का अन्यतम स्थान है। भक्तिकालीन काव्य पद्मावत, सुरसागर, रामचरित मानस, तथा कबीर के पदों एवं साखियों में असंख्य मणि रत्न बिखरे हुए हैं। रामचरित मानस, आर्य संस्कृति का प्रकाश-स्तम्भ है। सूरसागर वात्सल्य एवं श्रृंगार रस का सागर है। पद्मावत में प्रेम का माधुर्य और कबीर के पदों में गूढ़ रहस्यात्मकता का भण्डार है। काव्य-सौष्ठव, पद-लालित्य एवं अलंकृति से परिपूर्ण भक्तिकाल निश्चय ही स्वर्णयुग की याद दिला देता है। डां. श्यामसुन्दर दास ने ठीक ही कहा है - "जिस युग में कबीर, जायसी, सूर, तुलसी जैसे सुप्रसिद्ध कवियों और महात्माओं की दिव्यवाणी अंतःकरण से निकलक देश के कोने-कोने में फैली थी, उसे साहित्य के इतिहास में सामान्यतः भक्तियुग कहते हैं। निस्वय ही वह हिन्दी साहित्य का स्वर्णयुग था।"

भक्तिकालीन कवियों ने अपनी वाणी की जो त्रिवेणी प्रवाहित की, उसमें आज तक मानव-समाज अवगाहन करता आया है। कबीर, सूर, तुलसी की कविताओं में जीवन की गहराई की स्पष्टता को देखते हुए ही किसी कवि ने कहा है -

तत्व-तत्व सुरा कही, तुलसी कही अनुठी।
बची-खुची कबीरा कही, और कही सो झुठी।।

इस प्रकार भक्तिकाल का काव्य कुछ ऐसी विशेषतायें रखता है जो अन्य कालों की काव्य धारा में स्पष्ट नहीं होती। वे विशेषताएँ निम्नलिखित हैं -

(१) **उच्चकोटि के काव्य दर्शन** - भक्तिकाल में उच्चकोटि के काव्य दर्शन होते हैं। सूर की कविता का वैशिष्टय श्रृंगार और वात्सल्य के वर्णन में है। बालकों की स्वाभाविक चेष्टाओं की व्यंजना में सूर का काव्य-शिल्प अद्वितीय है। विश्व साहित्य में कोई भी ऐसा कवि या लेखक नही, जो बाल-मनोविज्ञान में सूर का मुकाबला कर सके। हाथ और मुख में माखन लगाये, घुटनों के बल सरकते हुए माखन चोर का यह दृश्य मन को मुग्ध कर देता है-

सोभित कर नवनीत लिए।
घुटरुन चलत रेनु तन मंडित, मुख दधि लेप किए।।

# साहित्य

दाऊ के चिढ़ाने पर नटखट कृष्ण चिढ़ उठते हैं। माँ यशोदा के पास उलाहना लेकर जाते हैं -

मैया मोहि दाऊ बहुत खिझायौ।
मों सो कहत मोल को लीन्हों तौ -
जसुमति कब जायौ।।

सूर के इसी वात्सल्य वर्णन से चमत्कृत होकर पं. रामनरेश त्रिपाठी ने लिखा हैं - "वात्सल्य रस में सूर के समान कोई कवि न तो हुआ न होगा।" आचार्य शुक्लके अनुसार - "वात्सल्य और श्रृंगान के क्षेत्रों का जितना उद्घाटन सूर ने अपनी बंद आँखों से किया उतना अन्य कवियों ने नहीं। इन क्षेत्रों का कोना-कोना वे झाँक आये हैं।"

'भ्रमरगीत सार' में गोपियों की वचनमवक्रता और वाग्विदग्धता सूर की काव्य-प्रतिभा के सजीव उदाहरण है। कृष्ण की विरह वेदना में झुलसी हुई गोपियों को वृन्दावन के उपवनों का हरापन अच्छा नहीं लगता -

मधुबन तुम कत रहत हरे।
बिरह बियोग श्यामसुन्दर के ठाढ़े क्यों न जरे?

सूर की इन्हीं काव्य प्रतिभाओं से प्रेरित हो तानसेन ने कहा है -

किधौँ सूर को सर लग्यौ, किधौं सूर को पीर।
किधाँ सूर को पद लग्यौ, बैध्यौ सकल शरीर।।

कवि शिरोमणि गोस्वामी तुलसीदास का भक्तिकालीन कवियों में अद्वितीय स्थान है। उनके प्रादुर्भाव को हिन्दी काव्य क्षेत्र में एक चमत्कार माना गया है। आचार्य शुक्ल के अनुसार - "गोस्वामी जी के प्रादुर्भाव को हिन्दी काव्य के क्षेत्र में एक चमत्कार समझना चाहिए। हिन्दी काव्य-शक्ति का पूर्ण प्रसार उनकी रचनाओं में ही सर्वप्रथम दिखलाई पड़ा"। डा. ग्रियर्सन ने गोस्वामी तुलसीदास को गौतम बुद्ध के बाद भारत का सबसे बड़ा लोकनायक कहा है। सूर का काव्य यदि सुन्दरम से पूर्ण हौ तो गोस्वामी जी का शिवम् से। यद्यपि उन्होंने अपनी रचना को 'स्वान्तः सुखाय' माना है, फिर भी वह 'सुरसरि सम' सर्व मंगला बन गयी है। तुलसी के राम शक्ति, शील और सौन्दर्य से युक्त एक आदर्श एवं मर्यादावादी पुरुष के प्रतीक हैं। वे अत्याचारियों के विनाशक एवं सत्ववादियों, न्यायियों के उद्धारक हैं।

भाव, भाषा और शिल्प तीनों दृष्टियों से तुलसीदास की कविता सर्वश्रेष्ठ है। उन्होंने अपने युग में प्रचलित सभी शौलियों का प्रयोग किया है।

सूर, तुलसी के समान ही कबीर दास की वाणियों में भी अनमोल रत्न बिखरे मिलते हैं। वे एक क्रांतिकारी कवि थे। धार्मिक बाह्माडम्बरो एवं रूढ़ियों के खिलाफ हिन्दु-मुस्लिम दोनों सम्प्रदायों के साथ उनका विरोध चलता रहा। यद्यपि वे पढ़े-लिखे नहीं

थे, फिर भी उनकी वाणियों में सनातन कवित्व का श्रृंगार पाया जाता है। डां हजारी प्रसाद द्विवेदी के शब्दों में - "कबीर मस्तमौला थे। जो कुछ कहते थे साफ-साफ कहते थे जो मौज में आकर रुपक और अन्योक्तियों पर उतर आते थे तब जो कुछ कहते थे वह सनातन कवित्व का श्रृंगार होता था।"

इसी प्रकार जायसी ने 'पद्मावत' जैसे प्रबन्ध काव्य की रचना कर जन सुलभ प्रेम भक्ति का मार्ग तो खोल ही दिया, भाषा-भाव शैली के क्षेत्र में अद्‌भुत मार्गदर्शन किया।

(२) **धर्म की व्यापक दृष्टि** : इन कवियों की दृष्टि इतनी व्यापक थी कि छुआ-छूत, जाति-पाँति का भेदभाव हटाकर इन लोगों ने सबके लिये भक्ति का द्वार खोल दिया। जायसी ने मुसलमान होकर भी हिन्दु घरों की परम्पराओं को अपने काव्य का आधार बनाया। यद्यपि इस युग में धर्म सम्बन्धी सगुण एवं निर्गुण नामक दो धारायें चली परन्तु अंततः इन दोनों का उद्देश्य एक ही रहा है - मोक्ष की प्राप्ति।

(३) **भारतीय संस्कृति के रक्षक** : भक्तिकालीन संत एवं भक्त कवियों ने अपनी रचनाओं द्वारा भारतीय संस्कृति को बरकरार रखा। जिस समय इन भक्तों का प्रादुर्भाव हुआ उस समय मुस्लिम सम्राटों के तहत भारतीय संस्कृति दम तोड़ने लगी थी। ऐसी विषम परिस्थिति में इन भक्त कवियों ने जन-जन के हृदय में भक्ति का संचार कर उन्हें अपनी प्राचीन संस्कृति से अवगत कराया। तुलसीदास ने हिन्दुओं के पुराण ुरुष भगवान राम के मर्यादावादी स्वरुप को भीलों आदि जंगली जातियों के यहाँ ठहरकर उनके दुःख-सुख सुनते हैं। उनका रामचरित मानस केवल काव्य ही नहीं बल्कि मनुष्यता की महिमा का गान है। इसी प्रकार सूर के कृष्ण लोकरंजनकारी रुप लेकर आविर्भुत होते हैं। कबीर ने लोक कल्याण की भावना से जन-जागृति का जो शंख फूँका उससे समस्त भारत झंकृत हो उठा। उन्होंने धर्म के गूढ़ एवं जटिल सिद्धान्तों को सरल भाषा में प्रस्तुत कर उसे जन सुलभ बना दिया।

(५) **समन्वयकारी दृष्टि** : तुलसीदास का 'रामचरित मानस' शुरु से आखिर तक समन्वय का काव्य है। उनकी विशाल समन्वयकारी दृष्टि के कारण ही आचार्य द्विवेदी जी ने कहा है - "आज का समस्त उत्तर भारत गोस्वामी जी का रचा हुआ है। गोस्वामी जी उत्तर भारत के मेरुदण्ड हैं।" कबीर ने हिन्दु-मुस्लिम दोनों की धार्मिक प्रवृत्तियों में समन्वय स्थापित करते हुए दोनों के धार्मित आड़म्बरों की कटु आलोचना की है।

इन कवियों के अतिरिक्त गुरुनानक, दादुदयाल, मीराबाई, रसखान, रैदास तथा अष्टछाप के सभी कवियों का महत्त्वपूर्ण स्थान रहा है। भक्तिकाल की काव्य रचना, उत्कृष्ट विचार, भावों का माधुर्य, भाषा एवं कला पक्ष की प्रौढ़ता एवं काव्य शौलियों के वेविध्य को देखते हुए ही आलोचकों ने इसे 'स्वर्णयुग' की संज्ञा दी है। भक्तिकाल की कविता का उद्देश्य न तो कलाबाजी है न मनोरंजन। इस युग की कविता का संबध जीवन से होना के कारण इसके उद्देश्य भी जीवन के उद्देश्य के समान ही हैं। इन कवियों ने जीवन को अत्यधिक गहराई से देखा है, इसीलिए इनका काव्य महान और शाश्वत है। अतः भक्तिकाल सभी दृष्टियों से हिन्दी साहित्य का स्वर्णयुग और सर्वश्रेष्ठ युग है।

□□□



# প্ৰকৃতিবাদ

✍ **দিব্যজ্যোতি ৰাজখোৱা**
তৃতীয় যান্মাসিক

প্ৰকৃতিবাদ বা পৰিৱেশ নিৰ্ণয়বাদ। যি হ'ল ভূগোল বিজ্ঞানৰ এক অভূতপূৰ্ব মতবাদ বা ধাৰণা। আমি ধাৰণাটোৰ শিৰোনামলৈ লক্ষ্য কৰিলেই বুজি পাম যে, মানুহ বা জীৱৰ জীৱন বৰ্তাবলৈ প্ৰয়োজনীয় যি নিৰ্ণয় বা কায়দা সেই সকলোবোৰ আমাক পৰিবেশে উনুকীয়াই দিয়ে।

মানুহ যিমানেই উন্নয়নমুখী নহওঁক কিয় তাৰ অন্তৰালত প্ৰকৃতিৰ দান অনস্বীকাৰ্য। কিয়নো আমি পুবাৰ পৰা গধুলিলৈকে চাওঁ তেন্তে আমি ব্যৱহাৰ কৰা সকলোবোৰ পণ্য প্ৰকৃতিৰ পৰাই আদায় কৰা যদিও বৰ্তমান নতুন নতুন বৈজ্ঞানিক প্ৰযুক্তিৰ মাধ্যমেৰে বিভিন্ন নিত্য নতুন অত্যাধুনিক কৌশল বা পদাৰ্থ নিৰ্মাণ কৰা হৈছে তথাপিও সেই কৌশলবোৰ সম্ভৱ কৰিছে বাস্তৱত প্ৰকৃতিয়েই। ধৰা হওঁক বিভিন্ন প্ৰযুক্তিক্ষম মেচিন বা ৰবট যি আলাসতে কাৰ্য সম্পাদন কৰিব পাৰে, কিন্তু মেচিন প্ৰস্তুতৰ বাবে আৱশ্যকীয় কেচাঁমাল লোৰ আঁকৰ আমি প্ৰকৃতিৰ পৰাই লাভ কৰিব পাৰিছোঁ। গতিকে এই ক্ষেত্ৰত ক'ব পাৰি যে মানুহ প্ৰকৃতিৰ দান।

বৰ্তমান বহুদেশ উন্নত হ'ব পৰা নাই সেই দেশৰ আৰ্থিক অৱস্থা বা ৰাজনৈতিক সীমান্তৰ বাবে। আৰ্থিক অৱস্থা উন্নত হ'বলৈ সেই দেশখন বিভিন্ন সম্পদত চহকী হ'ব পৰাকৈ বাতাবৰণৰ সৃষ্টি হ'ব লাগিব আৰু আমি জানো যে প্ৰকৃতিয়েই সম্পদৰ ভিত্তি। অন্যহাতে ৰাজনৈতিক কাৰণবশতঃ অৰ্থাৎ নদ-নদীৰ অৱস্থান, পৰ্বত-পাহাৰৰ অৱস্থান ইত্যাদিয়ে দেশৰ প্ৰতিকুল-অনুকুল অৱস্থাকে প্ৰতিপন্ন কৰি দেশৰ ভৌগোলিক আৰু ৰাজনৈতিক ব্যাখ্যা আগবঢ়ায়।

ওপৰত মাত্ৰ কেইটিমান উদাহৰণহে দাঙি ধৰা হৈছে। উপৰোক্ত আলোচনাৰ পৰা আমি মানুহৰ ওপৰত প্ৰকৃতিৰ প্ৰভাৱ যদিও যান্ত্ৰিক হৈও পৰিছে তথাপিও প্ৰকৃতিৰ বাধাক অতিক্ৰম কৰি কোনেও কোনো কৰ্ম বাস্তৱত কৰিব নোৱাৰে।

❑❑❑

# PLASTIC
## A GOOD MASTER AND A BAD SERVANT

**Tomzidur Rahman**
B.A. 1st Semester

The polymer materials available today, especially the plastic are result of decades of evolution. Use of polythene is increasing day by day and it can be seen that polythene is being used in almost



every activity of life. It has been estimated that India's polythene demand is expected to increase by 129% by 2023. With the increasing use of polythene, the pollution level caused by it will also be increased, affecting almost every kind of environment including terrestrial as well as aquatic biome. Plastic Pollution on land passes a threat to the plants and animals including humans who are based on the land.

Chlorinated plastic release harmful chemicals into the surrounding soil, which can seep into underground water or other water sources and also the ecosystem of the world. In 2012, it was estimated that there was approximately 165 million tons of plastic pollution in the world's ocean. Some marine species, such as sea turtles have been found to contain large proportions of plastic in their stomach. Plastic pollution has the potential to poison animals which can adversely affect on human food supplies.

❑❑❑

# ENIVIRONMENTAL CRISIS AND THE NEW GENERATION

**Mouna Rani Dey**
B.A. 2nd Semester



Most people know, the natural world is facing great challenges and degradation, but few know the true extent of the changes and deprivation the environment faces, its all pervasive effects on human and all others life forms on earth. Environmental Crisis has become an issue of great concern in the recent times, global warming is real, destructive and its future impacts defy the imagination. Through our actions, we are destroying habitats and endangering the life of future generation. However, change begins with overcoming the idea that we are too small to make a difference. Beyond the hurdles, the possibilities are endless and the sky is the limit.

Involving school children in environment friendly activities will help them to grow into aware citizens of the planet who can also make a difference to their community. The most exemplary person to translate this wish into reality is Greta Thunberg, who is just a 15 year old school girl of Sweden. She has given up her schooling and has turned into a nature activist, voicing her concern for climate crisis. Infact, she has become a role model for other children who as future citizens of the world are coming out to fight for their right-the right to live in a beautiful world.

□□□



# अमेजनः तब और अब

✍ प्रियम्बदा चुतीया



कभी कार्बन सोखकर ऑक्सीजन पैदा करने वाला अमेजन अब के समय ऑक्सीजन सोखकर कर्बन पैदा कर रहा है। माना जाता है कि धरती पर २० फीषदी ऑक्सीजन अमेजन पैदा करते थे। यहाँ पर ट्रापिकल फॉरेस्ट का चालीस फीषदी दिक्षा मौटे मे मौजुत है। लैकिन अब इस जंगल की साफ करके यहाँ पर मीट इडंस्ड्री व अन्य माल कमाऊ उद्योग खड़ा किया गया है। जंगल साफ करके यहाँ पर जगह जगह आग लगा दी गयी है। इस्से पुरी जमीन साफ हो जाता है। मगर इससे इतना ज्यादा धुँआ ओठ गया की इस धुँए की अंतरीक्ष से भी देखा जा रहा है। इस आग की चपेट में तमाम जीव-जन्तु झुलसकर कोयल ही गए है। अमेजन कभी एक घना जंगल दुआ करता था। यहा पर गगन चुबी पेड़ो के चांदोबे से धरती पर इस प्रकार घक लिया करते थे कि सुरज की रोशनी धरती तक पहुँच पाती थी। वक्त आ गया दै कि हम सोचे इसका परिनाम कया होगा।

□□□



সমাজ

# যুৱ উচ্ছৃংখলতা, উচ্চ শিক্ষা আৰু নৈতিকতা

✍অনুপল গোস্বামী
সহকাৰী অধ্যাপক, বেংকিং বিভাগ

সমাজৰ প্ৰাসংগিকতাৰ ওপৰত লক্ষ্য কৰিলে দেখা পোৱা বিভিন্ন বিষয় আমাৰ চকুত পৰিব। বিভিন্ন বিষয়সমূহৰ মাজৰে অতি প্ৰাসংগিক বিষয় কেইটামান আমাৰ সহজে দৃষ্টিগোচৰ হয়, যুৱ উচ্ছৃংখলতা, উচ্চ শিক্ষা আৰু নৈতিকতা। উক্ত বিষয়কেইটা পৰস্পৰে পৰস্পৰৰ সতে ওতঃপ্ৰোতভাৱে জড়িত, শৃংখলাবদ্ধ যুৱ সমাজে উচ্চ শিক্ষাৰ ক্ষেত্ৰতেই হওক বা নৈতিকতাৰ ক্ষেত্ৰতেই হওক এচোৱা ভাল সময় উপহাৰ দিব পাৰে।

যুৱ চাম উচ্ছৃংখল হোৱাটো আচলতে কোনেও নিবিচাৰে। নিজৰ ভৱিষ্যৎ গঢ় দিয়াৰ সময়ছোৱাত উচ্ছৃংখল কাৰ্যকলাপে নিকা সমাজত দাগ সৃষ্টি কৰিব পাৰে। যুৱ সমাজৰ ওপৰতে এখন সমাজৰ যিদৰে ভৱিষ্যৎ নিৰ্ধাৰণ কৰে ঠিক একেদৰেই উচ্ছৃংখলতা শব্দটিৰ সংযোগ ঘটিলেই ই সামাজিক ব্যাধিত পৰিণত হয়। বিষাক্ত পৰিৱেশ জন্ম দিয়াৰ মূলতে যুৱ চাম। নতুন সৃষ্টিও কৰিব পাৰে যুৱ চামেই। অৰ্থাৎ যুৱ চামৰ হাতত থাকে সমাজ সুৰক্ষিত কৰাৰ



ছাবিকাঠি কাৰণ সমূহৰ বিচাৰ কৰিবলৈ গ'লে আমি ইয়াৰ নির্মূলৰ কাৰণ বিচাৰি পাম। যুৱ প্ৰজন্মৰ মাজত দেখা দিয়া যিকোনো অপৰাধমূলক কৰ্মই সৃষ্টি কৰে উচ্ছৃংখলতাৰ। এনে কৰ্মৰ পৰিমাণ দিনক দিনে বাঢ়ি যোৱা দেখিবলৈ পোৱা গৈছে। প্ৰকৃততে উচ্ছৃংখল কিয় হৈছে যুৱ সমাজ? যুৱ সমাজৰ মাজত লুকাই থকা প্ৰতিভাৰ অপব্যৱহাৰ হৈছে নেকি? উচ্ছৃংখল আখ্যা দিছে কোনে? এইদৰে অলেখ প্ৰশ্ন সচৰাচৰ সকলোৰে মনত অহা-যোৱা কৰি থকা দেখা যায়। আচলতে আমি যদি উচ্ছৃংখল শব্দটো ব্যৱহাৰ নকৰো তেতিয়া যুৱ সমাজৰ কিবা পৰিৱৰ্তন দেখিবলৈ পাম নে? উচ্ছৃংখল যুৱ সমাজ কাৰো কাম্য নহয়। যুৱ সমাজে কৰ্তব্যৰ পৰা আঁতৰি গৈছে সেইটো সঁচা। যুৱ সমাজৰ চিন্তা-চৰ্চা কৰা মানসিকতা সলনি হৈছে। শুদ্ধ চিন্তাৰাজিৰ পৰা ফালৰি কাটি নিজস্ব মতত অটল হৈ থাকি ভালপোৱা গুণে সমাজত বিৰূপ প্ৰভাৱ পেলাইছে। ৰাগিয়াল বস্তুৰ প্ৰতি দুৰ্বলতা বাঢ়ি অহা এচাম যুৱ প্ৰজন্মই সমাজখনলৈ ভাবুকি কঢ়িয়াই আনিছে। যিহেতু এমুঠিমান বেয়া লগ লাগি ধ্বংস কৰি পেলাব পাৰে শৃংখলাবদ্ধ সমাজ। সকলো যুৱক-যুৱতী উচ্ছৃংখল নহয়। বহুতো যুৱক-যুৱতীয়ে সমাজ তথা দেশৰ সুৰক্ষাৰ বাবেও ব্ৰতী হয়। উভৈনদী সামগ্ৰী হাতত পাই এচাম কিশোৰ-কিশোৰী অবাটে গৈছে। এচামে আকৌ অভাৱৰ বাবেই সজ পথ ত্যাগ কৰিছে। এনেবোৰ কাৰণতে সমাজৰ সুস্থতা ভাৰসাম্যহীন হৈছে। ইণ্টাৰনেটৰ সহজলভ্যতাই কিছু ক্ষেত্ৰত যুৱ চামলৈ ভাবুকি আনিছে। চ'চিয়েল মিডিয়াৰ অপব্যৱহাৰেও সমাজখনলৈ বিৰূপ প্ৰভাৱ পেলাইছে। প্ৰয়োজনীয় বিষয়সমূহক আওকাণ কৰি অপ্ৰয়োজনীয় বিষয়বোৰক গুৰুত্ব দিয়াৰ বাবে যুৱ চামলৈ আঙুলি টোৱাবলৈ সকলোৱে সাহস পাইছে।

বৰ্তমান সমাজ ব্যৱস্থাৰ সন্মুখত ভোটাতৰা হৈ জিলিকি থকা বিষয়টো হৈছে নিবনুৱা সমস্যা। উচ্চ শিক্ষাৰ প্ৰতি ধাউতি থকা এচাম কিশোৰ-কিশোৰীয়ে আৰ্থিক অনাটনৰ মাজতো শিক্ষা গ্ৰহণ কৰিছে। যদিও সংস্থাপন পোৱা নাই। ফলত তেওঁলোক মানসিকভাৱে ভাগি পৰিছে। এনেদৰেই এটি দুটিকৈ সমস্যাবোৰ ক্ৰমাৎ বাঢ়ি গৈ উচ্ছৃংখলতাৰ সৃষ্টি হৈছে। যুৱ সমাজৰ মাজত নৈতিকতাৰ পতন ঘটিছে। নৈতিক আদৰ্শ আওকাণ কৰি কিছুমান অপকৰ্মক স্থান দিয়া আজিকালি যুৱ সমাজৰ ক্ষেত্ৰত প্ৰায়ে পৰিলক্ষিত হয়। সেইবাবেই প্ৰতিজন শিশুকে সৰু কালৰ পৰাই পাঠ্যপুথিৰ শিক্ষাৰ সমানে মূল্যবোধৰ শিক্ষাও দিব লাগে। নৈতিক আদৰ্শ তথা প্ৰমূল্যবোধৰ শিক্ষাৰ অবিহনে যুৱ চামক লৈ সুস্থ সমাজ গঠন কৰাটো সম্ভৱ নহয়। সেইবাবেই সকলোৱে নিজা তথা শুদ্ধ দৃষ্টিভংগীৰে সমাজখনক চাই এখন সুস্থ তথা সবল সমাজ গঠন কৰিবলৈ অহোপুৰুষাৰ্থ কৰাটো অত্যন্ত জৰুৰী। এখন সুন্দৰ আৰু নিকা সমাজ গঢ়াৰ দায়িত্ব যুৱ চামৰ। সেয়েহে সকলো একত্ৰিত হৈ সমাজখনলৈ ন বাতাবৰণ কঢ়িয়াই অনাটো আমাৰ কাম্য।

□□□

# ডাইনী

✍ মনোজ শইকীয়া
ষষ্ঠ ষান্মাষিক

ৰমনী দুখীয়া বিধৱা তিৰোতা। ৰমনীৰ অৱস্থা একেবাৰে পুতৌজনক। তাই কোনোমতে দিন হাজিৰা কৰি দুবেলা দুমুঠি গোটায়। এদিন কামলৈ নগ'লে তাই ভাত মুঠিও যোগাৰ কৰিব নোৱাৰে। ৰমনীৰ ল'ৰা -ছোৱালী দুটা স্কুলত পঢ়াইছে। ল'ৰা-ছোৱালী দুটাও বৰ নিমাখিত। ৰমেন ঢুকুৱাৰ পাছৰ পৰা তাইৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। ৰমেনৰ বেমাৰতে খেতিৰ মাটিখিনিও বন্ধকত গ'ল। এতিয়া তাই কোনোমতে ঘৰখন চলাইছে।

সিদিনা আছিল দেওবাৰ। ৰমনীয়ে ভাত পানী ৰান্ধি খুৱাই কামলৈ যাবলৈ ওলাল। তাই ভাবিলে আহোতে কেৰাচিন তেল আনিব কালি সন্ধিয়াতে ভাত খাই শুব লগা হ'ল। এনেতে গাঁৱৰ সেউজ সংঘৰ সম্পাদকে তাইৰ হাতত এখন কাগজ দি ক'লে, "তই আজি এঘাৰ বজাত নামঘৰৰ পথাৰলৈ যাবি, তোৰ ওপৰত আজি এখন বিচাৰ হ'ব। এই বুলি কৈ মানুহজন গ'লগৈ। "

ৰমনী শিলপৰা কপৌৰ দৰে হ'ল। তাইৰ উশাহ-নিশাহ চুটি হ'বলৈ ধৰিলে, এই মাত্ৰই যেন তাইৰ মূৰৰ ওপৰত সৰগখন ভাগি পৰিল। তাই হাতত লৈ থকা কাগজখন ভয়ে ভয়ে তাইৰ ওপৰত নামঘৰৰ পথাৰত বিচাৰ তৰিছে। কাগজখন চাই আধুনিক সমাজখনেইতো কু-সংস্কাৰেৰে ভৰি আছেনে? এতিয়াও মানুহে অন্ধবিশ্বাস মানেনে? এজন মানুহক ইমান পাশৱিকভাৱে ডাইনী সজাব পাৰেনে? আধুনিক যুৱ সমাজেও এই মন্তব্য মানি লয়নে? নহয়। তাই ভাবিলে তাই ভুল চিন্তা কৰিছে। এজন ধনী দালাল মানুহে দুখীয়া নিচলা মানুহক দমন কৰিছে। এবাৰ



গাঁৱৰ ৰাইজখনৰ কথা ভাবিলে কিন্তু কি হ'ব মহাজনৰ বিপক্ষে মাত মাতিবলৈ কাৰো সাহ নাই বহুত ভাবি চিন্তি ভগৱানক সাক্ষী কৰি যাবলৈ ওলাল। মাকৰ অৱস্থা বুজি ল'ৰা-ছোৱালী দুটাই মাকক টনা আঁজোৰা কৰি কান্দিবলৈ ধৰিলে। ৰমনীয়ে মাথোঁ কান্দিলে।

ৰমনীয়ে গৈ দেখিলে পথাৰত মানুহ গোটেই আগুৰি আছে। ৰমনী গৈ পথাৰৰ মাজ পালেগৈ। ৰমনীক দেখি মানুহবিলাক কিৰিলিয়াবলৈ ধৰিলে। কিছুমানে কৈছে ডাইনীক ধৰ মাৰ এই মানুহৰ মূৰ খায়। পথাৰত গোট খোৱা ল'ৰাবিলাকে ৰমনীক চুঁচোৰাই বান্ধি ল'লে। শিলত মূৰ পৰি শিলেৰে খুন্দিছে গাত চুৰাত পাত লগাইছে। বেত লাঠিৰে কোব দিছে। ৰমনীয়ে চিঞৰিছে কিন্তু তাইক ৰক্ষা কৰিবলৈ বা আছে কোন ...।

□□□

# DRUG ADDICTION




✍ Uttam Hazarika
B.Com. 6th Semester

Drug addiction is not about just heroin, cocaine, or other illegal drugs. We can get addicted to alcohol, nicotine, apioid painkillers, and other illegal substances. All drugs affect the brain's 'reward ' circuit, which is part of the limbic system. This area of the brain affects instinct and mood. Drugs target this system, which causes large amount of dopamine- a brain chemical that helps to regulate emotions and feelings of pleasure, to flood the brain. This flood of dopamine is what causes a 'high'. It is one of the main causes of drug addiction. These effect of drug abuse have serious consequences like missed work, punishable offences, accidents and injuries.

Drug addiction can affect our personal relationships and make it difficult to focus on work or school. Many people have their health, finances. relationships, careers and lives turned upside down by drug addiction. This is why a drug help hotline is such an important resource. If an acquaintance or a loved one is struggling with substance abuse, it may be time to get help from a drug recovery programme. Calling a National drugs helpline, such as a specialist, is a great way to start the recovery journey. Many young people who have not crossed the line into addiction have stopped using and found happier, more fulfilling lives without experiencing the severity of long-term addiction. With that, everyone in the society should raise their voices against dealings and consumption of drugs so that the society can be happier and more healthy. ❑❑❑

# RAISE VOICE AGAINST CHILD LABOUR

Pritam Mazumdar
B.Com. 6th Semester



Child Labour refers to the exploitation of children through any form of work that deprives children of their childhood, interferes with their ability to attend regular school and is mentally, physically, socially or morally harmful. Child labour is human rights issue that has staggering effects on poverty, illiteracy and humanity. Mr. Kailash Satyarthi is the person who have been opposing child labour, since 1980 and he has got the Nobel Prize for his campaign against child labour. Mr. Satyarthi and the grassroot movement founded by him Bachpan Bachao Aandolan, has saved more than 85,000 children and has developed a successful model for their education and rehabilitation.

Mr. Satyarthi is a member of several high level groups on child labour and education. He is one of the rare civil society leaders to have addressed the United Nations General Assembly, International Labour Conference, U.N. Human Rights Commisioners of the financing of Global Education Opportunities. □□□

# যৌতুক প্ৰথা

✍ গৰিমা ছেত্ৰী



অতীতৰ প্ৰথা বৰ্তমানৰ আন্দোলন হিচাপে গঢ় লৈ উঠা এক প্ৰথা হৈছে যৌতুক প্ৰথা। অতি দুৰ্ভাগ্যজনক কথা যে একবিংশ শতিকাতো এই প্ৰথা বিশ্বৰ বহুতো দেশত অব্যাহত হৈ আছে। এইপ্ৰথা বৰ্তমান কেইবাখনো ৰাজ্যৰ এক প্ৰকাৰৰ ব্যাধিত পৰিণত হৈছে। যৌতুকজনিত কাৰণত নাৰী হত্যা এক সাধাৰণ ঘটনা হৈ পৰিছে। এই প্ৰথাত দেশৰ অগণন পৰিয়াল চিকাৰ হৈছে যদিও ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ সমাজৰ সকলো লোক এতিয়াও আগুৱাই অহা নাই।

প্ৰাচীন ইতিহাসত স্বয়ম্বৰৰ ব্যৱস্থা আছিল য'ত যৌতুক প্ৰথাৰ কোনো স্থান নাছিল। কিন্তু মধ্যযুগত এই প্ৰথাক প্ৰাধান্য দিয়া হৈছিল সেইবাবে মধ্যযুগক যৌতুক প্ৰথাৰ উদ্ভাৱনৰ সময় বুলি গণ্য কৰা হৈছে। অতীতত বহু অভিভাৱকে কন্যাৰ বিবাহৰ খৰচ পুত্ৰৰ বিবাহযোগে পুৰণ কৰিবলৈ এই প্ৰথা বাধ্যতামূলক কৰে। বৰ্তমানৰ নিবনুৱা সমস্যাৰ যুগত কৰ্মক্ষম পাত্ৰৰ চাহিদা বাঢ়ি গৈছে ফলত সৰ্বস্বান্ত হৈয়ো পাত্ৰীৰ অভিভাৱকে এই সকল পাত্ৰত যৌতুক দি বিবাহ সম্পন্ন কৰে। ইয়াৰোপৰি কু-সংস্কাৰ, স্বাৰ্থ, লালসা আৰু লোভেই যৌতুক প্ৰথাৰ প্ৰধান কাৰণ। চেতনাৰ অভাৱ যৌতুক প্ৰথাৰ আন এক কাৰণ।

যৌতুক প্ৰথাৰ বিৰুদ্ধে ভাৰতত বিভিন্ন সময়ত দৃঢ়ভাৱে থিয় দিছিল কেইবাজনো মনীষীয়ে। এই ক্ষেত্ৰত নাম ল'ব পাৰি ৰাজা ৰাম মোহন ৰয়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ইত্যাদি। নাৰীৰ সামাজিক স্বাধীনতা প্ৰদানত এসময়ত ব্ৰাহ্ম সমাজৰ অৱদান আছিল অনবদ্য। বিভিন্ন কবি, সাহিত্যিকে গল্প, উপন্যাস, কবিতাৰ যোগেদি যৌতুক প্ৰথাৰ প্ৰতিবাদ কৰি গৈছে। ইয়াৰোপৰি চৰকাৰে ১৯৬১ চনতে যৌতুক বিৰোধী আইন সংশোধনৰ যোগেদি ইয়াক বন্ধ কৰাৰ বাবে বদ্ধপৰিকৰ হৈছেল। কিন্তু বাস্তৱত এই কু-প্ৰথা সমাজৰ পৰা সম্পূৰ্ণকৈ দূৰ হোৱা নাই।

অতীতৰ এই প্ৰথা বৰ্তমানত লোপ কৰিবলৈ হ'লে চৰকাৰৰ লগতে সামাজিক সচেতনতা গঢ়ি তুলিব লাগিব। মানুহৰ মাজত প্ৰতিবাদ গঢ়ি তুলিব পাৰিলেহে যৌতুক প্ৰথাৰ নিৰ্মূল আশা কৰিব পাৰি। নিবনুৱা সমস্যাৰ লগত যৌতুক প্ৰথাৰ সম্পৰ্ক থকা হেতুকে চৰকাৰ এই ক্ষেত্ৰত সচেতন হ'ব লাগিব। সবাতোকৈ ডাঙৰ ভূমিকা পালন কৰিব লাগিব নাৰীসকলে নিজেই। এই কু-প্ৰথা আঁতৰাবলৈ নাৰী জাতিয়ে সংঘবদ্ধভাৱে আন্দোলন কৰিব লাগিব। নাৰী সংগঠনসমূহে এই ক্ষেত্ৰত উদ্যোগ লৈ সমাজৰ সকলো স্তৰৰ মহিলাৰ মাজত চেতনা জগাই তোলাৰ ব্যৱস্থা কৰিব লাগিব।

সমাজৰ যুৱ প্ৰজন্ম যৌতুক প্ৰথা নিৰ্মূল কৰিবৰ বাবে আগুৱাই আহিব পাৰে। বহু প্ৰগতিশীল যুৱকে পিতৃ-মাতৃৰ গাত দোষ জাপি যৌতুক প্ৰথাৰ আশ্ৰয় লোৱা পৰিলক্ষিত হয়। সৰ্বশেষত ক'ব পাৰি আধুনিক সভ্যতাৰ পৰিপন্থী যৌতুক প্ৰথাক নিৰ্মূল কৰিবলৈ সমাজৰ সকলোস্তৰৰ লোক আগুৱাই আহিব লাগিব।

□□□

# ECOCRITICISM AND LITERARY STUDIES : BETWEEN NATURE AND CULTURE



Munu Baa
B.A. 4th Semester

Although environmental problems, with scientists and social scientists engaged in research and making politics surrounding environmental issue, the field of literary studies can also play an important role to contribute to environmental restoration and an awareness of sustainable living. The objective of this article is to show how the discipline of 'ecocriticism' is a means of inserting literary students into the conversation of environment. One of ecocriticism's basic premises is that literature both reflects and helps to shape human responses to the natural environment. By studying the representation of the physical world in

literary texts and in the social contexts of their production, ecocriticism not only attempts to account for attitudes and practices that have contributed to modern day ecological problems, but at the same time investigate alternative modes of behaviour, including sustainable practices that would respect the perceived rights or values associated with non human creatures and ecological processes. As Lawrence Buell puts it, literary texts function as "acts of environmental imagination", making that world "feel more or less precious or endangered or disposable"(Writing for an Endangered World 2).

Early Contributions to ecocriticism may be seen in Leo Marx's "The Machine in the Garden"(1964) and Raymond William's 'The Country and the City'(1973). Both seminal contributions to the criticism of pastoral literature in America and the United Kingdom respectively. However



ecocriticism emerged as a separate discipline and was properly launched only in the 1990s.

Ecocriticism is integrative as it uses widely divergent approaches of studying the environment as indicated by some of the terms often used in ecocriticism such as deep ecology, physical environment, biodiversity etc.

Ecology is the scientific analysis and study of interaction among organisms and their environment .

Whereas ecology may be considered as anthropocentric, deep ecology is biocentric and stresses the fact that man is only one part in a huge and complex life net in nature in which everything has a certain value. That is why man has to realize that he is not allowed to reduce the richness and variety of the living world except for the satisfaction of the basic needs.

Under the influence of ecocriticism, literary scholars are presently using nature writing to question the anthropocentric assumptions which have resulted in its critical neglect. ❑❑❑

# ARUNACHAL PRADESH:

## THE LAND OF RISING SUN



Sneha Baksi
B.A. 2nd Semester

Home to the beautiful mountains, tranquil lakes and famous monasteries, Arunachal Pradesh is a mesmerizing place. Arunachal Pradesh is the perfect state for us if we wish to explore the tribal culture and the simplicity of their natural beauty. It is blessed with diverse flora and fauna, in a unique habitat of glaciers, high altitudes, meadows and sub-tropical forest.

All these contribute to the charm of the beautiful state. This land is bordered on the South by Assam, on the North and Northeast by China, on the West by Bhutan and on the East by Myanmar . This land is also known as the " Orchid State of India" or " The paradise of the Botanists". Here we can find around 600 species of orchids and government of Arunachal has establised orchid conservation sanctuaries at Sessa and Dirang. In Arunachal more than 500 species of birds have been recorded to be found, many of which are highly endangered and restricted to this state. Arunachal is mostly covered with sereve mountains that offers a breathtaking view during the winter. As the snow covers the peaks of these mountains, flora and fauna, a state of calmness and freshness envelops the region. The crafty, yet traditional people of the land welcome one and all with a smile on their faces and love and warmth in their hearts.

By visiting this land we can bring the memories of pristine beauty of nature captured in our hearts.

□□□

# REVIEW
# PADMAN

Rohit Sahu
H.S. 2nd Yr.




'Padman' is a 2018 Indian Hindi language comedy-drama film directed and written by R. Baliki, featuring Akshay Kumar, Sonam Kapoor, and Radhika Apte in lead roles. Inspired by the life of Arunachalam Muruganantham, a social entrepreneur from Coimbatore, Tamil Nadu. It is based on the short story "The Sanitary Man of sacred land" in Twinkle Khanna's book "The Legend of Laxmi Prasad," which is inspired by the life of Arunachalam Muruganatham, a social activist from Tamil Nadu who introduced low-cost sanitary pads. This film is based on the life of Laxmikant who feels upset when he see Gayatri, his wife, using an unhygienic cloth during her periods and decides to create a machine that would make sanitary pads at affordable prices, creating awareness among typical Indian women. This film scored 8 out of 10 on IMDB. 'Padman' grossed 207.73 crores worldwide, becoming a major critical and commercial success as well as the tenth highest grossing bollywood film of 2018.

□□□

# REVIEW OF THE FILM- VILLAGE ROCKSTARS



Nayan Jyoti Tanti
B.A 2nd Semester.

"Village Rockstar" is an award winning film by Rima Das. The narrative is of one hour and thirty seven minutes. The film depicts the struggles of Dhunu and her folks in a remote village in lower Assam. Dhunu is the daughter of a widow but she could also be a child of nature. The world of the film, primarily seen through her eyes, makes the non-human - the paddy fields, the trees, the pet goat Munu and the floods- as important as the people. Dhunu and her army of barefoot friends sleep on trees and lie on wet paddy fields closing their ears to prevent the water from seeping into ears.

Life is laid back and the time drowsily stops in this rural landscape. Despite the hurdles, the children dream big, Dhunu dreams of having her own guitar.

However, the routine flood arrives and the children accepts and surmounts it . There is a scene where Dhunu asks her mother, why do they toil every year for the crops when they are swept away in the floods. The mother reminds her that it is duty of a farmer to grow crops. Nature is harsh, but the people are resilient. The rains are wildful and so are Dhunu and her mother. Flood is inevitable but they can learn swimming to survive. Moments like these juxtaposed with the never ending green make 'Village Rockstars" a film so unique and fresh.

□□□



# স্বামী বিবেকানন্দ আৰু তেওঁৰ বক্তব্য

✍ কাকুমণি কটকী
পঞ্চম ষান্মাসিক



স্বামী বিবেকানন্দ এজন সফল ব্যক্তি। যাৰ ব্যক্তিত্বই দেশ-বিদেশতো আলোড়নৰ সৃষ্টি কৰিছিল। ভাৰতীয় সমাজখনে নিজৰ গৌৰৱোজ্জ্বল সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যক পাহৰি সেই ঢলত উটি -ভাঁহি যোৱাৰ সময়ছোৱাত তেখেতৰ জন্ম হৈছিল। ভোগ বিলাসত মত্ত হৈ পাশ্চাত্যৰ সভ্যতাৰ মোহত মোহাচ্ছন্ন হৈ হিন্দু ধৰ্মৰ মহান বাণীক আওকান কৰা ভাৰতবাসীক বেদান্তৰ বাণীৰে উদ্বুদ্ধ কৰি জাতীয় চেতনাক জগাই তুলিছিল। আমেৰিকা, ইংলেণ্ড আদি

পশ্চিমীয়া উন্নত দেশসমূহত সাৰগৰ্ভ বক্তৃতাৰে হিন্দু ধৰ্মৰ মহানেতা তথা ভাৰতীয় দৰ্শনৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছিল। এনেধৰণৰ এটা বক্তৃতা তেখেতে আমেৰিকাৰ চিকাগো চহৰত অনুষ্ঠিত হোৱা সৰ্বধৰ্মীয় সভাত দিছিল। সেই ধৰ্ম মহাসভা অনুষ্ঠিত হৈছিল ১৮৯৩ চনৰ ১১ ছেপ্তেম্বৰত। প্ৰায় সাত হাজাৰ সংস্কৃতিৱান দৰ্শক শ্ৰোতাৰে ভৰি থকা আৰ্ট ইনষ্টিচিউটৰ আহল বহল 'কলম্বাচ হ'ল'ত মঞ্চৰ মাজত সভাপতিৰ আসনত উপবিষ্ট হৈছিল। ৰোমান কেথলিক সম্প্ৰদায়ৰ প্ৰধান মাজক কাৰ্ডিনেল গিবমচ্। এই বিশাল ধৰ্ম সভাত স্বামী বিবেকানন্দই বক্তৃতা প্ৰদান কৰোতে প্ৰথমেই শ্ৰোতা সকলৰ উদ্দেশ্যি ক'লে যে "আমেৰিকাৰ ভগ্নী আৰু ভাতৃসকল" তেখেতৰ এই আন্তৰিক সম্বোধনত হাজাৰ হাজাৰ শ্ৰোতাক আচৰিত কৰি তুলিছিল আৰু থিয় হৈ হাতচাপৰি বজাইছিল। আনুষ্ঠানিক শব্দৰ পৰিৱৰ্তে ভাই-ভনী বুলি সম্বোধন কৰাৰ কথাই সকলোকে আবেগিক কৰি তুলিছিল। স্বামী বিবেকানন্দৰ এই মহান সম্বোধনে বিশ্বপ্ৰেম আৰু বিশ্ব ভাতৃত্বৰ মহান উপলব্ধি সকলোৰে মনত জন্ম দিলে। সভাগৃহত জাউৰি জাউৰিয়ে হাত চাপৰি বাজি শান্ত হোৱাৰ পাছত বিবেকানন্দই নিজকে প্ৰাচীন সন্যাসী সমাজৰ অংশীদাৰ বুলি পৰিচয় দিলে। পৰিচয়ৰ অন্ত উদাৰ বিশ্বজনীন ভাৱেৰে হিন্দু ধৰ্মৰ গৌৰৱ ঘোষণা কৰি বিবেকানন্দই কৈছিল যে - "যি ধৰ্মই চিৰকাল সমদৰ্শন আৰু সকলো প্ৰকাৰৰ ধৰ্মমত গ্ৰহণৰ পক্ষে মাত মাতি আহিছে মই সেই হিন্দু ধৰ্মৰ মানুহ বুলি নিজেই গৌৰৱ অনুভৱ কৰোঁ। এই ধৰ্মই যে কেৱল অন্যান্য ধৰ্মাৱলম্বীলোকৰ মতকে মান্যতা দিয়ে এনে নহয়। সকলো ধৰ্মকে সত্য বুলি বিশ্বাস কৰে।" সকলো ধৰ্মৰে লক্ষ্য একেই। ১১ ছেপ্তেম্বৰৰ পৰা ২৭ ছেপ্তেম্বৰলৈকে অনুষ্ঠিত হোৱা ধৰ্ম মহাসভাত তেখেতে প্ৰত্যেক দিনাই ভাষণ দিছিল আৰু ভাৰতৰ বেদান্ত দৰ্শন, মূৰ্তি পূজা, অৱতাৰবাদ, আত্মা-পৰমাত্মাৰ স্বৰূপ ইত্যাদিৰ ওপৰত পাশ্চাত্য দেশখনত আলোড়নৰ সৃষ্টি কৰিছিল। পাশ্চাত্য সমাজত হিন্দু ধৰ্মৰ বিষয়ে যি ভুল ধাৰণা আছিল তাক দূৰ কৰিছিল এই জনা মহান ব্যক্তিয়ে। এই ধৰ্ম মহাসভাত বহা ১৭ খন অধিবেশনৰ মূল কেন্দ্ৰবিন্দু হৈ পৰিছিল স্বামী বিবেকানন্দ। ভাৰতীয় ধৰ্মীয় ব্যৱস্থাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰা তেওঁৱেই মহান আৰু সুযোগ্য ব্যক্তি। যাৰ বাবে সেই ১৭খন অধিবেশনৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল স্বামী বিবেকানন্দ। চিকাগোৰ ধৰ্ম মহাসভাত স্বামী বিবেকানন্দৰ সুযোগ্য প্ৰতিনিধিত্ব আৰু সফলতাৰ কথা ভাৰতত বিয়পি পৰিছিল। এইদৰেই চিকাগো ধৰ্ম মহাসভাৰ জৰিয়তে অপৰিচিত তৰুণ সন্যাসী বিবেকানন্দ হৈ পৰিছিল ধৰ্ম জগতৰ এজন বৰেণ্য ব্যক্তি। যিজন ব্যক্তি বৰ্তমানো ভাৰতত জিলিকি আছে। তেওঁৰ সুদূৰ প্ৰসাৰী প্ৰতিভাই ভাৰতৰ লগতে অন্য দেশসমূহকো আলোড়িত কৰি ৰাখিছে।



□□□

# AN APPRECIATION ONLY : ABHIJIT BANERJEE ESTHER DUFLO MICHAEL KREMER



✍ **Atul Kumar Das**
Assistant Professor, Department of Commerce
Golaghat Commerce College, Golaghat

Poverty is not simply a lack of adequate income. It is a social phenomenon in which a section of society is unable to fulfill even its basic necessities of life. 'Poverty has various manifestation, including lack of income and productive resource sufficient to ensure sustainable

livelihood: hunger and malnutrition: ill health, limited or lack of access to education and inadequate housing; unsafe environments and social discrimination and exclusion. It is also characterized by a lack of participation in decision-making and in civils, social and cultural life."(United Nations, 1995) even with more than a thousand analysis and hundreds of programs to alleviate the level of poverty has not decreased up to the mark in the world. Article 25(1) of the Universal Declaration of Human Rights of Nation States that "Everyone has the right to a standard of living adequate for the health and well-being of himself and of his family, including food, clothing, housing and medical care and necessary social services." This right is further reaffirmed in the International Covenant of Economics, Social and Cultural Rights and the International Covenant on Civil and Political Rights. But this basic right is not conferred on many people considering poverty as a social and economic problem. Some questions always arise to every person who can feel pulsed of people faced by the outcomes of "being people".

Why People are poor ? What makes a person poor? How a person/ society can defeat poverty?

What is the role of state?......

Thus, when there are questions, there are answers. Answers may not be concrete but working to find answers itself is a beginning for productive results. In this direction the Royal Swedish Academy of Science has awarded the Sveriges Riskband Prize in Economics Science 2019 in memory of Alfred Nobel jointly to Abhijit Banerjee, Esther Duflo and Michael Kremer for "their experimental approach to alleviating global poverty"highight- scientific background on the Sveriges Riskband Prize in Economics Science in memory of Alfred Nobel 2019- "Understanding Development and Poverty alleviation." The Committee for the prize in Economics Science in memory of Alfred Nobel, October 14, 2019

Despite massive progress in the past few decades, global proverty -in all its different dimensions -remains a broad and entrenched problem. For example, today more than 700 million people subsits on extremely low incomes every year , five millions children under five die of diseases that often could have been prevented or treated by a handful of proven interventions. Today a large majority of children in low- and middle-income countries attend

primary school. But many of them leave school lacking proficiency in reading, writing and mathematics. How to effectively reduce global poverty remains one of humankind's most pressing questions. It is also of the biggest questions facing the discipline of economics since its very inception. So how best to identify strategies to help the least well -Off?



We now have a large number of concrete results on specific mechanisms behind poverty and specific interventions to alleviate it. For examlpe, on schooling strong evidence now show that the employment of contract teachers is generally a cost -effective way to improve student learning while the impact of reduced class size is mixed, at best. On health, poor people's investment in preventive care has been show to be very sensitive to the prices of health products of services, giving a strong arguments for generous subsidies to such investment. On credit, growing evidence indicates that microfinance programs do not have the development effects that many had thought when these program were introduced on a large scale."

By designing new experimental research methods and by addressing the key challenge of generalizing results from a specific experiment i.e., the issue of

external validity -the laureates firmly established this transformed approach to development economics. This laid a solid stepping stone for a new generation of researchers in development economics and other fields."

The Modern approach to development economics relies on two simple but powerful ideas. One idea is that empirical micro-level studies guided by economics theory can provide crucial insights into the design of policies for effective poverty alleviation. The others is that the best way to draw precise conclusions about the true path from causes to effects is often to conduct a randomized controlled field trial. The systematic application of these ideas over the past 20 years has paved the way for the transformation of development research."

Banerjee, Duflo and Kremer has substantially changed our factual knowledge about economic, social and political phenomena in development countries, as well as the methodological direction of the field ranging from policies to boost human and physical capital accumulation, via politics aimed at facilities adoption of better technologies to interventions that can influence how policies affecting the poor are chosen implemented.

## Education

Modern public health technologies such as vaccines , antibiotics and anti malarial drugs and effective preventive methods, such as mosquito nets and drinking water treatment have improved health to historically unprecedented levels even in low-income countries nevertheless, the risk of a child dying before age five is still almost 15 times higher in low income countries than in high income countries, and coverage of range of low cost preventive health products remains incomplete in the development world.

The contributions by Banerjee, Duflo and Kremer have encourage and inspire a new generation of researchers to follow thier lead.

□□□



# মহান সংগীতজ্ঞ পণ্ডিত বিষ্ণু দিগম্বৰ পলুস্কৰ

✍ **অনিৰুদ্ধ বৰা**
**প্ৰথম ষাণ্মাসিক**

"গীতং, বাদ্যং তথা নৃত্যং এয়ং সংগীত মূচ্যতে" অৰ্থাৎ গীত, বাদ্য আৰু নৃত্য এই তিনিওবিধ কলাকে একেলগে সংগীত বোলে। বহুতো পণ্ডিতৰ মতে সংগীতৰ স্ৰষ্টা হ'ল ব্ৰহ্মা। ব্ৰহ্মাৰ পৰা নাৰদে সেই শিক্ষা গ্ৰহণ কৰে আৰু নাৰদৰ দুগৰাকী শিষ্য হাহা আৰু হুহুৱে পৃথিৱীত সংগীতৰ প্ৰচলন কৰে । অন্য এক শ্ৰেণী পণ্ডিতে মহাদেৱ তথা শিৱক সংগীতৰ স্ৰষ্টা বুলি মত পোষণ কৰিছে। সি যি কি নহওক ভাৰতত সংগীত

চৰ্চাৰ পৰম্পৰা অতি প্ৰাচীন। ভাৰতীয় শাস্ত্ৰীয় বা ৰাগ সংগীত পৃথিৱীৰ প্ৰাচীনতম সংগীত ধাৰাসমূহৰ অন্যতম। বৈদিকোত্তৰ যুগৰপৰা বৰ্তমানলৈকে ক্ৰমবিৱৰ্তনৰ মাজেৰে ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ ইতিহাস মনোগ্ৰাহী আৰু বৈচিত্ৰ্যপূৰ্ণ হৈ পৰিছে। ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ প্ৰতিষ্ঠা আৰু চৰ্চাৰ ক্ষেত্ৰত বহুকেইগৰাকী শাস্ত্ৰীয় সংগীতৰ পণ্ডিতৰ উল্লেখযোগ্য অৱদান আছে। সেইসকলৰ ভিতৰত এজন অন্যতম সংগীতজ্ঞ হ'ল পণ্ডিত বিষ্ণু দিগম্বৰ পলুস্কৰ।

ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ শিক্ষা, প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত উল্লেখনীয় বৰঙনি আগবঢ়াই, সংগীত কলাক এখনি মৰ্য্যাদাৰ আসনত প্ৰতিষ্ঠিত কৰাৰ ক্ষেত্ৰত পণ্ডিত বিষ্ণু দিগম্বৰ পলুস্কৰৰ নাম ভাৰতীয় সংগীত ইতিহাসত চিৰস্মৰণীয় হৈ থাকিব। মহাৰাষ্ট্ৰৰ বেলগাঁও নামৰ এখন সৰু ঠাইত ১৮৭২ খ্ৰীষ্টাব্দৰ ১৮ আগষ্টত এইগৰাকী মহান শিল্পীৰ জন্ম হয়। তেওঁৰ পিতৃ দিগম্বৰ গোপাল সেইকালৰ এগৰাকী বিখ্যাত কীৰ্তন গায়ক আছিল। গতিকে বিষ্ণু দিগম্বৰে সৰুৰে পৰাই এটি সংগীতময় পৰিৱেশতে ডাঙৰ-দীঘল হোৱাৰ সুবিধা পাইছিল। কমবয়সতে এটা দুৰ্ঘটনাত তেওঁৰ দুয়োটা চকু নষ্ট হয় আৰু তেওঁৰ স্কুলীয়া শিক্ষা বন্ধ কৰিবলগীয়া হয়। কিন্তু তেখেতে তেতিয়াৰে পৰা সংগীত চৰ্চা কৰিবলৈ ধৰিলে। তেওঁ মিৰাজত থকা পণ্ডিত কালকৃষ্ণবুৱা ইচলকৰঞ্জীকৰ নামৰ মহান সংগীতজ্ঞৰ ওচৰলৈ গৈ সংগীত শিক্ষা লৈছিল। অতি কম সময়তে পুলস্কৰদেৱে সংগীত বিদ্যা আয়ত্ত কৰি নিজৰ পাৰদৰ্শিতাৰ পৰিচয় দিছিল। গুৰুৰ ওচৰত তেখেতে প্ৰায় ২০ বছৰ কাল শিক্ষা গ্ৰহণ কৰিছিল। গুৰুৰ ওচৰত শিক্ষা সমাপ্ত কৰি পুলস্কৰে শাস্ত্ৰীয় সংগীতৰ শিক্ষাদান আৰু প্ৰচাৰত মনোনিৱেশ কৰে। লাহোৰ আৰু সেই সময়ৰ বম্বেইত তেওঁ 'গন্ধৰ্ব মহাবিদ্যালয়' নামেৰে সংগীত শিক্ষাৰ প্ৰতিষ্ঠান আৰম্ভ কৰে। শাস্ত্ৰীয় ৰাগসমূহৰ স্বৰলিপি লিখিবলৈ তেওঁ নতুনকৈ এক লিখন পদ্ধতি সৃষ্টি কৰিছিল সেই পদ্ধতিৰেই তেওঁ সৰু-ডাঙৰ পঞ্চাছখনমান কিতাপ ৰচনা কৰি প্ৰকাশ কৰিছিল। তেখেতে ভাৰতৰ বাহিৰেও নেপাল, বাৰ্মা, ছিলোন আদি দেশ ভ্ৰমণ কৰি তাত ভাৰতীয় সংগীতৰ প্ৰতি প্ৰেমৰ ভাৱৰ সৃষ্টি কৰিছিল।

জীৱনৰ শেষ সময়ছোৱাত পলুস্কৰদেৱে সকলো ত্যাগ কৰি সন্যাসী জীৱন-যাপন কৰিছিল আৰু একতাক লৈ ৰাম নামৰ ভজন গাইছিল এনেকৈ ভজন গাই তেওঁ নিজে শান্তি পাইছিল আৰু লগতে হাজাৰ শ্ৰোতাৰ অন্তৰতো ভক্তিৰ ৰস বোৱাইছিল। এইগৰাকী মহান সংগীতজ্ঞই বহুকেইজন গুণী শিল্পীক সংগীত শিক্ষা প্ৰদান কৰি থৈ গৈছিল। তেওঁলোকৰ ভিতৰত পণ্ডিত ওমকাৰ নাথ ঠাকুৰ বিনায়ক ৰাও পটৱৰ্ধন, নাৰায়ণৰাও ব্যাস, বি.আৰ. দেওধৰ আদিৰ নাম বিশেষভাৱে উল্লেখনীয়। তেওঁৰ পুত্ৰ দত্তাত্ৰেয় পুলস্কৰেও এগৰাকী উত্তম শ্ৰেণীৰ গায়ক হিচপে খ্যাতি লভিছিল।

এইজনা মহান সংগীতজ্ঞই মিৰজত ১৯৩১ খ্ৰীষ্টাব্দত শেষ নিশ্বাস ত্যাগ কৰে। ভাৰতীয় সংগীতৰ ইতিহাসত তেখেতৰ কৰ্মনিষ্ঠা আৰু একাগ্ৰতাৰ বাবে পণ্ডিতগৰাকীৰ নাম অমৰ হৈ ৰ'ব।

□□□

# मुक्तिबोध : जीवन परिचय एवं रचना संसार

**रिमकिम पल**
बी. ए. चतुर्थ षान्मासिक

गजानन माधव 'मुक्तिबोध' का जन्म 13 नवम्बर सन् 1917 ई० में ग्वालियर राज्य के श्योपुर नामक कस्बे में हुआ था। उनके पिता का नाम माधव था तथा वंश की पदवी 'मुक्तिबोध' थी जो गजानन नाम के साथ जुड़कर प्रसिद्धि का पर्याय बन गयी। गजानन के पिता पुलिस विभाग में इंसपेक्टर थे। महाराष्ट्र के कुलकार्णी ब्राह्मण परिवार वाले मुक्तिबोध के परदादा वासुदेवजी ग्वालियर रियासत में आ बसे थे और तबसे ये ग्वालियर के ही होकर रह गये। विभिन्न आर्थिक बाधाओं के चलते इनकी शिक्षा-दीक्षा नियमित एवं निरंतर नहीं हो पायी। 1938 में बी. ए. एवं 1954 में उन्होंने एम. ए. किया।

मुक्तिबोध की साहित्यिक कृतियाँ निम्नलिखित हैं -

१. 'तारसप्तक' प्रकाशन काल, 1943

२. चाँद का मुंह टेड़ा है (कविता संग्रह)

३. भूरी-भूरी खाक धूल (कविता संग्रह)

४. काठ का सपना, सतह से उठता आदमी, विपात्र (कथा साहित्य)

५. कामायनी : एक पुनिर्विचार, नयी कविता का आत्मसंघर्ष, नये साहित्य का सोंदर्यशास्त्र, समीक्षा की समस्याएं, एवं एक साहित्यिक की डायरी (आलोचनात्मक साहित्य)

मुक्तिबोध की प्रारंभिक रचनाओं में प्रेम की अभिव्यक्ति है, कोमल भावनाओं की तरंगें हैं। यथा -

कौन मदिरा मांगता है? यह हृदय की प्यास आली
सुमन का सौंदर्य-वन मृदु भ्रमर का उन्माद है यह
और मधु की माधुरी में प्यास का आहलाद है यह
दीप के सौन्दर्य में कितनी भरी यह ज्वाल है री!
हो गया महँगा किसे सौन्दर्य का यों हास आली?

'मुक्तिबोध' की रचनाओं पर दुरुहता का जो आरोप लगाया जाती है वह उनकी आरंभिक रचनाओं में बिलकुल नहीं है। उनकी प्रारंभिक रचनाओं में उनके मानस की विकलता, उनका अंतर्द्वंद्व, भारतीय आस्था और मानव जीवन का उन्नत संकल्प देखा जा सकता है -

मैंने कब श्रृंगार किया? कब दर्पण में अपना मुख देखा?
जीवन की जाग्रत असफलता में ही तो अपना सुख देखा।

'जीवन यात्रा' कविता में मार्ग की बाधाओं को ही प्रेरणा स्वरुप स्वीकार कर जीवन पथ पर आगे बढ़ने की सीख दी गयी है -

"हैं पाँव फँसे जाते बेबस जब कभी पंक में निराधार,
तुम मत समझो यह हुआ व्यर्थ इससे बल मिलता है अपार।"

आशा और निराशा जीवन-धारा के बीच साथ-साथ चलते हैं, कभी आगे, कभी पीछे। कवि कभी इसलिए भी निराश होता है क्योंकि वह अपना मन खोलकर बहुत कुछ नहीं लिख पाता। कोई डर, भय या बंधन अवश्य है जो उसे मुखर होने से रोक लेता है -

लिख न सका हउँ जो कि चाहता हुँ मैं लिखना
बाहर की बातें ही घिर घिर आजाती हैं
शब्द रोक देते भावों को
चित्र रोक देते स्वप्नों को।

इन कविताओं पर छायावादी प्रभाव माना जा सकता है। रूस और लाल सेना के गुणगान से अनुप्राणित 'लाल सलाम' कविता कवि के प्रगतिबादी चेहरे को प्रतिबिंबित करती है।

'अंधेरे में' मुक्तिबोध की बहुचर्चित रचना है। नामवर सिंह से इसे 'नई कविता की चरम उपलब्धि' माना है। इस रचना का दूसरा खण्ड वातावरण की निस्तब्धता को भंग करता हुआ आरंभ हुआ है। नवीन काव्य-शिल्प, रहस्यमयी भाव-भंगिमा एवं विंब योजना के चलते 'अंधेरें में' का अर्थ निकालना सबके वश की बात नहीं है, फिर भी कवि की रचना शैली एवं अभिव्यक्ति कौशल की दक्षता इसी रचना में ज्ञात होती है। 'ब्रह्म राक्षस' भी मुक्तिबोध की महत्वपूर्ण कविता है। इसमें कवि ने प्रस्तुत किया है कि अतीत का संचित अनुभव और ज्ञान तभी सार्थक होता है जब वह निरंतर प्रगति - पथ पर बढ़ता रहे तथा भविष्य के निर्माण का सूत्रधार बने। 'ब्रह्मराक्षस' जैसे निरुद्देश्य भटकता रहता है, कवि के जीवन में भी शायद वही शाप है। वह अनुभव करता है -

"मैं ब्रह्मराक्षस का सज़ल-उर-शिष्य
होना चाहता
जिससे कि उसका वह अधुरा कार्य
उसकी वेदना का श्रोत
संगतपूर्ण निष्कर्षों तलक
पहुंचा सकुँ।"

इस प्रकार मुक्तिबोध का संघर्षमय जीवन उनकी कविताओं में विभिन्न रुपकों एवं बिंबों के माध्यम से चित्रित हो उठा है। पर इससे यह न समझना चाहिए

कि उनकी सी / सुने दीवारों के साये पर / दरपन चमकाने लगती हैं।

नवगीत : नयी कविता, नई कहानी आदि के समकालीन 'नवगीत' नामक आन्दोलन हिन्दी साहित्य में चल पड़ा। नवगीत के गीतकारों ने प्रतीक, अप्रस्तुत विधान, छन्द भाषा आदि के नुतन रुपों को अपनाया।

'नवगीत' की प्रमुख विशेषता यह है कि इसमें लोक चेतना जीवन्त होकर प्रकट हुई है। इन गीतों में लोकगीत के शब्द एवं लोक धुनों के तर्ज स्वाभाविक रुप से मिलते हैं। इन गीतकारों में नीरज, घनश्याम अस्थना, सोम ठाकुर, भवानी प्रसाद मिश्र, रामावतार त्यागी, जगदीश, गुप्त, वीरेन्द्र मिश्र, नरेन्द्र शर्मा आदि प्रमुख हैं।

नवगीत कीं निम्नलिखित विशेषताएँ है -

१. अनुभूति की सच्चाई
२. नवीन सौन्दर्य बोध
३. लघु आकार
४. नवीन बिम्ब-प्रतीक-उपमान योजना
५. लोक जीवन में प्रेरित
६. सहज संप्रेषणीयता।

❑❑❑



# ज्ञान और एकता के गुरु
# श्रीमंत शंकरदेव

✍ निशा शारु

भारत का पूर्व प्रान्त, जो प्रागज्योतिष के रुप में जाना जाता था, उसी नवीन ज्योति से पुनः उद्भासित हो उठा, जिसके सूत्रधार थे महान वैष्णव— संन्त महापुरुष श्रीमंन्त शंकरदेव। उन्होने जगतगुरु श्रीकृष्ण की महान महिमा का सदर्शन किया और श्रीकृष्ण-भक्ति की पावन धर्म- धारा से सम्पूर्ण पूर्वाचंल को .......... कर दिया। उन्होंने अनेक जाति-सम्प्रदायों, संस्कृतियों की इस भूमि को भारतीयता की चेतना से भी संजीपित किया। महापुरुष श्रीमंत शंकरदेव की कीर्ति-गाथा भारतीय धर्म चेतना का ही अभिन्न-अखण्ड कप है।

श्रीमंत शंकरदेव की बहुमुखी प्रतिभा निरन्तर ज्योतिष्मान है। काव्य की स्फूर्ति तथा शास्त्रो की ओर आपसी अभिकचि बहुत बचपन से ही थी। भागवत और गीता आपके प्रिय ग्रन्थ थे। इन्हीं का आधार लेकर ापने असम में विमल वैष्णव- धर्म का प्रचार किया। आंप एक सिद्ध योगी भी थे। अपने योगबल से बहुत से लोकोन्तर कर्म आपके द्वारा हुए। आप कहा करते थे कि ईश्वर प्राप्ति तर्क और पाण्डित्य के द्वारा नही दी सकती, केवल एकान्त भक्ति से ही हम ईश्वर को पा सकते है। भगवान के नाम की अद्भुत महिमा है, जिसमें सभी प्राणियो का अधिकार है। शंकरदेव का यह प्रमुख संदेश है—

"परम निर्मल धर्म हरिनाम कीर्तन, त
समस्त प्राणीर अधिकार।
ऐतेके से हरिनाम समस्त धर्मेर राजा, यहि सा
शास्त्रर विचार।।"

श्रीमंत शंकरदेव ने असम के लोगों को अशिक्षा और अंधविश्वास (superstition) से दुर रहने की शिक्षा दी और ज्ञान का सच्चा स्वरुप दिखाया। आज भी असम के नामघरों में मणिकूट (गुरु आसन) पर उनके लिखे कीर्तन-घोषा- श्रीमद्भागवत की प्रति रखी जाती है और उसी की पूजा की जाती है। जिससे श्रीमंत शंकरदेव आज भी हमें सच्चाई, साहगी, ज्ञन और एकता का संदेश देने प्रतीत होते है।

❑❑❑

# অভিনৱ প্ৰতিবাদ

✍ অমিয়া বৰা
চতুৰ্থ ষান্মাসিক, বাণিজ্য শাখা



তাই আজি শোকত ভাগি পৰিছে, মৰ্মাহত হৈছে, আৰু তাতকৈ অধিক বেজাৰ পাইছে। মানুহ নামৰ বিশ্বাসী জাতিটোৱে কৰা বিশ্বাসঘাতকটাৰ বাবে মলুৱাই তাইক বাৰে বাৰে সান্ত্বনা দিছে, বুজাইছে, কিন্তু তাই মানিব পৰা নাই। তাইৰ বাৰে বাৰে পোনালৈ মনত পৰিছে, তাৰ মুখখন চকুৰ আগত ভাঁহি উঠিছে।

তাইৰ কান্দোন শুনি ওচৰ-পাজৰৰ সকলো আহি তাইৰ কাষ চাপিলেহি, কোনেও একো তত ধৰিব পৰা নাই, কোনোবা এটা মলুৱাই দুখ মনেৰে ক'লে যে - তাই আজি পোনাৰ সৈতে গাঁৱৰ ফালে ওলাই গৈছিল। দুপৰীয়াৰ বাবে কিবা এটা বিচাৰি আনোঁগে বুলি, সেই সময়ত সাধাৰণতে ঘৰত কোনো নাথাকে বা থকাখিনিয়ে জিৰণি লৈ থাকে। তাই সদায় সেইটো সময়ত যায় আৰু সুকলমে উভতি আহে, কেতিয়াবা মাজে-সময়ে দুই একে খেদা-খেদি কৰে যদিও একো অনিষ্ট নকৰে। কিন্তু আজি তাই গৈ গজেন মহাজনৰ বাৰীত সোমাল। বাৰীত বোলে জাহাজী কল এথোকা পকি আছিল সেই থোকাৰ কল দুটামান খাওঁতেই মহাজনে দেখা পাই চিঞৰ - বাখৰ লগালে। চিঞৰ-বাখৰ শুনি পলাওঁতেই কোনেনো পোনাক মাৰিলে তাই গমকে নাপালে তাই কোনোমতে জীৱটো লৈ পলাল।

পোনাক বোলে সিহঁতে খেদি খেদি মাৰিলে কথাখিনি কৈ মলুৱা ৰ'ব নোৱাৰিলে সিও কান্দি পেলালে।

সিহঁতৰ এই জীৱশ্ৰেষ্ঠ মানুহৰ প্ৰতি বিশ্বাস নাইকিয়া হ'ল। সিহঁতে ভাৱে মানুহে সিহঁতক যিমান অন্যায় কৰিছে, সিহঁতে তাৰ চাৰিভাগৰ এভাগো কৰা নাই। অ' আমি খাদ্যৰ সন্ধানত সিহঁতৰ ঘৰে-বাৰীয়ে সোমাও, যি পাঁও তাকে খাওঁ, কিন্তু ইয়াৰ বাবে দায়ী কোন আমি নে সিহঁত। আমিতো আগে সিহঁতৰ স্থান দখল কৰিববলৈ যোৱা নাই। সেই কথাটোও যদি সিহঁতে বিচাৰ কৰিব নোৱাৰে তেনেহ'লে কিহৰ জীৱশ্ৰেষ্ঠ সিহঁত।

মলুৱাৰ কথা শুনি সকলো নিতাল মাৰিলে। মলুৱাও নিজে আচৰিত হ'ল। কথাবোৰ শুনাৰ পাচত সকলোৰে মনবোৰ সেমেকি গ'ল। সকলোৱে চিন্তা কৰিলে যে, "এনেদৰে যদি দিনবোৰ পাৰ হৈ গৈ থাকে এদিন সিহঁতি বিলুপ্ত হৈ যাব। ইয়াৰ কিবা এটা সমাধান উলিয়াবৈ লাগিব।"

এইবোৰ ভাবি-গণি থাকোঁতেই জাকটোৰ দলপতিয়ে সকলোকে উদ্দেশ্যি ক'লে - "কাইলৈ পুৱাৰে পৰা গাঁৱৰ মূল তিনিআলিটোত সিহঁতি পথৰ দুয়োকাষে বহি কাৰো একো অসুবিধা নোহোৱাকৈ মৌন প্ৰতিবাদ কৰি মানুহক সিহঁতৰ অসুবিধাৰ কথা জনাবলৈ চেষ্টা কৰিব। এতিয়া সদস্যসতে পোনাক বিচাৰি যোৱা যাঁওক।"

দলপতিৰ কথা শুনি মলুৱাৰ মনটো অলপ পাতল লাগিল। সি ভাবিবলৈ ধৰিলে জীৱশ্ৰেষ্ঠ মানুহে কাইলৈৰ পৰা কৰিবলগীয়া সিহঁতৰ প্ৰতিবাদৰ ভাষা বুজি পাবনে! সিহঁতক ন্যায় দিবনে! সিহঁতৰ জীৱনলৈ শান্তি ঘূৰি আহিবনে। ইয়াকে গুণা-গথা কৰি সি লাহেকৈ পোনাক বিচাৰি ওলাই গ'ল।

□□□



# ভগা সপোনৰ উচুপনি

✍ বন্যা হাজৰিকা



সময় প্ৰায় ৰাতি ১২ বাজিল। কিন্তু নীহাৰৰ চকুত অলপো টোপনি নাই। কঁপালত হাত থৈ গভীৰ দোমোজাত পৰিছে সি। এফালে তাৰ ১২ বছৰীয়া সপোন আনফালে তাৰ মাক-দেউতাক। মাকে আজিও ফোন কৰিছিল। আজিও এটাই কথা ক'লে তাক 'সোণ তই ইয়ালৈ গুচি আহ। আমাৰ দৰে সাধাৰণ মানুহৰ বাবে এইবোৰ কেৱল সপোনেই নহয় থাকে। দেউতাৰো গাটো আজিকালি বেয়া হৈ থাকে। তোক আৰু আমি পইচা পঠিয়াব নোৱাৰো। ইয়াত কিবা এটা কৰিবি। সোনকালে গুচি আহ।'

প্ৰায় ৩ বছৰ আগত এই মায়ানগৰীলৈ আহিছিল নীহাৰ। ক্লাছ ৬ ৰ পৰা দেখি

অহা তাৰ সপোন পুৰা কৰিবলৈ। বলিউডত কাম কৰা সপোন। চিনেমাত অভিনয়ৰ সপোন। সৰুতে প্ৰায়েই মাকক কৈছিল- 'মা মই মুম্বাইলৈ যাম। এক্টৰ হ'ম বহুত ডাঙৰ। মোক সকলোৱে চিনি পাব।' নীহাৰ বৰুৱা মাক দেউতাকৰ একমাত্ৰ সন্তান। দেউতাকে দোকান দি পোহপাল কৰে সৰু পৰিয়ালটোক। মাক এগৰাকী সহজ-সৰল গৃহিনী। সৰুৰে পৰা পঢ়া শুনাত যথেষ্ট ভাল আছিল নীহাৰ। তথাপিও তাৰ সপোন ডাঙৰ অফিচাৰ হোৱা বা ডাঙৰ চাকৰি কৰাৰ নাছিল। কিন্তু মাক-দেউতাকৰ খাতিৰত সি ডিগ্ৰী সম্পূৰ্ণ কৰিছিল। যথেষ্ট ভাল ফলাফলৰ সৈতে। কিন্তু সি নামানিলে। মাক দেউতাক তাৰ জেদৰ আগত হাৰ মানিলে। আৰু নিজৰ একমাত্ৰ ল'ৰাটোক নিজৰ পৰা আতঁৰলৈ পঠিয়াই দিলে এক অচিনাকি নগৰলৈ।

যথেষ্ট উৎসাহেৰে মুম্বাইলৈ গৈছিল সি। এনেকুৱা লাগিছিল যেন তাৰ সকলো সপোন পূৰ হ'ব। এজন সম্পৰ্কীয় ককায়েকে লৈ গৈছিল তাক। তেওঁ তাতে এটা পি.জি ৰ এটা ৰুমত থকাৰ ব্যৱস্থা কৰি দিছিল। তাতে আৰু এজন ল'ৰা আছিল। প্ৰথমে অলপ আচৰিত যেন লাগিছিল ল'ৰাটো। কিন্তু যেতিয়া লাহে লাহে তাৰ লগত কথা পাতিব ধৰিলে এক ভাল বন্ধুত্ব গঢ়ি উঠিল। ল'ৰাটোৰ নাম আছিল বিশাল। ঘৰ উৰিষ্যাত। এবছৰ আগতেই আহিছিল তালৈ। এজন সফল ৰেপাৰ হোৱাৰ উদ্দেশ্যে।

সেইদিনা আছিল নীহাৰৰ প্ৰথম অডিছন। মনত যথেষ্ট আনন্দ। অডিছনৰ বাবে উল্লেখ থকা ঠাইত সময়মতে গৈ লাইন পাতিলে। তাৰ আগতো কেইবাজনো ল'ৰা আছিল। প্ৰায় চাৰি ঘণ্টামান পাচত তাৰ নাম মাতিলে। সি বহুতো ভয়ে ভয়ে গ'ল। তথাপিও চেষ্টা কৰিলে ক'নফিডেন্ট হ'বলৈ। অডিছন বৰ ভাল নহ'ল। কাৰণ ......... আছিল। ৰূমলৈ আহি মাকক ক'লে সকলো ফোনত। মাকেও ক'লে, 'একো নহয় দে । এইয়া তোৰ প্ৰথম অভিজ্ঞতাহে। পাচৰ পৰা ভালকৈ দিবি।' ৰাতি ১১ মান বাজিছে। শুবলৈ লওঁতেই তাৰ ৰুমমেট আহি তাক ফুৰিবলৈ যাবলৈ লগ ধৰিলে। সি প্ৰথমে ইমান ৰাতি নাযাও বুলি কৈছিল। কিন্তু তাক জোৰ দি ক'লে 'আৰে য়াৰ য়ে মুম্বাই হে, য়হা পে কভি ৰাত নহি হ'তি। ' সেইদিনা তাক মুম্বাইৰ বহুত ঠাই ফুৰাইছিল সি। বহুত নতুন বন্ধুৰ সৈতেও চিনাকি কৰাই দিছিল। ক্লাবত গৈ যথেষ্ট ফুৰ্তিও কৰিছিল। সি যেন চিনাকি হ'বলৈ গৈ আছিল এক নতুন জীৱনৰ সৈতে।

লাহে লাহে প্ৰায় ৬ মাহ পাৰ হৈছিল। নীহাৰৰ যথেষ্ট অভিজ্ঞতাও হৈছিল। কিন্তু ক'তো সুযোগ পোৱা নাছিল। কিন্তু সেইদিনা যেন তাৰ আশাৰ উদয় হৈছিল। এটা সৰু .....ৰোল পাইছিল সি। তাৰ পাচৰ পৰা আৰু কষ্ট কৰিছিল আৰু এবছৰৰ পাচত চিৰিয়েলত এটা সৰু ৰোল পাইছিল। কিন্তু সেইটোৱে যেন তাৰ সপোনৰ শেষ নাছিল। তাৰ পাছত দুবছৰত একো সুযোগ নাপালে। তাত চলিবলৈ যথেষ্ট পইচাৰ প্ৰয়োজন হৈছিল। ঘৰৰ পৰা দিয়া পইচা শেষ হৈছিল। সেয়ে তাত চলিবলৈ পাৰ্ট টাইম জব কৰিবলৈ লৈছিল সি। ৱেটাৰ, ডেলিভাৰী বয় আৰু বহুতো। কিন্তু মাক-দেউতাকক কেতিয়াও এইবোৰ কথা জানিবলৈ দিয়া নাছিল। দেউতাক লাহে লাহে বেমাৰী হৈ আহিছিল। ঘৰখনৰ খৰচৰ একমাত্ৰ উপায় দোকানখনো চলাব নোৱাৰা হৈছিল। দেউতাকৰ অসুখৰ বাবে দৰব আনিবলৈকো পইচা নাছিল। নীহাৰক দিয়া, থাকিবলৈ দিয়া খৰচৰ বাবেই প্ৰায় নাইকিয়া হৈছিল। বেংকত প্ৰায় খালী হৈ গৈছিল।

হঠাৎ নীহাৰ উচপখাই উঠিল। পাছফালৰ পৰা বিশালে জোকাৰি দিলত চকুপানীৰে তাৰ গাল দুখন তিতা অনুভৱ কৰিলে। শুনিছিল তাৰ ভগা সপোনৰ চিঞৰ। বিশালে বুজিব পাৰিছিল। সি সাবটি ধৰিলে তাক। নিজৰ ভায়েকৰ দৰে মৰম কৰিছিল নীহাৰক। কিন্তু এই পৰিস্থিতিত সিও নিৰ্বাক হৈ ৰৈ আছিল। তাক ক'বলৈও একো শব্দ নাছিল বিশালৰ ওচৰত। কাৰণ সি নিজেও বহু বছৰৰ পৰা মুম্বাইত ষ্ট্ৰাগোলে কৰি আছে কিন্তু সফলতাৰ নামত একো নাই পোৱা।

গোটেই ৰাতি দুয়োটা বিচনাতে বহি থাকিল। চকুত অলপো টোপনি নাই। অৱশেষত নীহাৰে সিদ্ধান্ত ল'লে। গুচি যাব সি। কাৰণ দেউতাকক এই অৱস্থাত সি এনেদৰে অৱহেলা কৰি এৰি দিব নোৱাৰে। বস্তুত কষ্ট হৈছিল তাৰ এই সিদ্ধান্ত লোৱাত। হাৰি গৈছিল সি। যুজাঁৰ সামৰ্থ্য হেৰুৱাই পেলাইছিল।

দুটা দিন পাৰ হৈ গ'ল। সকলো ঠিক ঠাক কৰিলে। মাকক জনালে ঘুৰি যোৱাৰ কথা। শেষৰ দিনা গোটেই দিনটো সি বাহিৰত থাকিলে। মুম্বাইখন অনুভৱ কৰিলে। ৰাতি বিশালৰ লগত কাপোৰ কানি সামৰিছিল। বিশাল সি গুচি যোৱাটো নিবিচাৰিছিল। কাৰণ সি ভালদৰে জানিছিল তাৰ সপোনবোৰৰ কথা। কিন্তু তাক ৰখোৱাৰ সাহস কৰিব পৰা নাছিল সি।

পুৱা ৯ বজাৰ ট্ৰেইন। বিশাল তাৰ লগৰ এটাৰ লগত গৈ নীহাৰক ট্ৰেইন ষ্টেচনত এৰি আহিল গৈ। আৰম্ভ হৈছিল যাত্ৰা। তাৰ মনত পৰিছিল সেই দিনটোলৈ যেতিয়া হাঁহি হাঁহি ওলাই আহিছিল মুম্বাইলৈ কিবা এটা পোৱাৰ আশাত। আৰু আজি? মনত হেৰুৱাৰ বেদনা লৈ যাত্ৰা কৰিছে ঘৰলৈ। মনে মনে সংকল্প কৰিছে আজি সি জীৱনত একো নিবিচৰাৰ। একো আশা নকৰাৰ। একো সপোন নেদেখাৰ...।

❑❑❑

# হেমধৰ মাষ্টৰৰ ডায়েৰী

✍ ফণীধৰ শইকীয়া



আগফালৰ বাৰান্দাৰ আৰামী চকীখনত হাত-ভৰি ধুই সন্ধ্যা হেমধৰ মাষ্টৰ বহাৰ বহুদিনীয়া অভ্যাস। তাতেই গধূলিৰ চাহকাপ খোৱাৰ অভ্যাস। সৰগুৰি মাজগাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ হেড মাষ্টৰ। পিন্ধনত ধক্‌ধকীয়া বগা ধূতি-পাঞ্জাবী। সদায় পৰিষ্কাৰ-পৰিচ্ছন্ন। নিৰহ নিপানী নিৰ্জু স্বভাৱৰ। চাইকেলেৰে স্কুললৈ প্ৰায় ৫ কিঃমিঃ বাট লাই যাই কৰে। তাহানিৰ ৰেলী চাইকেল। দিনটোত কিজানি দুই তিনিবাৰ মোহাৰে। মোহাৰোতে মোহাৰোতে চাইকেলৰ ৰং এৰাই মাৰ্টগাৰ, ফ্ৰেমৰ ৰং তামবৰণীয়া হৈছেগৈ।

পুৱা ন মান বজাতে স্কুললৈ ওলাই যায় যদিও ১০ বজাৰ আগতে স্কুল নাপায়গৈ। অৱশ্যে কাৰণ নথকা নহয়। বাটত গৈ থাকোঁতে ইজন-সিজনক লগ পালে চাইকেলৰ পৰা নামি খবৰ-খাতি, কথা-বাৰ্তা হওঁতে সময়লৈ পাহৰিয়ে যায়। স্কুল ছুটীৰ পিছত ঘৰ পাওঁতে সন্ধ্যাই লাগে।

ঘৰুৱা কাম-কাজত বিশেষ সহায় সহযোগিতা কৰিব নোৱাৰিলেও শিক্ষক হিচাপে ক'ত ল'ৰা-ছোৱালীক শিক্ষা দি মানুহ হিচাপে গঢ় দিয়াত নিজকে আত্মনিয়োগ কৰিলে তাক লৈ গৌৰৱবোধ কৰে। মাষ্টৰী কাৰ্যকাল শেষ হ'বলৈ মাত্ৰ ১মাহ ১০ দিন বাকী।

এইটো বয়সত ইলেকচন ডিউটিলৈ যাব লগা হয়নে? কি কৰিব উপায় নাই। চৰকাৰী আদেশ। কালিলৈ পুৱাতে যাব লাগিব। বেডিং-পত্ৰ সামৰিবলৈ পৰিবাৰক সকিয়ালে। তেওঁ অতীত স্মৃতি ৰোমন্থন কৰাত ব্যস্ত হ'ল। কেনেকৈ পৰিবাৰ সোণাদৈক আপোন কৰি আনিছিল।

সেই সময়ত এতিয়াৰ দৰে স্কুলত ইমান সা-সুবিধা নাছিল। ৰিক্সেচনৰ সময়ত প্ৰায়ে কোনো এঘৰ মানুহৰ ঘৰলৈ গৈ একাপ চাহ খোৱাৰ আশাৰে যায়।

এদিনাখন মাষ্টৰ সেইখন গাঁৱৰে গাঁওবুঢ়াৰ ঘৰলৈ বুলি ওলাই গ'ল। গাঁওবুঢ়াৰ লগত কথা-বতৰা হ'ল। গাঁওবুঢ়াৰ একমাত্ৰ জীয়েক সোণাদৈয়ে চাহ-তামোল যাঁচিলে। প্ৰথম চিনাকী। দুই এটা কথা-বাৰ্তাও হ'ল। সপ্তাহে পযেকে মাষ্টৰ গাঁওবুঢ়াৰ ঘৰলৈ আহ-যাহ চলিল। সেই ছেগতে গাঁওবুঢ়াই কথাটো মাষ্টৰক অৱগত কৰিলে। 'বোলো মাষ্টৰ কথা এযাৰ কওঁ বেয়া নাপাবা। তুমিও হ'লা মাষ্টৰ, মই এইখন গাঁৱৰ গাঁওবুঢ়া। দুয়োৰে সমাজত সন্মান থকা ব্যক্তি। গতিকে আমাৰ ছোৱালীৰ লগত কিবা এটা...। মই মানে বিয়াৰ কথা ক'ব খুজিছো। কেনে হয়? মাষ্টৰ লাজত ৰঙা-চিঙা পৰিল। মই উঠোহে বুলি মাষ্টৰ যাবই বিচাৰিছিল। পিছে তেনেতে দুয়োকে চাহ দিলেহি।

এৰা আজিও মনত আছে বিয়াৰ মধুৰ স্মৃতি। আয়তীসকলে জাউৰিয়ে জাউৰিয়ে বিয়ানাম গাইছিল। ঢোলে দগৰে বিয়াঘৰ ৰজনজনাই গৈছিল। দৰা সাঁজি থৈ দিয়া গৰু গাড়ীত গৈছিল।

গাড়ীখন আমডালি, ফুলৰ মালাৰে আটকধুনীয়াকৈ সজাই পৰাই তোলা হয়। গৰুহালকো গা-পা ধোৱাই তেল-টেঙা ঘঁহি ফোঁট-লগুণ দি সুসজ্জিত কৰা হয়। গৰুৰ ডিঙিত একোটা টিলিঙা আঁৰি দিয়ে। গাড়ীখনৰ তলত এটা লেম্প বান্ধি দিয়ে। গৰু খোজৰ শব্দ আৰু টিলিঙাৰ টিলিং টিলিং শব্দ কৰি গাড়ী আগবাঢ়ে। বৰ্তমান সেয়া কালৰ গতিত যেন হেৰাই যাব ধৰিছে।

কিমান সময় যে এনেকৈ ভাবৰ বিভোৰ হৈ আছিল হেমধৰ মাষ্টৰে গমকে পোৱা নাছিল। পত্নীৰ মাততহে মাষ্টৰৰ চেতনা ঘূৰি আহিল। "বোলো হয়নে, হেৰি শুনিছেনে, ভাত বাঢ়িছো, খাই শুই থাকক সোনকালে।"

পিছদিনা হেমধৰে পুৱাতে বেডিং পত্ৰ লৈ জিলাৰ সদৰ পালেগৈ। তাতে তেওঁলোকৰ দলটোৰ বিষয়াসকল লগ হৈ ভোটগ্ৰহণৰ সা-সামগ্ৰী লৈ ভোটগ্ৰহণ কেন্দ্ৰলৈ গ'ল। সেইখন স্কুলৰ হেডমাষ্টৰ, গাঁওখনৰ গাঁওবুঢ়া আৰু বহুলোক আহি ভোটগ্ৰহণৰ বাবে যোৱা দলটোৰ লগত ভাবৰ বিনিময় হ'ল। অঙ্গনবাদী সহায়িকাই চাহেৰে দলটোক আপ্যায়ণ কৰিলে।

ৰাতি কোনো এঘৰত ভাতৰ যোগাৰ হ'ল। এনেদৰে লগ হৈ থকা-খোৱাটোৰ এটা সুকীয়া আমেজ আছে। ৰাতি শুৱাৰ আগতেই নিজৰ নিজৰ কামৰ দায়িত্ব ঠিক কৰি ল'লে।

পোহৰ হোৱাৰ আগতেই মাষ্টৰে বেডিং পত্ৰ সামৰি ল'লে। প্ৰাতঃ কামফেৰা কৰিবলৈ মুকলি পথাৰলৈকে গ'ল। গা-পা ধুই আহৰি হৈ ল'লে।

নিৰ্দিষ্ট সময়ত ভোটদান প্ৰক্ৰিয়া আৰম্ভ হ'ল। পুৱাৰে পৰা ভোটাৰৰ দীঘলীয়া শাৰী। নহ'বনো কিয়? বৰ্তমান সময়ত ভোটাৰসকল যথেষ্ট সজাগ আৰু সচেতন। জীয়ৰী-বোৱাৰী, ডেকা-বুঢ়া, আবাল-বনিতাসকলো আহিছে। এক উৎসৱমুখৰ পৰিৱেশ। সুস্থ পৰিৱেশ।



সময় আছিল তেতিয়া ৩ বাজি ১০ মিনিট। অন্য মহিলাসকলৰ শাৰীৰ মাজত দেখা গ'ল এগৰাকী ৩৫-৪০ বয়সীয়া মহিলা। দেখাত চাহ জনগোষ্ঠীৰ যেন লাগে। খোজৰ বিসংগতি। মহিলা গৰাকী ওচৰ পাওঁতে ভেকেত কৰে গোন্ধ এটা ভাঁহি আহিল।
বোধকৰো তেওঁ সাজপানী গলাকৰণ কৰি আহিছে।

ভোটদানৰ বাবে ভোটিং মেচিনৰ ফালে আগুৱাই আহিল। মেছিনত জ্বলি থকা সৰু সেউজীয়া লাইটোত টিপি আছে। এনেদৰে প্ৰায় তিনি মিনিটমান সময় নষ্ট কৰিলে। সকলোৰে উৎকণ্ঠা। কাৰণ তেতিয়াও ভোটাৰৰ দীঘলীয়া শাৰী। উপায় নাপায় ওচৰতে বহি থকা হেমধৰ মাষ্টৰে মহিলাগৰাকীক উদ্দেশ্যি ক'লে— সেউজীয়া বুটামটা দেখছি কি নাই দেখচি?

— মহিলা গৰাকীয়ে উত্তৰ দিলে— 'হা দেখছি - দেখছি।

— মাষ্টৰে পুনৰ ক'লে— সেইটো ঘিচ্ দে।

— চেকেণ্ড পুলিং বিষয়া বৰাই হেমধৰ মাষ্টৰৰ কাণৰ ওচৰত ফুচফুচাই সুধিলে— কি ঘিচ দে?

— মাষ্টৰে বৰাক ক'লে, 'এ আপুনি সেইটো নুবুজিব'।

— মহলাগৰাকীৰ আঙুলি ডাঙৰ সেউজীয়া বুটামত পৰাত ইলেকট্ৰনিক ভোটিং মেছিনটো শব্দ কৰি বাজি উঠিল। আৰু মহিলাগৰাকী ধুপুচকৈ মাটিত পৰি গ'ল।

প্ৰিজাইদিং বিষয়াই ক'লে— হাজৰিকা ধৰক ধৰক।

হেমধৰ মাষ্টৰে ইতঃস্তত বোধ কৰি মহিলাগৰাকীক উঠাত সহায় কৰি দিলে।

— মহিলা গৰাকী পৰাৰ পৰা উঠিয়েই ক'লে— 'হাৰমনিয়ামটা বাজাই গৈলে যে...।

— হেমধৰ মাষ্টৰে মনতে ভোৰভোৰালে— বাপেৰৰ মূৰটো বাজি গ'ল।

ভোটগ্ৰহণ সুচাৰুৰূপে হৈ যোৱাত সকলোৱে স্বস্তিৰ নিশ্বাস পেলালে।

□□□

# গোলাঘাট কৰ্মাচ কলেজৰ আলোচনী সম্পাদকৰ সৈতে সাহিত্য অকাডেমিৰ শিশু সাহিত্য বঁটা বিজয়ী স্বামিম নাছৰিনৰ সাক্ষাৎকাৰ

সম্পাদক : নমস্কাৰ বাইদেউ।

স্বামিম নাছৰিন : নমস্কাৰ।

সম্পাদক : পোনপ্ৰথমে আপোনাক গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে আপোনাৰ দীৰ্ঘায়ু কামনা কৰিছোঁ।

স্বামিম নাছৰিন : ধন্যবাদ।

সম্পাদক : সাহিত্য অকাডেমিৰ পৰা আপোনালৈ ২০১৯ বৰ্ষৰ শিশু সাহিত্য বঁটা প্ৰদান কৰা হৈছে। আপোনাৰ এই সফলতাৰ অন্তৰেৰে শলাগ লৈছোঁ। আপোনাৰ এই সফলতাৰ আৰম্ভণিৰ যাত্ৰাটোৰ বিষয়ে সবিশেষ জনাব নেকি?

স্বামিম নাছৰিন : মই ভাবোঁ সাহিত্য অকাডেমিয়ে ২০১৯ বৰ্ষৰ শিশু সাহিত্য বঁটা প্ৰদান কৰাৰ জৰিয়তে এক স্বীকৃতি প্ৰদান কৰিছে। শিশু-কিশোৰৰ বাবে মই যে লিখিব পাৰিম বা অন্য কথাত ক'বলৈ গ'লে লিখিব লাগে সেইটো দিশত অনুপ্ৰেৰণা যোগাইছে। এটা ট্ৰিক মাৰ্ক দি দিছে। দৰাচলতে মোৰ স্কুলীয়া জীৱনতেই মই পদ্য লিখিবলৈ আৰম্ভ কৰিছিলোঁ। বিদায়ী শিক্ষকসকলৰ সম্বৰ্ধনা পত্ৰ, দুই-এটা গল্প হাইস্কুলীয়া পৰ্বটোতে লিখিছিলোঁ। কটন কটন কলেজত পঢ়িবলৈ লোৱাৰ পাছতে বিশেষকৈ কবিতা লিখিবলৈ ল'লো। কটন কলেজৰ আবাসসমূহৰ মাজত হোৱা এটা গল্প প্ৰতিযোগিতাত গল্প এটা লিখি দ্বিতীয় পুৰস্কাৰ পাইছিলোঁ। সেই গল্পটোৰ নাম 'অৱতাৰ'। আৰু তাৰ নায়কজন আছিল ৰাম নামৰ সৰু ল'ৰা এটা। পৰৱৰ্তী সময়ত আকাশবাণীৰ 'যুৱবাণী' অনুষ্ঠানত পঢ়িবলৈ দুই

চাৰিটা গল্প লিখিছিলোঁ। কিন্তু ১৯৯৭ চনত জে.বি.কলেজত মোৰ নতুন কৰ্মজীৱনৰ আৰম্ভণিতে 'মৌচাক' নামৰ শিশু আলোচনীখনৰ লগত চিনাকি হোৱা আৰু গল্প লিখিবলৈ আৰম্ভ কৰাটোৱেই টাৰ্ণিং পইণ্ট বুলিব পাৰি। মৌচাকত লিখা 'মিলিৰ কৰৱীজোপা' নামৰ গল্পটোৰ পাছত আৰু থমকি ৰোৱা নাই। 'মৌচাক'ৰ সম্পাদক শ্ৰদ্ধাৰ শ্ৰীযুত শান্তনু তামুলীদা (মৌচাক মামা)-ই নিজৰ কুশলী সম্পাদকীয় তাগিদা আৰু অনুপ্ৰেৰণাৰে মিলিৰ প্ৰায় ত্ৰিছটাৰো অধিক গল্প বিৰামহীনভাৱে লিখিবলৈ বাধ্য কৰিছিল। মোৰ 'মিলি, অমিয়া আৰু এখন নদী' নামেৰে গ্ৰন্থখন নেপথ্যত মৌচাক মামাৰ লগতে শিশু সাহিত্যৰ মোল বুজা দায়িত্বশীল প্ৰকাশন গোষ্ঠী 'পুথিতীৰ্থ'ৰ স্বত্বাধিকাৰ শ্ৰদ্ধাৰ ক্ষীৰোদ কুমাৰ গোস্বামীদেৱৰ অনুপ্ৰেৰণাৰ কথা বিশেষভাৱে উল্লেখ কৰিব লাগিব। এইখিনিতে উল্লেখযোগ্য যে মিলি নামৰ সেই ছোৱালীজনীৰ পঞ্চমমান শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈকে বিভিন্ন পৰ্ব আৰু ঘটনাৰ কথাই গল্পবিলাকত ক'বলৈ যত্ন কৰা হৈছে। দৰাচলতে 'মিলি' আত্মজৈৱনিক চৰিত্ৰ। তাই পঢ়া স্কুলখন, পূজনীয় শিক্ষাগুৰুসকল, সহপাঠীসকল, খেলপথাৰ, গছ-বন, চৰাই-চিৰিকটি, মা-বাবা, আত্মীয় পৰিজন— এই সকলোকে তাইৰ গল্পৰ মাজলৈ লৈ আনিছে। পৰিপূৰ্ণ সময়ৰ বাটত আগবঢ়াই দিয়া সকলোলৈকে তাই কৃতজ্ঞতা জনাব বিচাৰিছে।

সম্পাদক : সাম্প্ৰতিক প্ৰেক্ষাপটত শিশুসকলৰ সৰ্বাংগীন বিকাশৰ বাবে সাহিত্যৰ ক্ষেত্ৰত কেনেধৰণৰ বিষয়বস্তুৰ প্ৰয়োজনীয়তা আহি পৰিছে বুলি আপুনি ভাবে?

স্বামিম নাছৰিন : সাম্প্ৰতিক প্ৰেক্ষাপট বুলি ক'লে আমাৰ চৌপাশৰ সমাজ জীৱন, সৰ্বোপৰি জাতীয় জীৱনলৈ অহা সকলোধৰণৰ পৰিৱৰ্তন, প্ৰত্যাহ্বান, সম্ভাৱনাৰ কথাই ছাগে ক'ব বিচৰা হৈছে। এই প্ৰেক্ষাপটত শিশু সাহিত্যৰ কথা ক'বলৈ গ'লে বিশেষকৈ শিশু সাহিত্যৰ বাবে প্ৰয়োজনীয় বিষয়বস্তুৰ কথা ক'বলৈ হ'লে এইটোৱেই ক'ব বিচাৰিম যে, বাস্তৱ জীৱনৰ সকলোধৰণৰ বিষয়েই শিশু সাহিত্যই সামৰিব পাৰে। সমাজ জীৱনৰ সৈতে জড়িত এনে কোনো প্ৰসংগ নাই বা থাকিব নোৱাৰে যিবোৰ শিশুসকলৰ পৰা, শিশু সাহিত্যৰ পৰা আঁতৰাই থ'ব লাগিব। কেৱল মন কৰিবলগীয়া যে সেয়া শিশু মনৰ উপযোগীকৈ, শিশু মনক আলোড়িত কৰিব পৰাকৈ, ভাব-কল্পনাৰ নতুনত্ব আৰু আকৰ্ষণীয়ভাৱে উপস্থাপন কৰিব লাগিব।

সম্পাদক : আপোনাৰ মতে বৰ্তমান সাহিত্যৰ বিকাশ কিদৰে ঘটিছে? আৰু সাহিত্যৰ ক্ষেত্ৰত

গোলকীকৰণে কেনেধৰণৰ প্ৰভাৱ পেলাইছে?

স্বামিম নাছৰিন ঃ এই প্ৰশ্নটোৰ নিশ্চয় সাধাৰণভাৱে অসমীয়া সাহিত্যৰ বৰ্তমানৰ স্থিতিৰ বিষয়ে আমাৰ মত বিচৰা হৈছে। সাম্প্ৰতিক প্ৰেক্ষাপটত সাহিত্যৰ বিকাশ দুই ধৰণে ঘটিছে বুলি ক'ব পাৰি। সেয়া হৈছ, সংখ্যাগত বা পৰিমাণগত আৰু মানগত বিকাশ। সংখ্যাগত বিকাশৰ ক্ষেত্ৰত ক'ব পাৰি যে বুজন পৰিমাণৰ সাহিত্য সৃষ্টি হৈছে আৰু বিভিন্ন ৰূপত তাৰ প্ৰকাশ হৈছে। মানগত বিকাশৰ ক্ষেত্ৰত দেখা যায় যে বৈচিত্ৰ্যপূৰ্ণ স্বাদৰ সাহিত্যৰ সৃষ্টি হৈছে। গোলকীকৰণৰ প্ৰভাৱতেই হওক বা আন কাৰণতেই হওক আমাৰ সাহিত্যক এতিয়া আঞ্চলিক বা দেশীয় প্ৰেক্ষাপটত নহয় বৰঞ্চ আন্তৰ্জাতিক প্ৰেক্ষাপটৰ সৈতে তুলনা কৰি চাব বিচৰা হৈছে আৰু আনন্দৰ কথাযে বহুসংখ্যক সাহিত্যিক আৰু তেওঁলোকৰ সাহিত্যকৰ্মই এই বিচাৰত সফলতাৰে সৈতে উত্তীৰ্ণ হৈছে।

সম্পাদক ঃ নাৰীসকলে নিজকে সবল কৰাৰ লগতে সমাজৰ উত্তৰণৰ বাবে সাহিত্যিক এক মাধ্যম হিচাপে লৈ আগুৱাই যাব পাৰে নেকি? এগৰাকী নাৰী হিচাপে আপুনি কেনেধৰণৰ মতামত আগবঢ়াব।

স্বামিম নাছৰিন ঃ নিশ্চয় পাৰে। তাৰ উদাহৰণো ইতিহাসৰ পাতত অলেখ আছে। পদ্মাৱতী দেৱী ফুকননীৰ পৰা এতিয়া নতুন প্ৰজন্মৰ প্ৰাৰ্থনা শইকীয়ালৈকে আমি অজস্ৰ নাম ল'ব পাৰোঁ। লিখনিৰ জৰিয়তে নিজকে সবল আৰু সমাজ উত্তৰণৰ বিভিন্ন পৰ্বত দেশে-দেশে, কালে-কালে নাৰীয়ে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছে।

সম্পাদক ঃ সাহিত্যৰ মনোৰম পথাৰখনত পদাপৰ্ণ কৰাৰ পৰা বৰ্তমানলৈকে আপোনাৰ যি চিৰস্মৰণীয় অভিজ্ঞতা সেই বিষয়ে জনাব নেকি?

স্বামিম নাছৰিন ঃ সাহিত্যৰ মনোৰম জগতখনত মই লেখক আৰু অনুৰাগী পাঠক দুয়োটা ভূমিকাতে লভা অভিজ্ঞতা অতি মনোৰম, চিত্তাকৰ্ষক, আহ্লাদক আৰু জীৱনদায়িনী। মোৰ এই নিচেই সাধাৰণ জীৱনটোত যিবা লিখিছোঁ তাৰ বাবে কিছু পৰিমাণে স্বীকৃতিও লাভ কৰিছোঁ। তাৰ মাজত সাহিত্য একাডেমিৰ স্বীকৃতি মোৰ কাৰণে অৱশ্যেই বিশেষ প্ৰেৰণাদায়ক। আনহাতে শিশুৰ কাৰণে গল্প লিখোঁতে অজস্ৰ অনুৰাগী পাঠকৰ লগত বিভিন্ন সময়ত মুখামুখী হৈছোঁ। বিশেষকৈ জে.বি.কলেজত কোনোবাটো শ্ৰেণীৰ শেষত, কলেজৰ গেটত বা কেণ্টিনত হঠাৎ দুই-চাৰি ল'ৰা-ছোৱালীয়ে চুচুক-চামাক কৰি আহি যেতিয়া মিলিৰ গল্প পঢ়ি বৰ ভাল পায় বুলি জনায়হি বৰ ভাল লাগে। সেই আনন্দ

কেতিয়াও বিভিন্ন বাতৰি কাকত বা আলোচনীত মই লিখা অন্য গদ্যলেখাৰ পৰা প পোৱা পাঠকৰ সঁহাৰিৰ লগত তুলনা কৰিব নোৱাৰি। অৱশ্যেই এই ক্ষেত্ৰত ব্যতিক্ৰ নোহোৱা নহয়। বিশেষকৈ কলেজীয়া ছাত্ৰ-ছাত্ৰীসকলৰ চাহিদাৰ বাবে তেওঁলোকৰ বিভিন্ন ভাবনা আৰু সমস্যাকলৈ লিখা নাটক আৰু তাৰ মঞ্চায়ন পৰ্বৰ অভিজ্ঞতাৰ আস্বাদ সম্বপূৰ্ণ সুকীয়া। মোৰ জীৱনৰ কিছু সোণসেৰীয়া সময় এই নাট্যচৰ্চাৰ পৰ্বৰ লগত সাঙোৰ খাই আছে। অচ্ছেদ্য বন্ধনত বান্ধ খাই আছে। সাহিত্যৰ অনুৰাগী পাঠ হিচাপে মোৰ মনাকাশ আলোকিত কৰি ৰখা দেশী-বিদেশী গ্ৰন্থ সম্ভাৰৰ বাচকবনীয় পঠন অভিজ্ঞতাও মোৰ জীৱনৰ চালিকা শক্তি। নজহা নপমা স্মৃতি।

সম্পাদক : সাহিত্য চৰ্চাৰ ক্ষেত্ৰত আপোনাৰ আগন্তুক পৰিকল্পনা কি?

স্বামিম নাছৰিন : এটি মহাকাব্যিক শিশু চৰিত্ৰৰ অনুসন্ধান। জীৱন, জগত, সময়ৰ ঘাত-প্ৰতিঘাতৰ মাজে এটি শিশু চৰিত্ৰই কিদৰে জীৱনক আৱৰি-সামৰি, গ্ৰহণ-বৰ্জন, বোধ-বিশ্বাস, খলা-বমাত চালি-জাৰি, সজাই-পৰাই লয় তাৰেই এক আন্তৰিক অন্বেষণ পৰ্বৰ মাজেৰে লেখাৰ প্ৰচেষ্টা আগবাঢ়িছে। অৱশ্যেই এখন উপন্যাস বুলি সহজকৈ কৈ থ'ব পাৰি।

সম্পাদক : আজিৰ যুৱপ্ৰজন্ম সাহিত্যৰ ক্ষেত্ৰত কিমানদূৰ আগবঢ়া বুলি আপুনি ভাৱে? নৱপ্ৰজন্ম মাজত সাহিত্য চৰ্চাৰ প্ৰতি সজাগতা বৃদ্ধিৰ বাবে আপুনি কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে বুলি ভাবে?

স্বামিম নাছৰিন : বৰ্তমান অসমীয়া সাহিত্যত যুৱ প্ৰজন্মৰ লেখকেই সৰহ বুলি অনায়াসে ক'ব পাৰি। কেৱল সংখ্যাৰ ফালৰ পৰাই নহয় গুণগত দিশতো তেওঁলোকৰ অৱদান উল্লেখযোগ্য কবিতা, গল্প, উপন্যাস, প্ৰবন্ধ, সমালোচনা এই কেউটা দিশতে যুৱ প্ৰজন্মৰ লেখকসকলে উল্লেখযোগ্য কাম কৰিছে। পৰীক্ষা-নিৰীক্ষা আৰু নতুন ধাৰা প্ৰৱৰ্তন (Trend set) কৰিছে বুলি ক'ব পাৰি। কেৱল এই ক্ষেত্ৰত নতুন প্ৰজন্মৰ লেখকসকলক ক'ব বিচাৰোঁ যে তেওঁলোকে শিশু সাহিত্যৰ চৰ্চাতো মনোনিৱেশ কৰিব পাৰে। তেওঁলোকে নিজে পাৰ কৰি অহা সময় পৰ্বৰ (শৈশৱ-কৈশোৰ) অভিজ্ঞতা সুন্দৰভাৱে, অনায়াসে লিপিবদ্ধ কৰিব পাৰে।

সম্পাদক : সাহিত্য চৰ্চাৰ উপৰিও আন কি কি ক্ষেত্ৰত নিজকে নিয়োজিত কৰি ভাল পায় আপুনি?

স্বামিম নাছৰিন : সাহিত্য চৰ্চাৰ উপৰিও গজল শুনি, ছবি চাই, ফুলনিবাৰী পাতি, বিশেষকৈ প্ৰকৃতিৰ লগত সময় কটাই ভালপাওঁ। ল'ৰা-ছোৱালীৰ লগত কথা পাতি ভাল পাওঁ।

তেওঁলোকেই মোৰ জীৱনটোক আটোমটোকাৰিকৈ সজাই পৰাই ৰাখিছে। এন.জি.অ'. এটাৰ লগত জড়িত হৈ আছোঁ। কলেজত এন.এছ.এছ.ৰ লগত জড়িত কাম-কাজবোৰ কৰি ভাল পাওঁ। 'বাটৰ নাট'ৰ জৰিয়তে মানুহৰ সৰ্বাত্মক মংগল আৰু পৃথিৱীখনৰ কাৰণে কৰণীয় কিছু কামৰ কথা ক'ব পাৰিলে কৃতাৰ্থ বোধ কৰোঁ।

সম্পাদক ঃ শিশু সাহিত্য বঁটা গ্ৰহণ কৰাৰ সময়ত আপোনাৰ অনুভৱ যদি এশাৰী বাক্যত জানিব বিচাৰোঁ, তেতিয়া বাক্যশাৰী কি হ'ব?

স্বামিম নাছৰিন ঃ নিচেই সাধাৰণৰ এই জীৱনটোত শিশু সাহিত্যৰ বাবে অকাডেমি বঁটা লাভ কৰাৰ এই পৰ্বত কৃতজ্ঞতা প্ৰকাশৰ কোনো ভাষা নাই— হে সময়, মই কৃতজ্ঞ, মই কৃতাৰ্থ।

সম্পাদক ঃ সাহিত্যৰ অনুপ্ৰেৰণা আৰু কৰ্মোদ্যমৰ প্ৰতিমূৰ্তি হিচাপে আপোনাৰ আদৰ্শ ব্যক্তিগৰাকী কোন?

স্বামিম নাছৰিন ঃ মোৰ মা।

সম্পাদক ঃ আপোনাক বহুমূলীয়া সময়কণ আমাক দিয়াৰ বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। আপোনাৰ এই সাহিত্যচৰ্চা অব্যাহত থাকক। আৰু অধিক শক্তিৰে উজ্জীৱিত হৈ বাস্তৱ সমাজৰ এখন সফল প্ৰতিচ্ছবি হিচাপে প্ৰতিফলিত হওঁক। তাৰেই কামনা কৰিছোঁ। গোলাঘাট বাণিজ্য মহাবিদ্যালয় পৰিয়ালৰ হৈ পুনৰ এবাৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

স্বামিম নাছৰিন ঃ ধন্যবাদ। তোমাৰ জৰিয়তে মই গোলাঘাট বাণিজ্য মহাবিদ্যালয় পৰিয়ালৰ সমূহ সদস্য (অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী) লৈ মোৰ শ্ৰদ্ধা আৰু শুভকামনা জনাইছোঁ। গোলাঘাট চহৰখনৰ এক সুকীয়া ঐতিহ্য আৰু সামাজিক-সাংস্কৃতিক-বৌদ্ধিক বৈশিষ্ট্য আছে। তোমালোকৰ মহাবিদ্যালয়খনেও এই ক্ষেত্ৰত উল্লেখযোগ্য অৰিহণা আগবঢ়াই অহাৰ কথা জানো। মানুহৰ সৰ্বাত্মক কল্যাণ সাধনৰ বাটত এই যাত্ৰা অব্যাহত হৈ থাকক সেয়াই কামনা কৰিছোঁ।

□□□



# সাম্প্ৰতিক সময়ত নাৰী স্বাধীনতাৰ প্ৰশ্ন

✍ মাধুৰ্য্য কলিতা

মানৱ সমাজৰ মূল চালিকাশক্তি হৈছে নাৰী, নাৰীৰ অবিহনে মানৱ জাতিৰ অস্তিত্ব কল্পনাই কৰিব নোৱাৰি। দেশ এখনৰ উন্নয়নত নাৰীয়ে অগ্ৰণী ভূমিকা লয়। কিন্তু সাম্প্ৰতিক সমাজত নাৰী কিমান সুৰক্ষিত? বৰ্তমান সময়ত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যথেষ্ট প্ৰসাৰ হৈছে। সমাজত শিক্ষিত শ্ৰেণীৰ সংখ্যা বাঢ়ি আহিছে। সমাজত যদিও শিক্ষিত শ্ৰেণীৰ সংখ্যা বাঢ়িছে

তথাপিও সমাজখন কিমান সংযম হৈছে। নাৰী কিমান সুৰক্ষিত হৈছে? তাক লৈ প্ৰশ্ন উঠে।

ভাৰতৰ দৰে উন্নয়নশীল দেশ এখনৰ নাৰী কথাকে ক'ব পাৰি। ভাৰতবৰ্ষই ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতা লাভ কৰিছিল। স্বাধীনতাই প্ৰতিজন ভাৰতীয় নাগৰিকৰ আত্মসন্মান সহকাৰে জীয়াই থকাৰ প্ৰতিশ্ৰুতি দিছিল । ভাৰতৰ মুঠ নাগৰিকৰ বেছি সংখ্যকেই মহিলা । কিন্তু ভাৰতৰ নাৰীয়ে আত্ম সন্মান সহকাৰে জীৱন যাপন কৰিবলৈ বৰ্তমান সুবিধা পাইছেনে?

প্ৰায় ১০০ ভাগৰ ৭০ ভাগ নাৰীয়েই ভাৰতবৰ্ষত শংকাত জীৱন যাপন কৰিব লগা হয়। আত্মসন্মান সহকাৰে স্বাধীনভাৱে জীয়াই থকাৰ অধিকাৰ ভাৰতীয় সমাজতো এতিয়ালৈকে নাৰীক প্ৰদান কৰা ৭৫ বছৰ ভাৰতত সুৰক্ষাৰ বাবে ভাৰতৰ চৰকাৰে অসংখ্য আইন প্ৰণয়ন আৰু বলবৎ কৰিছে । এই সমূহে ভাৰতৰ নাৰীক ১৯৪৭ চনৰ অৱস্থাৰ পৰা যথেষ্ট আগুৱাই আনিছে। সমাজৰ বিভিন্ন ক্ষেত্ৰত আজি নাৰীয়ে স্থান পাইছে। বিভিন্ন দেশত বুৎপত্তি প্ৰদৰ্শন কৰিছে। কিন্তু, গৰিষ্ঠ সংখ্যক নাৰী আজিও পৰম্পৰাগত ধাৰণাৰ স্বীকাৰ হৈ ৰৈছে। মহিলাৰ ওপৰত কৰা যৌন নিৰ্যাতন, ডাইনী বুলি হত্যা কৰা ধৰ্ষণ, মানসিক অশান্তি এইবোৰ বৰ্তমান নাৰী স্বাধীনতাৰ প্ৰধান প্ৰতিবন্ধক হৈ পৰিছে।

বৰ্তমান সময়ত নাৰীৰ প্ৰতি কৰা এই ব্যৱহাৰ এক ভয়াৱহ ৰূপ ধাৰণ কৰিছে। নাৰীয়ে স্বাধীনভাৱে পুৰুষৰ সমানে ভ্ৰমণ, সাজ-পোছাক, বোৱা- লোৱা কৰিবলৈ জটিল হৈ পৰিছে। নাৰীক কৰা এই ব্যৱহাৰে অনাগত দিনত এটা ভয়াৱহ ৰূপ ধাৰণ কৰাৰ সম্ভাৱনা অধিক কৰি তুলিছে।

□□□



# FRIENDSHIP FUN

Bishal Sarkar
H.S. 1st Yr.



Friendship is an important part of life. It is one of the strong, sensitive, delicate and guiding relationships of life. Friendship is about having wonderful moments with friends, sharing opinions, dreams, ideas, thought, problems etc. which we might not be able to share with anyone else. There are friends we hang out with, we shop with or

those we head to the movies with. But despite having many friends, having a best friend is a huge bonus in life. As we are able to make friends, have fun with them we should also be able to trust them because trust is the strongest element in any relation. We should know how to maintain this valueable jewel of life. Someone said that "Making friends is one thing, but maintaining a good friendship is a matter of great importance and commitment." Our friends are our guides in life as our parents.



However, friendship is very delicate and sensitive bond. It is like planting a seed and nurturing it to see it blossom. Vices like arrogance and vanity is harmful to a friendship. Good friends will be with you to share good times and stand by you to help you overcome the hard ones. They are sincere and make incredible sacrifices without personal motives. They love you because they choose to, not because they should.

Remember, when we respect our friends and treat them as we would like to be treated, we will always be rewarded with a trustworthy and everlasting companionship.

❑❑❑

# FINDING HER VOICE : An Acid Attack Victim Fights Back



✍ **Bibek Tanti**
B.Com. 6th Semester

An Acid attack, also called acid throwing vitriol attack is a form of violent assault in the act of throwing acid on the body of another," with the intention to disfigure, maim, torture or kill." Perpetrators of these attacks throw corrosive liquids at their victims, usually at their faces, burning them and damaging skin tissue often

exposing and sometimes dissolving the bones. Acid attacks can often lead to permanent blindness. Laxmi Agarwal is the first Indian acid attack survivor, a campaigner for rights of acid attack victims and TV host.

Agarwal was attacked in 2005 at the age of 16, after rebuffing romantic advances of an acquaintance. She has since established grassroot campaigns for tackling the surge of acid attacks. One of her petitions has led to the Supreme Court to order the Central and State government to regulate the sale of acid and the parliament to enable easier prosecutions of Acid attack perpetrators. She was the former director of Chhanu Foundation, an NGO dedicated to help the acid attack survivors in India.

In 2019, she was conferred with the International Women Empowerment award from the Ministry of Women and Child Development, the Ministry of Drinking Water and Sanitation, and UNICEF for her campaign of " Stop Sale of Acid". In 2014, she was conferred with the International Women of courage award by first lady Michelle Obama.

The movie 'Chhapaak' is based on her life on how to survive as she did.

❑❑❑






# নাগৰিকত্ব সংশোধনী বিধেয়ক-২০১৬

✍ ৰাজশ্ৰী শইকীয়া

নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬ হ'ল ১৯৫৫ চনৰ নাগৰিকত্ব আইনৰ সংশোধনী এক বিধেয়ক। এই বিধেয়কখন ২০১৬ চনৰ ১৯ জুলাইত প্ৰথম উত্থাপন কৰা হৈছিল। এই বিধেয়কখনৰ জৰিয়তে আফগানিস্তান, বাংলাদেশ আৰু পাকিস্তানৰ কিছু সংখ্যালঘু জাতিৰ অবৈধ অনুপ্ৰেৱেশকাৰীক ভাৰতীয় নাগৰিকত্ব দিব বিচৰা হৈছে।

কোনো বিদেশী নাগৰিকে ভাৰতত বাস কৰা[ৰ] সময়সীমা ১১ বছৰ হ'লেহে পূৰ্বতে ভাৰতীয় নাগৰিকত্বৰ বাবে আবেদন কৰিব পাৰে। কিন্তু এই বিধেয়কখনৰ জৰিয়তে এই নিয়ম সলনি কৰি ইয়াৰ সময়সীমা ৬ বছৰ কৰিব বিচৰা হৈছে।

নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬ হ'ল ১৯৫৫ চনৰ নাগৰিকত্ব আইনৰ সংশোধনী এক

বিধেয়ক। এই বিধেয়ক খনৰ দ্বাৰা ইছলামধৰ্মী লোকসকলৰ বাদে হিন্দু, বৌদ্ধ, শিখ, জৈন, পাৰ্চী আৰু খ্ৰীষ্টানধৰ্মীয় লোকক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰিব বিচৰা হৈছে। ইছলাম ধৰ্মৰ লোকসকলক এই আইনখনৰ অন্তভুৰ্ক্ত কৰা হোৱা নাই বাবে ধৰ্মক ভাৰতীয় নাগৰিকত্ব লাভ কৰাৰ ক্ষেত্ৰত এক প্ৰমুখ মানদণ্ডৰ হিচাপে ব্যৱহাৰ কৰা হৈছে।

এই আইনখন গৃহীত হোৱাৰ ফলত ভাৰতত দেশজুৰি প্ৰতিবাদ সাব্যস্ত হৈছে। বিধেয়কখন আইনলৈ পৰিণত হোৱাৰ পূৰ্বে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায়কেইখন ৰাজ্যতে এই আইনৰ প্ৰতিবাদ সাব্যস্ত হৈছিল। বিধেয়কখনৰ বিৰোধিতা কৰাৰ মূল কাৰণ হৈছে বিদেশী শৰণাৰ্থীক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰিলে খিলঞ্জীয়া লোকসকলে তেওঁলোকৰ ৰাজনৈতিক অধিকাৰ ভাষা-সংস্কৃতি, ভূমিৰ অধিকাৰ হেৰুৱাই পোলোৱাৰ লগতে বাংলাদেশৰ পৰা অবৈধ অনুপ্ৰৱেশকাৰীক উদগণি যোগাব। ভাৰতৰ আন প্ৰান্তত এই আইনখনৰ (বিৰোধিতা কৰাৰ) প্ৰতিবাদৰ মূল কাৰণ হ'ল- ইছলামধৰ্মীয় শৰণাৰ্থীসকলৰ বিৰুদ্ধে কৰা বৈষ্যমতা।

অৱশেষত ২০১৯ চনৰ ডিচেম্বৰত বি.জে.পি চৰকাৰৰ নেতৃত্বাধীন ভাৰত চৰকাৰে সংসদত ১২৫ টা ভোটৰ সংখ্যাগৰিষ্ঠতা লাভ কৰি বিধেয়কখন আইনলৈ ৰূপান্তৰিত হয়। কিন্তু এই আইনখন উত্তৰ-পূব তথা ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য সমূহত দেখা দিয়া প্ৰবল প্ৰতিবাদৰ ফলশ্ৰুতিত বাতিল হ'ল।

❑❑❑



# DREAM : STEPPING STONE TO SUCCESS

✍ Priyambada Chutia
B.A. 1st Semester



"You have to dream
before your dreams can come true"

These were the words of Dr. Abdul Kalam and his advice to the younger generation. He wanted all of us to dream of a better of a better life and a better future. He wanted us to understand the importance of dreaming and dreams here imply those dreams that we visualize when we are awake these are the dreams that don't let us sleep. These are the dreams that inspire us to navigate the road to success.

Success doesn't happen just because we want it. We need to see it happening again and again. We need to remind ourself that we need to shift to a complete different place, mentally, physically and spiritually within a specific period of time. Everyday we need to take time to visualize, our sucess and replay it in our mind over and over. Visualizing our viotories is crucial because if we cannot see it, its not going to happen. That is why we need to start believing in our potential, visualise our goal and march on the right track. The more we visualise sucess, the more we will be motivated to take action to implement our goals. Eventually everything will fall into place and we would able to taste success. Success can be turned into reality provided we dream and strive hard to achieve it.

❑❑❑

# RIDDLES

Rohit Sahu
H.S. 2nd Yr.

1. What comes in a minute, twice in a moment and never in a thousand years?
   – The letter M
2. What is easy to get into, but hard to get out of?
   – Trouble
3. What do you throw out when you want to use it, and take it when you don't ?
   – An Anchor
4. What is as light as a feather, but even the world's strongest person couldn't hold
   it for more than a couple of minutes ?
   – Breath.
5. What gets wetter as it dries ?
   – A Towel
6. What belongs to you but it is used most by other people?
   – Your name.
7. What type of room has no windows or door?
   – A Mushroom
8. What has two hands, a round face, always runs, but stays in place?
   – A Clock.

□□□

# TIME TO LAUGH

✍ **Rohit Sahu**
H.S. 2nd Year

1. How do you cool your calculator when its hot ?
   – You press the AC button.
2. Why do plants hate math?
   – It gives them square roots.
3. Why was the stadium so cold ?
   – Because there were a lot of fans.
4. What are the strongest days of the week?
   – Saturday and Sunday, the rest are week days.
5. Why do shoe makers go to heaven?
   –Because they have good soles.
6. What do you call a cow in an Earthquake?
   – A Milkshake.
7. Can February March ?
   –No, but April May.
8. My mom told me to follow my dreams,
   – So I went back to sleep.
9. Why did the Physics teacher breakup with the Biology teacher ?
   – Because they had no chemistry.
10. Did you hear about the guy whose left side was cut off ?
    – He is all right now.



❑❑❑



# কৌতুক

✍প্ৰণামী কাশ্যপ দাস
প্ৰথম যান্মাষিক

গ্ৰাহক : ভাল আঁঠুৰা আছেনে ?
দোকানী : আছে। আমাৰ আঁঠুৰাৰ ভিতৰত মহ সোমাৰ নোৱাৰে।
গ্ৰাহক : আপোনাৰ আঁঠুৰা মোক নালাগে।
দোকানী : কিয় ?
গ্ৰাহক : আঁঠুৰাৰ ভিতৰত যদি মহেই সোমাব নোৱাৰে মই কেনেকৈ সোমাম।

□□□

ছন্দ শিল্প

# সংঘাতময় জীৱন

✍ মনোজ শইকীয়া
স্নাতক ষষ্ঠ যান্মাসিক



মোৰ সংঘাতময় জীৱন
সেই দিন আছিল মৰ্মান্তিক
মানৱ সভ্যতা গঢ়ি গঢ়ি হতাশ হোৱা
এটি কোমল মনৰ
ব্যাকুল হাহাকাৰ।

সিহঁতৰ তাণ্ডৱ নৃত্যয়ে চকুৰ আগত ভাঁহি
উঠিছিল এটি কৰুণ আৰ্তনাদ
অযুত দিনৰ নিযুত সপোন
নিমিষতে হেৰাই গৈছিল।
অব্যক্ত মনৰ মাজত
হেৰাই যোৱা স্মৃতিবোৰ।

মনৰ নিভৃত কোণত
কান্দি কান্দি চকুলো হৈ নিগৰিছিল।
সিহঁতে নিজৰ জীৱন গঢ়ি,
উচ্ছৃংখল মনৰ মাদকতাত
নিজৰ জীৱনটোক বৰ্বৰতাৰ
মাজলৈ ঠেলি লৈ গৈছিল।

মনৰ দাপোন কোণত
সিহঁতৰ অকৃতজ্ঞতাৰ প্ৰতিচ্ছবি দেখিলো।
কিন্তু ...
ফুল কোমলীয়া জীৱনটো
হঠাৎ ভাঙি গৈছিল
মোৰ মৰম স্নেহ ভৰা
হৃদয়খনি চুৰমাৰ হৈ ভাগি গৈছিল।
অব্যক্ত ভাষা।
বিৰহী মনৰ আকুল চাতকী প্ৰাণ।
লাহে লাহে মই
দূৰন্ত গতিত গৈ
আৱৰ্জনাৰ ৰূপত
থমকি থমকি ৰূদ্ধ মোৰ জীৱন।

□□□

# মহাত্মা গান্ধী

✍ মম্পী বৰা
বেংকিং আৰু বীমা বিভাগ



মহামানৱ মহাত্মা গান্ধী
জাতিৰ পিতা আছিল,
সেই পিতায়ে স্বাধীন কৰিলে,
আমাৰ ভাৰত ভূমিক,
আঠুৰ ওপৰত খদ্দৰ চুৰিয়া
হাতে কটা সূতায়ে বোৱা।
শিপিনী সকলক শিকাই থৈ গ'ল,
কপাহী সূতাৰ খেলা,
কিন্তু সেই পিতা আজি,
আমাৰ মাজত নাই,
এৰি থৈ ক'লৈনো গ'ল।

□□□

# শিক্ষাগুৰু আৰু আমাৰ বিদ্যালয়

✍ ৰিম্পী ৰয়
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, বাণিজ্য শাখা



শিক্ষাগুৰু সেইজন
যিজনে নিজেই জ্বলি
আনক পোহৰাই,
সুন্দৰ ভৱিষ্যতৰ পথ দৰ্শাই
গুৰুৰ অবিহনে আজি
শিক্ষা আমাৰ নাই।
জ্ঞানসমৃদ্ধ আলোকৰ আলয়
সেয়াই আমাৰ বিদ্যালয়
তোমাৰ জ্ঞানেৰে, তোমাৰ সাহসেৰে
যাম আগুৱাই।
ঈশ্বৰ ৰূপে শিক্ষাগুৰুক
শ্ৰদ্ধা নিবেদন কৰোঁ।
মন্দিৰ ৰূপে বিদ্যালয়ক
হৃদয়েৰে অনুধাৱন কৰোঁ।

□□□

# আমাৰ সপোন

✍ পূজা প্ৰধান
দ্বিতীয় যাণ্মাসিক



সপোন, এটি অনুভৱ
সপোন, এটি উৎসাহ
জীৱনৰ নতুন পাতনি
মেলিবলৈ,
প্ৰকৃতিয়ে বান্ধি যোৱা
এটি সুমধুৰ ভাষা
সপোন,
শুনাচোন, সপোনে
কথা কয়,
জীৱনৰ বাট আগবাঢ়িবলৈ
সপোনে কথা কয়,
অতীতলৈ নাচাবলৈ
হিমালয়ৰ উচ্চ শিখৰত
থিয় হ'বলৈ শিকায়
সপোনে

কাল্পনিক কথা ভাবিবলৈ
শিকায়, সপোন
প্ৰতিজন ব্যক্তিৰ অনুভৱ
প্ৰকৃতিৰ এই বৰদান
আমাৰ উৎসাহ, আমাৰ উদ্দীপনা
আমাৰ জীৱনৰ বাটত ৰং সনা
কোনেও জীৱনত পাহৰিব নোৱাৰা।
আমাৰ সপোন
চিৰজীৱন জীয়াই থাকক
যেন এই সপোন।

□□□

# সপোন

✍ দেৱাশীষ সাহা
ষষ্ঠ যান্মাসিক, বাণিজ্য শাখা



জীৱনৰ ৰহণসনা মুহূর্তবোৰৰ
মাদকতাৰ উন্মাদনা
যৌৱনৰ যৌৱনসুলভ অনুভূতি
অনুপম, প্ৰাণচঞ্চলা।
সপোনে বিচাৰে ঠিকনা
প্ৰগতিৰ, সফলতাৰ,
দিগন্তৰ, শ্ৰেষ্ঠত্বৰ, অৰ্জনৰ
স্বজনৰ বিয়াকুল উত্তৰপৰ।
হেঙুলীয়া মন, তেজাল, উন্মাদ
উন্মচ্ছনাৰ শিখৰত
নানান দিশ অতি শ্ৰমিবলৈ
সেই বিশেষ সপোনলৈ।
আইৰ দুচকুত বিচাৰিব খোজো
পৰিপূৰ্ণতাৰ পৰিপক্কতা
গাঁঠিব খোজো সমৃদ্ধিৰ মালা
অহোপুৰুযাৰ্থ কৃচ্ছ্ৰতাৰ গাঁঠনিৰে।
তথাপিতো কিয় জানো
কঠিন সেই মনে বিচৰা আদিস্থলৰ
সমল, অসুচল, অস্বস্তিকৰ।
তথাপিতো যেন যাত্ৰা উৰ্দ্ধমুখী
প্ৰতিদিন, প্ৰতিপল, প্ৰতিক্ষণ
সপোন বৃহৎ, অবিকল, কল-কল।

❑❑❑

# মা

✍ বিশ্বজিৎ বৰা
তৃতীয় যান্মাসিক

মা তুমি অনন্যা
সকলো দুখ কষ্টক নেওচি
এটি মিচিকী হাঁহিৰে ওপজালা মোক
পৃথিৱীৰ কোলাত।
মোৰ কান্দোনত তোমাৰো যে
চকুত এসাগৰ নীলা।
আলফুল দুহাতেৰে কোলাত গুজি
গাইছিলা মৌসনা কণ্ঠেৰে
সা.......ৰে......গা.... মা........ পা... মা..
আজিচোন মোৰ টোপনি নাই
ভয়ো নাই ভূতলৈ
কিন্তু ...
কিন্তু বৰ কঠিন পাইছো অ' শুৱলে
তোমালোকৰ কষ্টসহিষ্ণু আশা মোৰ দুঃস্বপ্নই
টোপনিক প্ৰতিপলে আমনি কৰিছেহি।
মা... অ' মা........
ল'ৰালিৰ দৰে খঙত দুচাত দি
আহিবানে ক'বলে
মৰমত চুমা যাঁচি
আজিও গাবা নেকি বাৰু
শিয়ালী এ নাহিবা ৰাতি
তোৰে কাণে কাটি লগামেই বাতি।



□□□

# উপলব্ধি

✍ ৰীমাৰেখা বুঢ়াগোহাঁই
অধ্যাপক, শিক্ষা বিভাগ



তয়ো মই নহয়,
ময়ো তই নহয়,
তোকো দেখোন মোক লাগে
মোকো দেখোন তোক লাগে
পৰিয়াল, সমাজ, দেশ জাতিৰ
ধাৰখোৱা তই বীৰ খোৱা মই
পদযুগলত নাই অসীম শক্তি
অনাকাংক্ষিত পৰিস্থিতিৰ প্লাৱনে
বহুপদযুগল দাবী কৰে।
তেতিয়াই বহুত তই মই হওঁ
বহুত মই তই হওঁ।

নদীখন পাৰ হ'বলৈ
অহংকাৰৰ প্ৰয়োজন নাই
আস্তিক-নাস্তিক সকলো সোমাই
নিৰাকাৰৰ হাঁতোৰাত,
বাস্তৱ নোহোৱা অনিয়ন্ত্ৰিত গতি
অনুভৱেই বাস্তৱ।
নিস্তাৰ নাইকিয়া
লেখি-জুখি খোজ দিবি
দম্ভবোৰ ধূলি হৈ উৰি যোৱা
দেখিছনে কেতিয়াবা
সময়লৈ অপেক্ষা কৰ
সময়েই উত্তম শিক্ষা গুৰু
শিকাব সকলো।

❑❑❑

# পাহৰি গ'লো - পাহৰি গ'লো

✍ ৰাহুল চৌধুৰী
প্ৰথম ষান্মাসিক

আজি সুখী জীৱনৰ আশাত আমি
নিজকে পাহৰি গ'লো
পাহৰি গ'লো অস্তিত্ব মনৰ
সেই সুখময় জীৱনৰ সপোন।
পথে পথে খুন্দা খাইছো কেৱল
নাই কোনো বুজাবলৈ মোক।
ভাবিছিলোঁ সংগী হৈ ৰ'ব
এই জীৱনৰ কাঁইটেৰে ভৰা বাটত
পাহৰি গ'লে পাহৰি গ'লো
সেই নিজৰে অস্তিত্ব মন।
জন্ম লভিছিলো এই পৃথিৱীত
আশা নাছিল একো,
নাছিল কোনো চিন্তা-ভাৱনা।
সময়ৰ দ্ৰুত গতিয়ে যে
সেই আশা নথকা ব্যক্তি যে
আশাবাদী কৰি তুলিব,
কৰা নাছিলো ভাৱনা
জন্মৰ পৰা যৌৱনাৱস্থা পালো
পাম এদিন বৃদ্ধাৱস্থা, নিজান হৈ যাম
এই মাটিতে ...

দূৰণিৰ চকুলো মচি
পাহৰি যাব মোৰো অস্তিত্ব
হৈ ৰ'ম এদিন নিষ্প্ৰাণ
পাহৰি গ'লো যে এদিন
এই মাটিতে মিলিত হ'ব লাগিব।
পাহৰি গ'লো মই জীৱন জীয়াবলৈ
সুখী জীৱনৰ নিষ্পাপ ভাৱনাত
পাহৰি গ'লো মই
পাহৰি গ'লো
পাহৰি গ'লো।

❑❑❑



# আমাজনৰ উচুপনি

✍প্ৰিয়ঙ্কনা গোস্বামী

সেউজীয়া সাগৰত অপাৰ ঢৌ তুলি
অগ্নিৰ লেলিহান শিখাই
ছানি পেলাইছে আকাশ
সেউজীয়া গিলি পেলাইছে
এফালৰ পৰা
মাতৃৰ কোলাত
বিপদগ্ৰস্ত সন্তান
জীৱকুলৰ বুকুভেদা আৰ্তনাদ
অভিশপ্ত আমাজন
পৃথিৱীৰ আমথু নহয়।



চাৰিওদিশে কেৱল হাহাকাৰ
পথভ্ৰষ্ট উন্মাদ এজাক শিঁয়ালে
কিৰিলিয়াই উঠিছে।
আমাজনৰ বুকু আচাৰি
এইমাত্ৰ যেন গোটেইখন
বখলিয়াই পেলাব
হায় মানৱতা
পুনশ্চ
প্ৰাণ পাই উঠিবনে
অভিশপ্ত আমাজন
হে সৃষ্টিকৰ্তা
ৰক্ষা পৰিবনে
তোমাৰ সৃষ্টি
সেউজীয়া এই বৰ্ষাৰণ্য

□□□

# ঐশ্বৰিক

দিব্যজ্যোতি ৰাজখোৱা
তৃতীয় যান্মাষিক

দুটি চকু মেলি ৰ' লাগি চাওঁ
নীল আকাশৰ বুকুৰ কপাহী মেঘৰ ব্যস্ততা।
দুহাত মেলি পাওঁ
পাহাৰে নদীয়ে দিয়ে আমৰণ প্ৰতিশ্ৰুতি
মিত্ৰতা।
আন্ধাৰত বিচাৰি যাঁও জোনাকৰ বতৰা
পূজাৰ বাবে কুসুম অথবা
পেটত জ্বলি থকা জুইৰ প্ৰতিকাৰ
গৰ্ভৱতী শ্যামলীমাই বৰণ কৰিছে
ইতিহাসৰো আগৰ দিনৰ পৰা
বেলিয়ে খেলিছে ৰাতিৰ
আইতাৰ সাধুত নীলপৰী নাচে।
সপোন নসৰে নাতিৰ
চগা হৈ উৰে সুখ
ভেলেঙীৰ খোজত মৰণ
সেউজ হীমানী নজহে নপমে
মঙহে লগ এৰে জীৱন।



□□□

# এক ভ্ৰান্ত ধাৰণা

✍ অভিজিত শইকীয়া
ষষ্ঠ ষান্মাসিক

খিৰিকী মুখৰ কণমাণি নাহৰজোপা
মোৰ নিসংগতাৰ সংগী
অব্যক্ত ভাষাৰ গোপন ব্যথাৰ
বুকুৰ মাজৰ উঠা নমা সাক্ষী।
এটি পাত, দুটি পাতকৈ বিৰিখে বিৰিখে
লহপহকৈ বাঢ়ি আহে,
এবুকু আশাভৰা সপোন যেন
গজি আহে কলিজাৰ আঁৰে আঁৰে
ঠৰঙা শীতে লঠঙা কৰি যোৱা ডালত
বসন্তই পিন্ধালে কোমল কুঁহিপাত
পুৰণিক এৰি নতুনক আদৰাৰ সময়
ন-কলিয়ে আনে নতুনত্ব গতানুগতি
প্ৰথম ফুলপাহৰ গোলাপী সুৱাসে উপচালে
চৌপাশে আতুৰ কণ্ঠলৈ উভতি আহিল হেৰুৱা সুৰৰ আভাস
সুৰে সুৰে, ছন্দে ছন্দে যেন তুমি আহিছিলা।
পিয়াহী মনটোক অবুজ মায়াজালত বান্ধিছিল।
হঠাতে কোনো নিষ্ঠুৰ দুহাতে ছিঙি নিলেহি
মৰমৰ কুসুমপাহি ... নিঠৰুৱা কৰি
হেপাঁহৰ বালিঘৰ পৰিল খহি



উন্নতি টৌৰ কোবাল সহিব নোৱাৰি
জীৱন বাটত তুমি আহিল মৰিচিকাৰ দৰে
অথবা নোৱাৰিলো বুজিব তোমাৰ ছলনা
খিৰিকীৰ নাহৰজোপাই হাঁহে মিচিকিয়াই
যেন মনতে খোপনি কোনো ভ্ৰান্ত ধাৰণা

□□□

# তয়ো লাচিত হ'

✍বিশ্বজিত বৰা
ষষ্ঠ যান্মাষিক

উঠ বোপাই
পূৱাব হ'ল পূবৰ বেলিটো...
বদনৰ জয়ঢোলে জুপুৰি কঁপাইছে...
ৰাজকীয় শাসনে স্বাধীনতা কাঢ়িছে...
এতিয়াও তই নিদ্ৰাত কিয় ...?
পাঁচোটাকৈ কাৰাবন্দী হ'ল ...
যা তইয়ো ৰণলৈ ...
বঙালৰ হাতত আইক ধৰ্ষিতা হ'বলৈ
নিদিবি ...
পলম নকৰিবি ...
ওলাই আহ নিজ আইৰ বাবে বাকৰুদ্ধ নহ'বি ...
লাচিত হৈ যুঁজ কৰ ...
হ' তয়ো দুৰ্ম্মৰ্দ বীৰ।

❑❑❑



# জাগা অসমীয়া জাগা

✍প্ৰণামী কাশ্যপ দাস
প্ৰথম যান্মাষিক

চোৰা চোৰা
পূবে ধলফাট দিলেই,
উঠা অসমীয়া উঠা।
নহ'লে তুমি শেতেলীত
থাকোতেই আলহী আহি
বৰঘৰ সোমবহি এতিয়া।
যোৰা
হেংদাং তুলি লোৰা
তৰিলে দেশ,
মৰিলে শেষ,
জাগা অসমীয়া জাগা।

❑❑❑



# নিঃশেষ মোৰ সপোন

✍ **অমৰজিৎ কটকী**
উঃমাঃ দ্বিতীয় বৰ্ষ

সপোন, ময়ো দেখিছিলো সপোন,
যি সপোনে মোৰ ওৰে জীৱনৰ টোপনি হৰিছিল,
শুবলৈ বিচৰা প্ৰাক্ক্ষণত সেই সপোনেই মোৰ
টোপনিক ক·ৰিছিল ঠান - বান।।
অ' ময়ো দেখিছিলো সপোন।
এক দৃঢ় সপোন, মোৰ জীৱন নদীৰ ...
দেখা সেই সপোনে দিঠক ৰূপে পাওঁতেই
মোৰ জীৱনে ল'লে এক নতুন মুৰ
ৰাতিপুৱাৰ সেই ফেচবুক ষ্টেটাছে মোৰ সেই দৃঢ়
সপোনলৈ নমাই আনিলে অমানিশাৰ অন্ধকাৰ।
শেষ, শেষ মোৰ জীৱন, শেষ স্তব্ধ হৈ ৰ'ল
মোৰ নীল আকাশ চোৱাৰ সপোন।
কালিকা সনা সেই .তিয়েই মোৰ জীৱনলৈ
কঢ়িয়াই আনিলে ঘোৰ অন্ধকাৰ। নিঃশেষ হ'লো...
নিঃশেষ হ'লো মই।
কি কৰো মই, এতিয়া, মই নিৰুপায়।
হেৰুৱালো মোৰ সকলো বাট ...
কি কৰো মই আত্মহত্যা?
নে মই তুলিকাত লিখো মোৰ জীৱন সমগ্ৰ,
উজাৰি দিও মোৰ,
উজাৰি দিও মই, মোৰ ক্ষোভ খং ক্ৰোধ
মোৰ হাতৰ পৰা কাঢ়ি লৈ যোৱা মোৰ সপোনৰ
মধুৰ সুবাস, কিজানিবা কোনোবাই ...
অ' ময়ো সপোন দেখিছিলো।।

❑❑❑

# কানাইৰ সুৰ

✍ কাকুমণি কটকী
পঞ্চম যান্মাসিক



কানাই কি সুৰ বজোৱা ?
যাৰ তালত ৰামধেনুৰ
সাতোৰঙে নাচে
ফুলৰ পাহিত মৰম ওমলে।
তোমাৰ মৰমৰ আহ্বানে
কিমানৰ অন্তৰত আশাৰ
প্ৰাণ প্ৰায়.. আবেগৰ ঢল
বিয়পে।
কানাই কি সুৰ বজাইছিলা
প্ৰেমৰ নে বিচ্ছেদৰ ???
শুনিবলৈ মন যায়।

□□□

# আমি অসমীয়া

✍ শ্বাকীল হাচান
তৃতীয় যান্মাসিক

আমি অসমীয়া
আমাৰ মাজত নাই কোনো ভেদাভেদ
এইখন শংকৰ-আজানৰ দেশ।
আমি অসমীয়া
আধুনিক জখলাত আহিছো বগাই
দূৰ আকাশলৈ যাওঁ হাতত হাত মিলাই।
আমি অসমীয়া
ধৰ্ম বিচাৰি পাওঁ কৰ্মত
প্ৰমাণ কৰি যাওঁ ৰক্ত দানত।
আমি অসমীয়া
আমাৰ মন সদায় বহল সাগৰ
ইজনে সিজনক দিওঁ আন্তৰিক সমাদৰ।
আমি অসমীয়া
নহওঁ কাৰো তলতীয়া
জ্ঞানৰ চাকিৰে একতাৰ বলেৰে
দেশ নিম আগুৱাই।

❑❑❑

# THE PAINFUL VOICE OF A GIRL

Susmita Deb
B.Com 6th Semester



We are girls
And not flies to be killed.
Please do not kill us
Let us live.

Dear Parents
Am your daughter
The same blood is running in my vein
That is there in your son.

When a son takes birth in your house
How content you do feel
Then why in my time
You feel regret.

Believe me
I'm not that what you think
I will never be any burden
that you want to part with

I promise to stand by you
At every phase of your life.
If you get hurt or will cry
You will always find me there
bringing smile over every drops of tear.

Why don't you understand
I can also be the reason for your pride
The reason is bribe
that leads me to die
Or is it your greed
that makes you feel that
I cannot buy you whatever you wish !



What should I call you
Mummy and Daddy?
Is it ........ No
I may call you
Selfish and greedy.
Did your heart never cry
While leaving me on the road
Or it has became a trend
that you two are also following

I wish this voice of a girl
could touch every heart and soul
May no more girls
need to burn and to be buried in soil.

We are girls
And not flies to be killed
Please don't kill us
Let us live
Let us live.

❑❑❑

# MOMENTS BECAME MEMORIES

Susmita Deb
B.Com 6th Semester

The waking up in the early morning
The late night sleep
The dances and gossips
Till 2 am at night
And then to realise that
We have only one hour left for sleep.
We laughed till our stomach cramped
And we never waited
For any reason or causes to laugh.
Those six days and night
of the trip that passed
I am missing those times
As I know it will never return.
Those days were free from worries
No tension and no sad stories.
Where can I relive those days
With whom can I rejoice the same.
The height of mountains
The deep down valleys
The clouds sprinting behind us
And we surrounded by the clouds.



The height of my happiness, I can never measure.
I don't want to merely capture it in my SD card
Rather I wish to capture it in my heart.
The lakes and mountains covered with snow
Was not letting me to come
But I came back with a hope to return
The river Testa flowing along us
All the way from Sikkim to Darjeeling
Was waving her hand and telling me
To visit her again.
The tea gardens of Darjeeling surrounded by
the tall pine trees
Made me feel as if the entire Earth was
dancing in my favourite music

I agree-
The earth has music for those
who listen to it.
A girl like me who is fascinated by
cars, building and cities
Today is telling
The Hills, Valleys, Trees and Teas
have stolen my heart
And I am happy for it .

❑❑❑





# TOWARDS A GREEN WORLD

Kaushik Sahu
B.A 2nd Semester

Plant more,
Reduce pollution
Plant more,
Conserve energy;
Plant more,
Protect yourself and others;
Plant more,
Preserve wildlife and the innocent beings;
Plant more,
Live more.

❑❑❑



# NORTH EAST INDIA

✍ **Joseph Dhanuar**
B.A 6th Semester

Seven Sister, one Soul
we stand up together, as a whole.
Diversity in culture as well as nature
North East India's unique feature.
From beauty of the hills to serenity of the plains.
The view of wild life is insanely mesmerizing.
They call us unique, they call us different,
But we sing the same National Anthem and
salute the same National Flag.
We may be aside but we aren't apart,
Yes! we are from NORTHEAST India and
it's India's inevitable part.

❑❑❑

# WIDOW

Anuswari Maheswari
H.S. 1st Year

She was in a white saree
Roaming in the streets at midnight
Tears Kissing cheeks, strength falling apart.

It was the seventh month of their marriage
and the soldier was killed in the border
Seven bullets in his body
Unrecognised Face.
And it was a, "Param Veer Chakra"
For the soldier.
But what about "Her" ?
Dreams shattered; Hope collapsed
Three months old baby in her womb
and she was masted in a white
saree...
and was widowed ...



□□□



# MISFORTUNE

Shakil Hasan
B.A.3rd Semester

Tried hard to fix my mind
To the things I should really bother,
But misfortune never let go,
The chance to live life with delight,
Tried the best to let everyone smile
But my blind fortune never once
tried to stop
The waterfall of my eyes.

❑❑❑

# DREAM

Nandini Gupta
B.Com 6th Semester

Dream! Dream! Dream!
To conquer the world is my dream.
with a pen as a sword in my hand,
To bring a change in this mighty land.

Dream! Dream! Dream!
To fly high in the sky is my dream.
with wings of courage and inspiration,
To bring forth peace and perception.

A dream that I have seen
to make my parents and country.
Proud and Green !
with Love, Unity and Peace,
I want to triumph over the greeds.
Make this country corruption free,
Such a big dream I have seen.

❑❑❑



# MY MOM

✍ Silpi Gogoi

Can you remember those days ?
I hid behind the door
Making you nervous.
I felt happy
When you were looking for me,
Across the home constantly.



Sometimes,
I made you angry,
Even, you beat me slightly,
Yet, you loved me endlessly.
Those childhood days have gone away,
Instead of you,
I fear, now-a-days.
That you are getting old
Day by day.
Yet, I can't do anything
But, I can fulfill your dreams.
Neither gold nor diamond
Can be compared to thee.
can you remember those days?

❑❑❑

# COLLEGE LIFE

**Muskan Gupta**
H.S. 2nd Year. (Com)

Stepping into a new life where
One faces oneself
Some consider everything a race
and chase after them all
While others find it difficult
to even tie their shoe lace.
Many here care for you
but you care for a secret few
Lots of barrier, lots of pressure
In the midst of which, some search for treasure.
The greatest invention being the headset
without which no one's heads are fit
More sleep, less work, but still
feeling tired every other minute.

Sudden decisions ware output
Less bothered about what's next?
even don't care for taking rest
some dance many wishes,
A bunch of exams and tests.

Suddenly when you look back
The poster says, 'Farewell'
Phew! 35040 hours of these four years
Are just like the three hours of a movie
Passing by in the shop of your fingers
Leaving behind many a memory that lingers.

❑❑❑



# A VALUABLE DROP

✍ **Diganta B. Kalita**
B.A 3rd Semester.

I'm water that soothes your thrist,
Everyone needs me since the day their journey starts,
It's your very duty to save every drop of mine,
So, that I can make sure to keep you fine.
There was a time when I was as clean as glass,
But now I find myself like the colour of brass.
How could you let me fade ?
And do you know that without me you
won't even have bread
No heartless am I
But you are forcing me to say bye.
There came a few nature's lover,
Which want me not to suffer.
Angels do exist in the name of N.G.O
Which are helping me from letting go.
Hope a day will I see,
Where you can save me to make yourself
crisis free.



□□□

# A VISIT TO DARJEELING

Susmita Deb
B.Com 6th Semester



A gentle wind was blowing
Across and around me into the valley
Nothing before has touched My soul
The way Darjeeling in doing
The Scenario From the balcony of Rudra Bhawan
Oh.. how can I describe you that
up high from the fourth floor
The view was crystal and clear.
I remember the sunrise
and at night
The twinkling lights of the house below seems like the stars scattered down at nights
It was the curvy roads that made be craze or it was the breeze.
It is a part of my world or I am a part of it.
The Kanchenjunga standing big and straight
If I consider it Romeo
then who could be its Juliet ?
I thought Heaven is something about us
That exist behind the sky

But now its proved
The Heaven is the ultimate joy of heart
and the Heaven lies on the Earth
The Tea gardens full of green
Exactly seems like what we call dreams.
The coal engine train running all around the city
goes mad round and round
By making that antique sound.
The Darjeeling mall also called the heart of this city .
was full of happy traverllers
the Padmoja Naidu Himalaya Zoo,
The Himalayan Mountaineering Institute and the Bengal Natural History Museum
My visit to you was very short hope to make a plan again to visit you and i promise
not to let the plan to be abort.
The Tenzing rocks starting near the road describe us
How tough is the mountaineering job.
the high of Tiger hills Sunshine point is different to measure
The beauty of Tiger hills Sunsine point
I can never compare
The check out from the hotel wasn't easy for me
the place whom i started loving was about to leave
The way towards NJP cost me high inspite of sadness
I said Darjeeling Goodbye
The Curvy roads around the hills having greenery all around and beneath
I put the cars window down all the way so that for the last time
I can feel the pleasure of air and the sunrays.
The car wasn't coming down from the hill to the plain
It was like coming down from heaven to hell.

□□□

# दीपक

✍ विशाखा पावान

मिट्टी का छोटा सा दीपक,
अंधकार से कभी न डरता,
भर कर नेह हृदय में अपने,
सारा जग आलोकित करता
हिम्मत, साहस और लगन से,
तुफानों से जा टकराता,
आये कितनी भी बाधाये,
दीपक कभी नही घबराता
जैसे जैसे विपदा बढ़ती,
दीपक अपना धैर्य बढ़ाता,
इसी धैर्य के बल पर दीपक,
अपना जीवन सफल बनाता,
सह कर सदा जलने की पीड़ा,
जग में यह उजाला लाता,
इसीलिए तो विश्व हमशा,
देवालय में दीप जलाता।

□□□

# धरती माँ

✍ अंकिता गुप्ता

तपती थी ज्वाला सी
वक्त बीता जैसे शीनल बनी वैसे।
जलधर के बोचो बीच,
मिटटी बनी, सृष्टि का आधार बनी,
मैं धरती माँ बनी।।

पर्वत, पहाड़नदियो की धारा,
मैने रचा है, खेल सारा।
मेरी गोद मे जीवन सारा,
फिर हे मानव मैने किया निर्माण तुम्हारा।।
पशु पक्षी और जल जीवन लाई,
हर प्राणी के जीवन का आधार बनी मै.।
तुम्हारे घर, खेत-खलिहाना बनी मै।
समझु भेट का ना मैं इशारा
दुख समस्या का, मै समाधान सारा,
मै संभाली भार तुम्हारा,
" धरती माँ," तुमने जी मुझे पुकारा।

□□□

# मैं दीपक हूँ

✍ पंकज प्रजापती

मैं दीपक हूँ, मेरा जलना ही तो मेरा मुस्काना है।
आभारी हूँ, तुमने आकर
मेरा ताप-भरा तन देखा,
आभारी हूँ तुमने आकर
मेरा आह-घिरा मन देखा,
करुणामय वह शब्द तुम्हारा
'मुस्काओं' था कितना प्यारा।
में दीपक हूँ, मेरा जलना ही तो मेरा मुस्काना हैं।
है मुझको मालुम पुतलियों
मैं दीपों की लौ लहराती,
है मुझको मालुम कि अधंरो
के ऊपर जगती है बाती
उजियाला करदेनेवाली
मुस्कानों से भी परिचित हूँ,
पर मैंने तुम की बाहों में अपना साथी पहचाना है।
मैं दीपक हूँ, मेरा जलना ही तो मेरा मुस्काना है।

❑❑❑

# स्वच्छता का नारा

✍ प्रिया काश्यप



स्वच्छता स्वच्छता स्वच्छता
का नारा तुम दोहराओ।
खुद में शामिल करो स्वच्छता,
और दुसरों को भी सिखलाओ।
साफ-सुथरे होंगे जब घर-द्वार,
पास न आयेगी विमारी बार-बार।।

स्वच्छता स्वच्छता स्वच्छता
का नारा तुम दोहराओ।
पेड़-पौधे खुब लगाओ और
पर्यावरण भी शुद्ध बनाओ।
नदी-कुँए होंगे जब निर्मल-साफ
जीवन न मरेगा बिन पानी-प्यास।।

स्वच्छता स्वच्छता स्वच्छता
का नारा तुम दोहराओ।
खुद में शामिल करो स्वच्छता,
और दुसरो को भी सिखलाओ।
चारों और होगी जब स्वच्छता की पुकार
देश के साथ हमारा भी होगा उद्धार।।

❑❑❑

# सपना

✍बर्णाली शाहु



सपने बेजुबांन है,
ना रंग है ना रुप
ना भाषा ना सरुप
आसान नही है इनको आकार देना,
ये वो माटी के घरौदें है
जो टुटते है बस जरा सी लहरों से,
ये वो दुनिया है जो पलभर के
लिए हँसाये,
हकीकत से दुर वहुत दूर ले जाए।
पर जब सपने टुटते है,
तो दर्द का वो तुफान आता है,
एक क्षण में सब बिखर जाता है,
हाँ टुटे सपने ददे देते है,
पर गौर किया जाए तो
यह भी एक नई उम्मीद देते है
उम्मीद देते है फिर सें सब सजाने की
मरु सपने सजाने की,

सपने वो है जो इंसान को लक्ष्य दिखाता है,
जो हार गया टुटे सपनो सें वो कैसा इंसान
कहलाता हैं।
तो कर हिम्मत, आगें बढ़
ना डर सपनो के दुटने से तू। नए सपने सजा,
यह भी एक नया रंग लाता है,
सपना हमको उड़ना सिखाता है,
सफलता की पाने की हिम्मत जुटाना हैं,
सपना ही हमकों उड़ना सिखाता है

❑❑❑

প্ৰতিবেদন

# REPORT FROM PRESIDENT

First of all, I would like to express my heartfelt thanks to all the students of Golaghat Commerce College for giving me this opportunity to serve as President of the Students' Union of Golaghat Commerce College for the session 2018-19. I would like to thank our honourable principal sir and the teachers of Golaghat Commerce College for their guidance in every path of my life.

Preparing for the election was a long walk for me to reach, what started out as a whim two months before the union elections was a dream for me, then a goal, and then astonishingly my reality.

As my responsibilities started after the oath taking ceremony. The most important responsibility was presiding meetings in union. I got the opportunity to held some events in college week.

I would like to thank my union members for their support during the session. I wish 'Jyotishman' will bring a lot of lights in everyone's life.

At last, I apologise for my mistakes during my tenure.

"Long Live Golaghat Commerce College"
Thank You.

**Parinita Tanti**
President
Students' Union

# উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদন আৰম্ভ কৰোতে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত ড° যতীন্দ্ৰ নাথ শইকীয়া দেৱৰ তথা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা ত্যাগ, বলিদান তথা কৃচ্ছ্ৰতাৰ জৰিয়তে নিজৰ জীৱন উছৰ্গা কৰা প্ৰতিজন মহান ব্যক্তিলৈ যাচিছোঁ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি।

মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়। সন্মানীয় উপাধ্যক্ষ মহোদয় প্ৰমুখ্যে মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দ লৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয় প্ৰতিষ্ঠাকালৰ ছাত্ৰ একতা সভাৰ প্ৰথম গৰাকী সাধাৰণ সম্পাদক শ্ৰীযুত দুলাল চন্দ্ৰ গোস্বামী, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰথম গৰাকী সভাপতি শ্ৰীযুত চুহুংমুং চুকাফা প্ৰমুখ্যে ছাত্ৰ একতা সভাৰ ন-পুৰণি প্ৰতিগৰাকী বিষয়ববীয়ালৈ মোৰ সংগ্ৰামী শ্ৰদ্ধা জ্ঞাপন কৰিলো। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ পৰিয়ালৰ সদস্য হোৱা দিন ধৰি প্ৰতিটো কামত সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়াই আহিছোঁ।

২০১৮ বৰ্ষৰ ৯ ছেপ্তেম্বৰ তাৰিখে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়যুক্ত হৈ ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ দৰে এটি গুৰু দায়িত্বৰ সৌভাগ্য মোক অৰ্পণ কৰাৰ বাবে মহাবিদ্যালয়ৰ অনুজ-অগ্ৰজ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক মই এই প্ৰতিবেদনৰ জৰিয়তে কৃতজ্ঞতা আৰু শ্ৰদ্ধাৰে শলাগিছো।

বাণিজ্যিয়ানৰ আশা-আকাংক্ষাক বিগত দিনবোৰত মোৰ কাৰ্যকলাপত কিমানদূৰ বাস্তৱায়িত কৰিব পাৰিছিলো সেয়া বিবেচনাৰ দায়িত্ব আপোনাসৱলৈ এৰিলো, লগতে অজানিতে ৰৈ যোৱা ভুল-ক্ৰটিৰ বাবে মই সকলোৰে ওচং ত ক্ষমা প্ৰাৰ্থী, ছাত্ৰ একতা সভাৰ প্ৰতিটো বিভাগৰ সম্পাদকসকলৰ লগত প্ৰত্যক্ষ সম্পৰ্ক ৰাখি কাম কাজ সমূহ যাতে সুচাৰুৰূপে সম্পাদিত হয় তাৰ বাবে চেষ্টাৰ ক্ৰটি কৰা নাছিলোঁ। লগতে বিভিন্ন সময়ত ছাত্ৰ একতা সভাৰ সভাপতি, সাধাৰণ সম্পাদকৰ লগতে ছাত্ৰ-একতা সভাৰ সকলো বিষয়ববীয়াৰ সহযোগিতাই মোক দুগুণ উৎসাহ দিছিল। মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ হকে নিজৰ কৰিবলগীয়াখিনি কোনো দিনে অৱহেলা কৰা নাছিলো। বিভিন্ন সময়ত বিভিন্ন সমস্যা সামাধানৰ মাজেৰে নিজকে সদায়ে ছাত্ৰ-ছাত্ৰী সকলৰ বাবে প্ৰস্তুত কৰি ৰাখিছিলো। কাৰ্যকালৰ প্ৰতিটো সময়ত মহাবিদ্যালয়ৰ সন্মান, নিয়মানুৱৰ্তিতা তথা উন্নতিৰ হকে কাম কৰি যাবলৈ চেষ্টা কৰিছিলো।

২০১৯ বৰ্ষত মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয়ৰ সপ্তাহ'টি অনুষ্ঠিত হৈছিল। প্ৰতিটো বিভাগত বিভিন্ন প্ৰতিযোগিতা তথা অনুষ্ঠানৰ মাজেৰে মহাবিদ্যালয় সপ্তাহটি সাফল্যমণ্ডিত হোৱা বুলি মোৰ বিবেচনা হয়। ভাৰ উত্তোলন, শক্তি উত্তোলন আৰু পাঞ্জা প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ মোৰ দায়িত্ব পৰে আৰু সকলো প্ৰতিযোগিতা আশানুৰূপভাৱে সুন্দৰকৈ অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয় সপ্তাহৰ সামৰণী সাংস্কৃতিক অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পীৰ গীতেৰে সকলোকে মোহিত কৰিছিল।

ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ বিভিন্ন কাম কৰি গৈছিলো তাৰে দুটা মান আভাস দাঙি ধৰিছিলো।
১) সকলো বিভাগৰ প্ৰথম স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰী সকলক শিক্ষামূলক ভ্ৰমণৰ বাবে ৰাজস্থানলৈ লৈ যোৱা হৈছিল।

২) মহাবিদ্যালয়ৰ চৌহদত ছাত্ৰ-ছাত্ৰী সকলৰ ইউনিফৰ্ম পৰিধান কৰাটো বাধ্যতামূলক কৰাৰ লগতে নিয়মানুৱৰ্তিতা মানি চলাৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ৰ সৈতে সহযোগিতাৰে সকলো ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিছিলো।

৩) মহাবিদ্যালয়ৰ ক্ৰীড়াৰ ওপৰতো মই বিশেষ গুৰুত্ব দিছিলো শ্ৰীমন্ত ছাৰৰ লগত লগ হৈ Athletic ক্ৰীড়াৰ বাবে সকলো ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিছিলো আৰু Athletic ক্ৰীড়াৰ অনুশীলন কৰিছিলো তাৰে ফল হিচাপে Golaghat District Tug of War প্ৰতিযোগিতাত Golaghat Commerce College 3rd position পাবলৈ সক্ষম হৈছিল।

তাৰ উপৰিও Kabaddi, Handball আদি ক্ৰীড়াত মই বিশেষ গুৰুত্ব প্ৰদান কৰিছিলো তাৰ বাবে শ্ৰীমন্ত ছাৰক মই বিশেষ ধন্যবাদ দিব বিচাৰো।

বিভিন্ন সময়ত বিভিন্ন কাম্যত সভাপতি, সাধাৰণ সম্পাদকৰ লগতে ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়াৰ লগতে লাগি বিভিন্ন কাম-কাজত সুচাৰুৰূপে পৰিচালনা কৰিবলৈ যৎপৰোনাষ্টি চেষ্টা কৰিছিলো। ইয়াতে সকলোকে এটা কথা ক'ব বিচাৰো মই অকল মোৰ জীৱনৰ কথা ক'ব খোজা নাই সকলো ছাত্ৰ-একতা সভাৰ বিষয়ববীয়াৰ জীৱনৰ কথা কৈছো। ইমান কাম কৰা পাছতো তেওঁৰ জীৱনতো কিছুমানে ভাল পাই, কিছুমানে বেয়া পাই তাত তেওঁৰ ইমান দুখ নালাগে কিন্তু তেওঁ যেতিয়া এটাৰ প্ৰশ্নৰ সন্মুখীন কৰিবলগীয়া হয় তেতিয়া তেওঁৰ নিজৰো নিজকে বেয়া লগা এই প্ৰশ্নটো হ'ল — এই প্ৰগ্ৰেমতোত কিমান টকা মাৰিলি এজন ছাত্ৰ একতা সভাৰ বিষয়ববীয়ায়ে কোনো এটা প্ৰগ্ৰেমত লাখ লাখ বা হাজাৰ হাজাৰ টকা সন্মুখীন নহয় যেন তেওঁ পইচা মাৰিব পাৰিব তেওঁ সেই ছাত্ৰ একতা সভাৰ বিষয়ববীয়াজনক এনে এটা বদনামে বদনামী কৰা হয়।

শেষত সকলো বাণিজ্যিয়ানে মোৰ কাৰ্যকালত মোৰ লগ দিয়াৰ বাবে অশেষ ধন্যবাদ। দায়িত্ব কৰ্তব্য নিষ্ঠা তথা মহাবিদ্যালয়খনৰ প্ৰতি থকা ভালপোৱাখিনিতো মোক নিজৰ কৰিবলগীয়াখিনিৰ বিষয়ে প্ৰতিটো মুহূৰ্তত অৱগত কৰাই গৈছিল এজন উপ-সভাপতি হিচাপে নহয়, এজন ছাত্ৰ হিচাপে মহাবিদ্যালয় তথা মহাবিদ্যালয়ৰ পৰিয়ালৰ প্ৰতি মোৰ আপোন ভাববোৰ আগতেও আছিল তথা ভৱিষ্যতেও ৰ'ব। শেষত সকলোৰে আগত ক্ষমাপ্ৰাৰ্থী হৈ সকলোকে পুনৰবাৰ মোৰ আন্তৰিক শ্ৰদ্ধা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

জয়তু বাণিজ্য মহাবিদ্যালয়।

জয়তু ছাত্ৰ একতা সভা

জয়তু বাণিজ্যিয়ান

জয় আই অসম

ধন্যবাদেৰে—

**তপন বৰা**

উপ-সভাপতি

ছাত্ৰ একতা সভা

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

"আমি দুৱাৰ মুকলি কৰো
কিহৰ পূবৰ নে পশ্চিমৰ
নে দক্ষিণৰ যমৰ দুৱাৰ
নে মহাপ্ৰস্থানৰ আমন্ত্ৰণ মুখৰীত
উত্তৰা পথৰ সিংহদ্বাৰ।" —দেৱকান্ত বৰুৱা

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকলক মহান ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো যি সকলে গোলাঘাট বাণিজ্য মহাবিদ্যালয় নামৰ এই প্ৰতিষ্ঠানটোৰ সৃষ্টিত অহোপুৰুষাৰ্থ কৰিছিল। জ্যোতি নগৰ নামৰ সেই সময়ত পিছপৰা অঞ্চলটিত জ্ঞানৰ এই বীজ ৰোপণ কৰিছিল যি বীজ কালক্ৰমত ডাল পাতেৰে ভৰপূৰ হৈ বিশাল বটবৃক্ষত পৰিণত হৈছে। সেই গছজোপাৰ তলত জিৰাইছে অলেখ শিক্ষাৰ্থীয়ে। নতুন আহিছে পুৰণি গৈছে। এই অহাযোৱা বাট সদায় জিলিকি আছে জ্যোতিষ্মান হৈ।

গোলাঘাট বাণিজ্য মহাবিদ্যালয় এক আৱেগ। মহাবিদ্যালয়খনিত নামৰ্ভৰ্ত্তি কৰা দিনাৰ পৰাই মহাবিদ্যালয়খনিৰ সৈতে এটা আত্মিক সম্পৰ্ক গঢ়ি উঠিছে। সেই আত্মিকতা চিৰস্থায়ী। মহাবিদ্যালয়খনিক ভালপোৱাৰ বাবেই হয়তো মহাবিদ্যালয়খনিৰ প্ৰতি এটা দায়িত্ববোধ অনুভৱ কৰিছিল। এই দায়িত্ববোধেই কালক্ৰমত ছাত্ৰ একতা সভাৰ মজিয়াত থিয় দিবলৈ প্ৰেৰণা যোগাইছিল। ২০১৮-২০১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সহকাৰী সাধাৰণ সম্পাদক পদত জয় লাভ কৰিছিলো আৰু মহাবিদ্যালয়ৰ যিকোনো কামত নিজক নিমজ্জিত কৰিবলৈ পাই সুখী হৈছিলো। সহকাৰী সাধাৰণ সম্পাদক পদত জয়ী হৈছিলো যদিও ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্ব মই ল'ব লগা হৈছিল।

বিশেষ অসুবিধাৰ কাৰণবশতঃ সাধাৰণ সম্পাদকে বৰ বেছি দিনলৈ ল'ব পৰা নাছিলো। এনেদৰেই সাধাৰণ সম্পাদকৰ দায়িত্ব লৈ মই আগবাঢ়ি গৈছিলো।

মহাবিদ্যালয়ৰ যিকোনো অনুষ্ঠানৰ লগতে জড়িত থকা কাম মই নিষ্ঠাৰে কৰিবলৈ যত্ন কৰিছিলো। কিমান খিনি সফল হ'লো নাজানো তথাপিও মহাবিদ্যালয়খনি সুন্দৰ হোৱাটো মোৰ কাম্য আছিল। এই ক্ষেত্ৰত মোক ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াই সহায় কৰিছিল। প্ৰত্যেকেই নিজৰ দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰিছিল। এইছেগতে সকলোকে ধন্যবাদ জনালোঁ। তোমালোকৰ সৈতে পাৰ কৰা সেইচোৱা সময় ৰঙীন। বিশেষকৈ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দক আন্তৰিক ধন্যবাদ। প্ৰতিটো ক্ষেত্ৰতো সহায়-সহযোগিতা তথা মূল্যবান উপদেশেৰে আমাক উৎসাহিত কৰি তোলাৰ বাবে।

সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছৰ পৰাই মহাবিদ্যালয় স'তে জড়িত সকলো কাম বহুত উৎসাহেৰে কৰিছিলো।

গোলাঘাট বাণিজ্য মহাবিদ্যালয় মোৰ কাৰ্যকালত ষষ্ঠ ষান্মাসিকত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী সকলক এক ব্যতিক্ৰমী বিদায় সম্ভাষণ জ্ঞাপন কৰিছিলো। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ মোৰ কাৰ্যকালত যি সকল ছাত্ৰ-ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল, তেওঁলোকক এটি ক্ষুদ্ৰ উপহাৰ কলম প্ৰদান কৰি শুভেচ্ছা জনোৱাৰ লগতে তেওঁলোকক উৎসাহিত কৰা প্ৰচেষ্টা হাতত লৈছিলো। ইয়াৰ উপৰি অধ্যক্ষ মহোদয় মহাবিদ্যালয় ৰাণা তামূলী প্ৰেক্ষাগৃহত শীত-তাপ যন্ত্ৰৰ ব্যৱস্থা কৰিবলৈ আবেদন কৰিছিলো। কাৰ্যকালত বিভিন্ন অনুষ্ঠান যেনে সৰস্বতী পূজা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথি আদি উদ্‌যাপন কৰাত বিভাগীয় সম্পাদকসকলক পাৰ্যমানে দিহা-পৰামৰ্শ আগবঢ়াইছিলো।

নৱাগত আদৰণি সভা ২৯ জুন ২০১৯ তাৰিখে আটকধুনীয়াকৈ আয়োজন কৰা হৈছিল। উক্ত সভাত উপস্থিত ডিব্ৰুগড় বিশ্ববিদ্যালয় বুৰঞ্জী বিভাগৰ প্ৰাধ্যাপক শ্ৰীযুত নিৰুদ বৰুৱা ডাঙৰীয়া উক্ত সভাৰ অন্তত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছিল এক সাংস্কৃতিক অনুষ্ঠানৰ। সাংস্কৃতিক অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠ শিল্পী আৰ্চ্চ্য বৰপাত্ৰ গোহাঁয়ে গীত পৰিবেশন কৰি সকলোকে আপ্লুত কৰিছিল। ইয়াৰ লগতে শিক্ষক দিৱসো উদ্‌যাপন কৰা হৈছিল। মহাবিদ্যালয়খনি প্ৰগতিৰ বাবে ছাত্ৰ একতা সভাৰ যিমানখিনি পাৰে সেই সকলোখিনি কৰিবলৈ যত্ন কৰিছিলো। মহাবিদ্যালয়ত অনুষ্ঠান সমূহ সাফল্যমণ্ডিত কৰিবলৈ পাৰ্যমানে চেষ্টা কৰিছিলো।

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতি কৰিব লগা অনেক সপোন বুকুৰ মাজত থাকিল। সাধাৰণ সম্পাদক হিচাপে নহয় এজন ছাত্ৰ হিচাপে কৰিব লগা কৰ্তব্য মই সুচাৰুৰূপে কৰি যোৱাৰ প্ৰয়াস কৰিছিলো, এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ পৰিয়াল আৰু ছাত্ৰ একতা সভাৰ পৰিয়ালৰ প্ৰত্যেকজন সদস্যৰ পৰা পোৱা সহযোগিতা মোৰ বাবে এক আনন্দদায়ক অভিজ্ঞতা আছিল। এই মহাবিদ্যালয়ৰ অগ্ৰগতিয়ে আমাক যিহেতু গৌৰৱান্বিত কৰি তোলে, গতিকে মহাবিদ্যালয়ৰ শৈক্ষিক তথা অন্য সকলো দিশত উন্নতি কামনা কৰি মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলো। শেষত পুনৰবাৰ সকলোলৈকে শ্ৰদ্ধা আৰু ধন্যবাদৰে মোৰ কাৰ্যকালৰ প্ৰতিবেদন ইমানতে সামৰণী মাৰিলো।

।। জয়তু ছাত্ৰ একতা সভা।।

।। জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয় ।।

ধন্যবাদেৰে—

**দেৱজিৎ বৰা**

সাধাৰণ সম্পাদক

ছাত্ৰ একতা সভা

# আলোচনী সম্পাদকৰ প্ৰতিবেদন

**মহাবিদ্যালয় সপ্তাহ ঃ**

'মহাবিদ্যালয় সপ্তাহ' মহাবিদ্যালয়ৰ এটি অপৰিহাৰ্য অংগ। মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীসকলে নিজস্ব প্ৰতিভা বিকাশৰ সুযোগ লাভ কৰে। এই মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি সাহিত্য বিভাগৰ প্ৰতিযোগিতাসমূহ —প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা, থলীতে লিখা কবিতা, গল্প, শ্লোগান লিখা প্ৰতিযোগিতা, কবিতা আবৃত্তি ইত্যাদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। এই অনুভৱ আছিল মোৰ বাবে সুকীয়া। সৰ্বপ্ৰথমে ধন্যবাদ জ্ঞাপন কৰিছোঁ মোৰ উপদেষ্টা জোনটি বাইদেউ, নৰমী বাইদেউ আৰু হিমাদ্ৰী বাইদেউক লগতে মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল আৰু ছাত্ৰ-ছাত্ৰীসকলক; যাৰ অবিহনে মই এই প্ৰতিযোগিতাসমূহৰ সফল ৰূপায়ণ কৰাটো সম্ভৱ নহ'লহেঁতেন।

**মুখপত্ৰৰ বিষয়ে ঃ**

সৰ্বপ্ৰথমেই সেইসকল লেখক-লেখিকাক সশ্ৰদ্ধ প্ৰণাম যিসকলৰ কলমৰ অমৃত বাণীৰ বাবে 'জ্যোতিষ্মান'ৰ প্ৰকাশ সম্ভৱ হ'ল। সময়ৰ বহু প্ৰত্যাহ্বানক নেওচি জ্যোতিষ্মান প্ৰকাশ কৰিবলগীয়াত পৰিছিলোঁ। লেখা সংগ্ৰহতো সমস্যাই দেখা দিছিল লগতে 'কা' বিৰোধী আন্দোলনৰ বাবে হঠাৎ স্তব্ধ হৈ ৰোৱা জনজীৱন আৰু সাম্প্ৰতিক সময়ত সমগ্ৰ বিশ্বতে কালধুমুহাৰ সৃষ্টি কৰা ক'ৰোণা মহামাৰীৰ বাবে আকস্মিকভাৱে হৈ যোৱা তলাবন্ধৰ বাবেও বহুতো সমস্যা হৈছিল। কিন্তু উদ্দেশ্য সিদ্ধিৰ বাবে সমস্যাৰ শিলাখণ্ডক ভেদি অহাৰ আমেজ সুকীয়া। সময়ৰ প্ৰত্যাহ্বানৰ বাবে ভবাৰ দৰে এখন উচ্চ মানদণ্ডৰ মুখপত্ৰ আগবঢ়োৱাত সম্পূৰ্ণভাৱে সফল হ'ব নোৱাৰিলো আৰু তাৰ বাবে মই দুঃখিত। জ্যোতিষ্মান হৈছে মহাবিদ্যালয়ৰ দাপোণ স্বৰূপ। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তাৰ মৌৰসেৰে সমৃদ্ধ মুখপত্ৰখনিয়ে সহস্ৰজনৰ জীৱনলৈ জ্ঞানৰ জ্যোতি সঞ্চাৰ কৰক তাৰেই কামনা কৰিলোঁ।

**কৃতজ্ঞতা ঃ**

"ভাষা এটা বস্তু, সাহিত্য তাৰ ৰূপ। ভাষা শৰীৰ, সাহিত্যৰ আত্মা। ভাষা পদাৰ্থ, সাহিত্য তাৰ গুণ। ভাষা এটা ফুল, সাহিত্য গোন্ধ। ভাষা মাটিকঁঠাল, সাহিত্য তাৰ সোৱাদ।" — সত্যনাথ বৰা

সাহিত্যৰ পৰিভাষা কিমান বহল জুখিব পৰা সমৰ্থ মোৰ নাই, কিন্তু সাহিত্যৰ মৌৰস গোটাই জীৱনৰ মৌচাক গোটাবলৈ হেঁপাহ শৈশৱৰ পৰাই বুকুত কঢ়িয়াই লৈ ফুৰিছিলোঁ। মহাবিদ্যালয় পৰিয়ালৰ ওচৰত মই চিৰকৃতজ্ঞ যে মোক এটা বছৰ প্ৰদান কৰিলে। প্ৰাক্তন অধ্যক্ষ প্ৰয়াত ড° যতীন্দ্ৰনাথ শইকীয়া ছাৰৰ এষাৰ কথাই

মুখপত্ৰখনি প্ৰকাশ কৰিবলৈ দুৰ্বাৰ হেঁপাহ জগাইছিল। তেওঁ কৈছিল যে—"আলোচনীখন পঢ়িবলৈ আগ্ৰহেৰে বাট চাই আছোঁ। তোমালৈ আশীৰ্বাদ থাকিল ভালদৰে আগুৱাই যাবা।" দুখৰ বিষয় যে তেখেত আজি নাই কিন্তু তেখেতৰ আশীৰ্বাদ অবিহনে এই কাৰ্য সম্ভৱ নহ'লহেঁতেন। জীৱনত এনে এটা গধুৰ দায়িত্ব পালনৰ বাবে মই কেতিয়াও প্ৰস্তুত নাছিলো। মোক প্ৰস্তুত কৰি তোলা একমাত্ৰ ব্যক্তিজন হ'ল বেদান্ত দাদা। মোৰ বন্ধু-বান্ধৱী আৰু বহু জ্যেষ্ঠ দাদা-বাইদেৱে এই দিশত আগুৱাই যোৱাত বহুত সহায়-সহযোগিতা আগবঢ়াইছিল।

এই যাত্ৰা মোৰ পক্ষে সহজ নাছিল। প্ৰতিটো খোজতে ভয়ে আগুৰি ধৰা ছোৱালীজনীক অনুপ্ৰেৰণা যোগাইছিল শিক্ষাগুৰুসকলে। বিশেষকৈ উপদেষ্টা বাইদেউ তিনিগৰাকীয়ে। বাৰে বাৰে মনলৈ এটাই ভাব আহিছিল মই পাৰিম জানো? কিন্তু প্ৰতিটো পদক্ষেপতে জোনটি বাইদেউ, নৱমী বাইদেউ আৰু হিমাদ্ৰী বাইদেউক ছাঁৰ দৰে কাষতে পাইছিলোঁ। দীপালি বাইদেউৰ ওচৰতো মই চিৰকৃতজ্ঞ। অধ্যক্ষ মহোদয়কে প্ৰমুখ্যে সমূহ শিক্ষাগুৰুলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মুখপত্ৰ সম্পাদনা সমিতিৰ উপৰিও বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী আৰু ফটো সংগ্ৰহ কৰা আমাৰ বিকি দাদাক ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই যাত্ৰাৰ আৰম্ভণিৰে পৰা প্ৰতিটো দিশতে সহায়ৰ হাত আগবঢ়োৱা বন্ধু দেৱজিতৰ ওচৰতো মই চিৰকৃতজ্ঞ।

সদৌ শেষত 'জ্যোতিষ্মান'ত অজানিতে বৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী। মই আশাবাদী যে 'জ্যোতিষ্মান'ৰ এই সংখ্যাটিয়ে সকলোকে সুখী কৰিব।

।। জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়।।
।। জয়তু ছাত্ৰ একতা সভা।।
।। জয়তু জ্যোতিষ্মান।।

ধন্যবাদেৰে—
**জাফ্ৰিনা আহমেদ**
আলোচনী সম্পাদিকা
ছাত্ৰ একতা সভা

# সাংস্কৃতিক আৰু চাৰুকলা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় তথা অধ্যাপক- অধ্যাপিকালৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত নিবেদন কৰিলো। ইয়াৰ লগতে বিভাগীয় উপদেষ্টা দীপা ৰাণী বৰুৱা বাইদেউ আৰু সবিতা বাইদেউক মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিলোঁ।

সংস্কৃতিৰ পথাৰখনৰ প্ৰতি মোৰ সৰুৰে পৰাই দুৰ্বলতা আছিল। এজন ভাল কণ্ঠশিল্পী হোৱাৰ আৰু এজন ভাল অভিনেতা হোৱাৰ সপোন সৰুৰে পৰাই মোৰ হৃদয়ত বিৰাজমান যদিও ছাত্ৰ একতা সভাৰ বিষয় ববীয়া হোৱাৰ হাবিয়াস নাছিল তথাপি বন্ধু-বান্ধৱী সকলৰ চেষ্টাত আৰু মোৰ ভাতৃপ্ৰতীম মহাবিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদক বেদান্ত বৰাৰ পৰামৰ্শত মই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক তথা চাৰুকলা সম্পাদকৰ পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো। মহাবিদ্যালয়ৰ এই সাধাৰণ নিৰ্বাচনত মই বিপুল ভোটত বিজয়ী হ'বলৈ সক্ষম হৈছিলো। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক তথা চাৰুকলা বিভাগৰ দৰে গধুৰ দায়িত্ব অৰ্পণ কৰাৰ বাবে সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ।

ছাত্ৰ একতা সভাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰ পৰা মোৰ দায়িত্ব মই সুচাৰুৰূপে পালন কৰি গৈছিলো। মোৰ ভাগত পৰা কাৰ্য্যসূচী সমূহৰ চমু অভাস তলত দাঙি ধৰা হ'ল।

১। বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ উপলক্ষে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত থলীতে ফটো তোলা প্ৰতিযোগিতা আৰু সংগ্ৰহ কৰা ফটো প্ৰতিযোগিতা মই সুচাৰুৰূপে পালন কৰিছিলো।

২। বাৰ্ষিক সৰস্বতী পূজা ভাগ মই সুন্দৰভাৱে আয়োজন কৰিছিলো। পূজা ভাগ আয়োজন কৰিবলৈ যাওঁতে শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি লাভ কৰিছিলো। এই ছেগতে মই সকলোলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

৩। সৰস্বতী পূজাৰ দৰেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি ভাগো গুৰুজনাৰ আৰ্হিৰে আয়োজন কৰি সমাপন কৰিছিলো।

এনেদৰেই মোৰ দায়িত্বখিনিক মই নিষ্ঠাৰে পালন কৰিছিলো। মানুহৰ ভুল হোৱাটো স্বাভাৱিক। গতিকে মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। শেষত সকলোলৈ ধন্যবাদ জনাই মোৰ প্ৰতিবেদন ইমানতেই সামৰণি মাৰিছোঁ।

"জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়"

জয়তু ছাত্ৰ একতা সভা।

ধন্যবাদেৰে—

**দিগন্ত বৰা**

সাংস্কৃতিক আৰু চাৰুকলা সম্পাদক

ছাত্ৰ একতা সভা

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

"হে শ্বহীদ প্ৰণামো তোমাক", প্ৰতিবেদনৰ আৰম্ভণিতে "বীৰ সংগ্ৰামী", "স্বদেশপ্ৰেমী আৰু জাতি"ৰ হকে সংগ্ৰাম কৰি দেশমাতৃৰ বুকুত প্ৰাণ আহুতি দিয়া সকলো শ্বহীদলৈ মোৰ শ্ৰদ্ধা নিবেদিলোঁ।

জয়জয়তে ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে উপাধ্যক্ষ মহোদয়, মোৰ চিৰপূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু বন্ধু-বান্ধৱীৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ শ্ৰদ্ধা আৰু মৰম জনালো।

২০১৮ - ২০১৯ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰি নিজ কাৰ্য সুকলমে পালন কৰাৰ প্ৰতিশ্ৰুতিৰে নিজৰ কাৰ্যভাৰ গ্ৰহণ কৰিলোঁ। যদিও মোৰ ধাৰণাৰে বহুতো ক্ষেত্ৰত সফল হ'ব নোৱাৰিলোঁ।

২০১৮-২০১৯ বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিযোগিতাৰ ভিতৰত পুষ্পসজ্জা, মেহেন্দী, চালাড, টেকেলী ভঙা আদি প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিবলৈ মই দায়িত্ব পালন কৰিছিলোঁ। মোৰ কাৰ্যকালত মহাবিদ্যালয়খনৰ বাবে মই কি কৰিব পাৰিলোঁ। সেয়া আপোনালোকৰ বিশ্বাৰ্য। মোৰ কাৰ্যকালত মোৰ বিভাগীয় উপদেষ্টা অধ্যাপিকা স্নেহা হাজৰিকা বাইদেউৱে যিদৰে মোক প্ৰতিটো দিশতে সহায়-সহযোগ আৰু সু-পৰামৰ্শ আগবঢ়ালে তাৰ বাবে মই চিৰকৃতজ্ঞ। তদুপৰি মোৰ কাৰ্যকালত প্ৰতি মুহূৰ্তত সহায় আগবঢ়োৱা অধ্যাপক-অধ্যাপিকা, শ্ৰদ্ধাৰ দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱীসকললৈ ধন্যবাদ আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। লগতে মোৰ সহপাঠী সকলক আৰু শুভাকাংক্ষীসকলক মোৰ হিয়াভৰা মৰম আৰু শুভেচ্ছা যাচিলোঁ।

সদৌ শেষত এই মহাবিদ্যালয়খনিয়ে যেন নিজৰ ঐতিহ্যমণ্ডিত চানেকিৰে চিৰদিন জিলিকি থাকে, লগতে নৱ প্ৰজন্মৰ মাজত জ্ঞানৰ পোহৰ বিলাই এক আদৰ্শময় আৰু সুস্থ মানৱ সম্পদ গঢ়ি তোলাৰ দিশত অগ্ৰসৰ হৈ চিৰযুগমীয়া হৈ ৰয়, তাৰে শুভকামনাৰে —

"জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয়তু জ্যোতিষ্মান"।

ধন্যবাদেৰে —
বন্দনা গোহাঁই
সম্পাদক, ছাত্ৰী জিৰণি কোঠা
ছাত্ৰ একতা সভা

# তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয় তথা সমূহ অধ্যাপক - অধ্যাপিকাসকল আৰু কৰ্মচাৰীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলো আৰু লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোক এই গুৰু দায়িত্ব প্ৰদান কৰি মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়াবলৈ সুবিধা প্ৰদান কৰাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই বিনা প্ৰতিদ্বন্দ্বিতাৰে তৰ্ক সম্পাদিকাৰ পদটিত জয়লাভ কৰি এক পদবীৰ অধিকাৰী হৈ পৰাত প্ৰথমাৱস্থাত নিজকে অপ্ৰস্তুত যেন অনুভৱ কৰিছিলো আৰু কিছু অসুবিধাৰ সন্মুখীন হৈছিলো। কিন্তু পাছলৈ সকলো সহজ হৈ পৰিছিল। মোৰ কাৰ্যকালত বিভাগীয় উপদেষ্টা জুলফিক আৰা বাইদেউ আৰু প্ৰণৱ পাঠৰী ছাৰে সকলো দিশতে সকলো সময়তে নিজৰ বহুমূলীয়া পৰামৰ্শ তথা সহায়-সহযোগ আগবঢ়াইছিল। এই ছেগতে ছাৰ -বাইদেউক তেওঁলোকৰ বহুমূলীয়া পৰামৰ্শৰ বাবে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

বিভাগীয় কাৰ্যকালৰ কাৰ্যক্ৰমণিকাৰ ভিতৰত মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত থকা, বিভিন্ন সময়ত আন্তঃমহাবিদ্যালয় পৰ্যায়ত অনুষ্ঠিত প্ৰতিযোগিতাসমূহত মহাবিদ্যালয়ৰ দলক নেতৃত্ব প্ৰদান কৰা ইত্যাদি। এই সকলোবোৰ কাৰ্যত অজানিতে দোষ-ত্ৰুটি হৈ যাব পাৰে তাৰ বাবে মই আপোনাসৱৰ ওচৰত ক্ষমা প্ৰাৰ্থী।

শেষত সদৌটিলেকে পুনৰবাৰ ধন্যবাদ জনাই তৰ্ক বিভাগ আৰু মহাবিদ্যালয়ৰ মংগল কামনা কৰি মোৰ এই প্ৰতিবেদন সামৰণি মাৰিছো।

শেষত এই মহাবিদ্যালয়খনিয়ে যেন নিজৰ ঐতিহ্যমণ্ডিত গৰিমাময় চানেকিৰে চিৰদিন জিলিকি থাকি আমাৰ আৰু উঠি অহা নৱপ্ৰজন্মৰ মাজত জ্ঞানৰ আলোক বৰ্ত্তিৰে আলোকিত হৈ থাকে তাৰেই কামনাৰে —

জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়।
জয়তু তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ।
জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ
ছাত্ৰ একতা সভা।।

ধন্যবাদেৰে—

**অমিয়া বৰা**
তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ
ছাত্ৰ একতা সভা

# ক্রিকেট আৰু ফুটবল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত ড° যতীন্দ্ৰনাথ শইকীয়াদেৱলৈ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি। মোৰ চিৰপূজনীয়, শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ লগতে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল। মোৰ মৰমৰ বন্ধু-বান্ধৱী, ভাইটি-ভণ্টীসকল, দাদা-বাইদেউ আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়ালৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ২০১৮-২০১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই ক্ৰিকেট আৰু ফুটবল বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ দায়িত্ব নিষ্ঠা আৰু সততাৰে পালন কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছিলো। কাৰ্যভাৰ গ্ৰহণ কৰি মই মোৰ কাৰ্যক্ষেত্ৰত কিমান সফল হ'ব পাৰিলো সেইয়া আপোনালোকে বিবেচনা কৰিব?

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই বোকাখাতত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে জয়লাভ কৰিবলৈ সক্ষম হয়। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহতো আন্তঃশ্ৰেণীসমূহৰ মাজত মোৰ নেতৃত্বত অনুষ্ঠিত হোৱা ক্ৰিকেট আৰু ফুটবল খেলসমূহ সুচাৰুৰূপে অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত খেলসমূহত অংশগ্ৰহণকাৰী প্ৰতিযোগীৰ সংখ্যা আছিল উৎসাহজনক আৰু সকলো প্ৰতিযোগীয়ে নিজৰ প্ৰতিভাসমূহ সুন্দৰভাৱে দাঙি ধৰিছিল।

মোৰ কাৰ্যকালত প্ৰতিটো ক্ষেত্ৰতে মহাবিদ্যালয়ৰ প্ৰবক্তা মানস ছাৰে মোক বিভিন্ন ক্ষেত্ৰত দিহা-পৰামৰ্শ আৰু সহযোগিতা প্ৰদান কৰি মোৰ কাৰ্যকালক সুচাৰুৰূপে পালন কৰাত সহায় কৰিছিল।

মানুহৰ ভুল হোৱাটো স্বাভাৱিক। গতিকে মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। গোলাঘাট বাণিজ্য-মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'জ্যোতিষ্মান' খনিৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

।। জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়।।
।। জয়তু ক্ৰিকেট আৰু ফুটবল বিভাগ।।
।। জয়তু ছাত্ৰ একতা সভা।।

ধন্যবাদেৰে—
**সুশান্ত বিকাশ ভৰদ্বাজ**
সম্পাদক, ক্ৰিকেট আৰু ফুটবল বিভাগ
ছাত্ৰ একতা সভা

# সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে মই গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ সন্মানীয় স্বৰ্গীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে উপাধ্যক্ষ মহোদয় তথা মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ লগতে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰীসকল, মোৰ মৰমৰ বন্ধু-বান্ধৱী, ভাইটি-ভণ্টিসকল, দাদা-বাইদেউ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতাৰ সভাৰ নিৰ্বাচনত অপ্ৰতিদ্বন্দ্বিতাৰে সমাজ সেৱা বিভাগৰ সম্পাদিকা হিচাপে দায়িত্ব গ্ৰহণ কৰিবলৈ পাই অতি গৌৰৱ অনুভৱ কৰিছোঁ।

যদিও মই অপ্ৰতিদ্বন্দ্বী হিচাপে জয়ী হৈছিলো মোক বাণিজ্যিয়ান সকলে বহুতো সহায় সহযোগ কৰিছিল। সেয়ে তেওঁলোকৰ আগত মই চিৰ কৃতজ্ঞ ।

বিভাগীয় সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰি মই নিজৰ কৰ্মৰ দায়িত্বসমূহ সুচাৰুৰূপে চলাই যাবলৈ প্ৰয়াস কৰিছিলোঁ। ২০১৮-১৯ বৰ্ষৰ মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ মোৰ ভাগত পৰিছিল। মোৰ কাৰ্যকালৰ প্ৰতিটো ক্ষেত্ৰত উপদেষ্টা হিচাপে থাকি সহায় সহযোগ আৰু সু-পৰামৰ্শ আগবঢ়োৱা অধ্যাপিকা মনোৰমা বাইদেউলৈ মোৰ অশেষ ধন্যবাদ।

প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। লগতে মোৰ সহপাঠী সকলক আৰু শুভাকাংক্ষী সকলক মোৰ হিয়াভৰা মৰম আৰু শুভেচ্ছা যাচিলোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি হওক আৰু প্ৰতিজন শিক্ষাগুৰুৰ সু-স্বাস্থ্য দীৰ্ঘায়ু কামনা কৰি মোৰ এই প্ৰতিবেদন ইতি পেলালোঁ।

জয়তু ছাত্ৰ একতা সভা
জয়তু বাণিজ্যিয়ান
জয় আই অসম

ধন্যবাদেৰে—
**বৰষা ফুকন**
সম্পাদিকা, সমাজ সেৱা বিভাগ
ছাত্ৰ একতা সভা

# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেই সকল বৰেণ্য ব্যক্তিলৈ একাজঁলি গভীৰ শ্ৰদ্ধা আগবঢ়াইছোঁ। যিসকলৰ ঐকান্তিক প্ৰচেষ্টা, কষ্ট আৰু ত্যাগৰ বিনিময়ত জন্ম হৈছিল আজিৰ গোলাঘাট বাণিজ্য মহাবিদ্যালয়।

ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি উপাধ্যক্ষ মহোদয়, মোৰ চিৰপুজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা 'জ্যোতিষ্মান'ৰ সকলো পাঠকলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০১৮-১৯ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত যুটীয়াভাৱে সংগীত বিভাগৰ সম্পাদকৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিছিলো। মোক এই সুযোগ প্ৰদান কৰাৰ বাবে মহাবিদ্যালয়ৰ প্ৰত্যেকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ কাৰ্যকালত প্ৰতিটো দিশতে দিহা-পৰামৰ্শ দি আগুৱাই নিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয় আৰু শিক্ষক উপদেষ্টাসকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

অৱশেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে ক্ষমা প্ৰাৰ্থী। মহাবিদ্যালয়ৰ উন্নতি কামনা কৰিলোঁ।

।। জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়।।

।। জয়তু ছাত্ৰ একতা সভা।।

ধন্যবাদেৰে—

**ছানিয়া মনজিল**

সংগীত বিভাগৰ সম্পাদক

ছাত্ৰ একতা সভা

# স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণীত উত্তীৰ্ণৰ একাংশ

| নাম | বিভাগ |
|---|---|
| ➢ কৃশানু বৰুৱা<br>*প্ৰথম শ্ৰেণীৰ দশম স্থান* | ভূগোল বিজ্ঞান |
| ➢ অলকতৰাগ ঠেঙাল | ইতিহাস |
| ➢ হাচিবুৰ ৰহমান | ভূগোল বিজ্ঞান |
| ➢ সৌমাৰ দুৱৰা | ভূগোল বিজ্ঞান |
| ➢ আকাংক্ষা বৰ্মা | ভূগোল বিজ্ঞান |
| ➢ আনন্দিতা দাস | ভূগোল বিজ্ঞান |
| ➢ কাকুমণি কটকী | অসমীয়া |
| ➢ লিজা সোণোৱাল | ভূগোল বিজ্ঞান |
| ➢ মামু শইকীয়া | অসমীয়া |
| ➢ পল্লৱী বৰা | ইতিহাস |
| ➢ পৰিণীতা তাঁতী | ভূগোল বিজ্ঞান |
| ➢ প্ৰিয়ংকা বৰা | ভূগোল বিজ্ঞান |
| ➢ ৰিজুমণি গগৈ | ভূগোল বিজ্ঞান |
| ➢ সংযুক্তা চিৰিং ফুকন | ভূগোল বিজ্ঞান |
| ➢ শিখামণি শইকীয়া | শিক্ষা |
| ➢ স্মিতা বড়ো | ভূগোল বিজ্ঞান |
| ➢ আদিত্য নেওগ | হিচাপ বিদ্যা |
| ➢ আকাশ শৰ্মা | হিচাপ বিদ্যা |
| ➢ দীপক শৰ্মা | হিচাপ বিদ্যা |
| ➢ সঞ্জয় গগৈ | হিচাপ বিদ্যা |
| ➢ ত্ৰিনয়ন শইকীয়া | হিচাপ বিদ্যা |

| | |
|---|---|
| ➢ অংকিতা আগৰৱালা | হিচাপ বিদ্যা |
| ➢ খুচবু আগৰৱাল | হিচাপ বিদ্যা |
| ➢ মমতা কুমাৰী গুপ্তা | হিচাপ বিদ্যা |
| ➢ নন্দিনী গুপ্তা | হিচাপ বিদ্যা |
| ➢ নিকি প্ৰসাদ ৰ'নীয়াৰ | হিচাপ বিদ্যা |
| ➢ পুনম গুপ্তা | হিচাপ বিদ্যা |
| ➢ সাগৰিকা শইকীয়া | হিচাপ বিদ্যা |
| ➢ শিৱানী শইকীয়া | হিচাপ বিদ্যা |
| ➢ নিখিল জালান | মাৰ্কেটিং |
| ➢ স্বাতি বাহেতি | মাৰ্কেটিং |
| ➢ শ্বেতা বৰ্মা | মাৰ্কেটিং |
| ➢ যুক্তাশ্ৰী বৰুৱা | মাৰ্কেটিং |
| ➢ দেৱাশীষ সাহা | বেংকিং |
| ➢ ৰিম্পী শইকীয়া | মানৱ সম্পদ পৰিচালনা |
| ➢ চনম দে | মানৱ সম্পদ পৰিচালনা |

❑❑❑

# ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষ



পৰিণীতা তাঁতী
সভাপতি



তপন বৰা
উপ-সভাপতি





জাফ্ৰিনা আহমেদ
আলোচনী সম্পাদক



দিগন্ত বৰা
সাংস্কৃতিক সম্পাদক



চানিয়া মঞ্জিল
সংগীত সম্পাদক



বৰষা ফুকন
সমাজসেৱা সম্পাদক



অমিয়া বৰা
তৰ্ক আৰু আলোচনা সম্পাদক



নিৰজ গুপ্তা
গুৰু ক্ৰীড়া সম্পাদক



সুশান্ত বিকাশ ভৰদ্বাজ
ক্ৰিকেট আৰু ফুটবল সম্পাদক




সৌৰভ ঘোষ
ছাত্ৰ জিৰণি কোঠা সম্পাদক



ছাত্ৰী

# ০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল



পৰিণীতা তাঁতী
সভাপতি



তপন বৰা
উপ-সভাপতি



দেৱজিত বৰা
সাধাৰণ সম্পাদক



মাহমেদ
সম্পাদক



দিগন্ত বৰা
সাংস্কৃতিক সম্পাদক



চানিয়া মঞ্জিল
সংগীত সম্পাদক



হেমন্ত দত্ত
সংগীত সম্পাদক



কন
ম্পাদক



অমিয়া বৰা
তৰ্ক আৰু আলোচনা সম্পাদক



নিৰজ গুপ্তা
গুৰু ক্ৰীড়া সম্পাদক



পিংকু কছাৰী
লঘু ক্ৰীড়া সম্পাদক







